# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ৩০/০১/২০১৯ বুধবাৰ

**আজি ইংৰাজী ৩০-০১-২০১৯ তাৰিখে পুৱা ৯.৩০ বজাত অসম বিধান সভাৰ ২০১৯ চনৰ বাজেট অধিৱেশন মাননীয় অধ্যক্ষ শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামীৰ অধ্যক্ষতাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নকালীন ঘণ্টা। ১ নং প্ৰশ্ন নুৰুল হুদা। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা বিভাগ ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী নুৰুল হুদা, বিধায়ক (ৰূপহী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ প্ৰশ্নৰ উত্তৰত মই আস্বস্ত হ'ব পৰা নাই। মহাবিদ্যালয় সমূহত দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে বিনামূলীয়া নাম ভৰ্ত্তিৰ যি আঁচনি গ্ৰহণ কৰিছে, সেইটো ভাল আঁচনি। প্ৰতি বছৰে জুন মাহত কলেজ সমূহত নাম ভৰ্ত্তি হয়। কিন্তু আজি আঠ মাহ লৈকে ছাত্ৰ-ছাত্ৰীসলকৰ নাম ভৰ্ত্তিৰ মাচুল কলেজ সমূহে লাভ কৰা নাই। উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে ২০১৮-১৯ চনলৈকে ৩০ লাখ টকাৰ মঞ্জুৰী দিয়াৰ ব্যৱস্থাহে কৰা হৈছে। কিন্তু মঞ্জুৰী দিয়া হোৱা নাই। আমাৰ মহাবিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নাই। কিন্তু মহাবিদ্যালয় সমূহে অনিয়মীয়া শিক্ষক সকলক লৈ কলেজসমূহ চলাই আছে। মাননীয় অধ্যক্ষ মহোদয় আজি কলেজসমূহে এই সামান্য টকাখিনি নোপোৱাৰ বাবে বহুতো অনিয়মীত শিক্ষকে মহাবিদ্যালয় এৰিব লগীয়া হৈছে। আজি মোৰ ৰূপহী সমষ্টিৰ ৰূপহী মহাবিদ্যালয়ত ২০২৮জন ছাত্ৰ-ছাত্ৰী আছে। কিন্তু তাৰ অনুপাতে শিক্ষক-শিক্ষয়ত্ৰী ৪৫ জন। চৰকাৰী সহকাৰী শিক্ষক আছে ২৩ জন, বে-চৰকাৰী ২২জন আছে। এই যি বে-চৰকাৰী শিক্ষক আছে, তেওঁলোকে মাহিলী ৫ ৰ পৰা ৭ হাজাৰ টকা দৰমহা পায়। কিন্তু এই টকাখিনি তেওঁলোকে যাতায়ত, ঘৰভাড়া আৰু খোৱা-লোৱাৰ বাবে যথেষ্ট নহয়। তাৰপিছতো যদি তেওঁলোকে এই দৰমহাখিনি নাপাই, তেনেহ'লে আমাৰ শিক্ষা ব্যৱস্থা কেনেকৈ সঠিক দিশে আগবাঢ়ি যাব?

**মাননীয় অধ্যক্ষ ঃ** আপুনি সঠিক প্ৰশ্নটোলৈ আহক। আপোনাৰ প্ৰশ্নটো মন্ত্ৰী মহোদয়ে বুজি পাইছে। আপুনি কৈছে যে এই টকাখিনি নোপোৱাৰ বাবে শিক্ষকসকলৰ দূৰৱস্থা হৈছে। এইটোৱে শিক্ষা ব্যৱস্থাত **Affect** কৰিছে। মোৰ দৃষ্টিত ইয়াৰ প্ৰভাৱটো চৰকাৰে কেনেকৈ গুচাব তাৰ উত্তৰটো প্ৰথমে দিবলৈ দিয়ক। তেতিয়া **Supplementary** কৰিব পাৰিব।

**শ্ৰী নুৰুল হুদা, বিধায়ক (ৰূপহী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইটোৱে ক'ব বিচাৰিছো যে এই টকাখিনি মোকলাই নিদিয়াৰ বাবে শিক্ষাৰ মানদণ্ড নিম্নগামী হৈছে আৰু বে-চৰকাৰী সহকাৰী অধ্যাপক সকলে মনোযোগেৰে পঢ়াব নোৱাৰা হৈছে। এইক্ষেত্ৰত চৰকাৰে কি ধৰণৰ খৰতকীয়া ব্যৱস্থা লৈছে, এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদস্য গৰাকীৰ উত্তৰত আমি লিখিছো যদিও মঞ্জুৰী দিয়া হৈছে, এইটো তথ্যগত স্থিতি। কিন্তু যোৱা সপ্তাহত এই পইচাখিনি

মুকলি কৰি দিয়া হৈছে। এইটো ইয়াত অন্তৰ্ভুক্ত কৰা হোৱা নাই। তেখেতে যিটো প্ৰশ্ন কৰিছে সেইটো একেবাৰে সঠিক প্ৰশ্ন। কিন্তু আমি যিখিনি টকাৰ মঞ্জুৰী দিবলগীয়া আছে, সেই ক্ষেত্ৰত আমাৰ কিছু Scrutiny কৰাৰ প্ৰয়োজন আছে। কিয়নো এই আঁচনিটো দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে। কিন্তু আমি কিছু কিছু ক্ষেত্ৰত দেখিবলৈ পাইছো যে এখন কলেজত যদি ১৫৭ গৰাকী ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তি কৰা হৈছে, তাৰে ১৫৭ গৰাকীয়ে দৰিদ্ৰ সীমাৰেখাৰ তলত থকা বুলি দাবী কৰি শিক্ষাৰ মাচুল ৰেহাই বিচাৰিছে। গতিকে এই ক্ষেত্ৰত Scrutiny কৰিবলগীয়া হৈছে আৰু অলপ সময় লাগিছে। সেই কথাটো মই স্বীকাৰ কৰিছো আৰু আমি অধ্যক্ষসকলক কৈছো যে যদি তেওঁলোকে যধে-মধে সকলোকে ৰেহাই দি দিয়ে তেতিয়া হ'লে পৰৱৰ্ত্তী সময়ত গোটেই শিক্ষা ব্যৱস্থাটোৰ ওপৰত বেয়া প্ৰভাৱ পৰিব। সেয়েহে প্ৰথমতে দিওঁতেই অধ্যক্ষ সকলে চালি-জাৰি চাব লাগে।

**শ্ৰী নুৰুল হুদা, বিধায়ক (ৰূপহী) ঃ**মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গ্ৰাম্য অঞ্চল সমূহত যি সমূহ মহাবিদ্যালয় আছে, তাত দৰিদ্ৰ সীমাৰেখাৰ তলৰ অধিক সংখ্যক ছাত্ৰ-ছাত্ৰী আছে। গতিকে এই দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰত নাম ভৰ্ত্তি মাছুল দিয়াৰ যিটো সিদ্ধান্ত চৰকাৰে লৈছে, সেইটো সময়মতে দিব লাগে। জুন মাহত নাম ভৰ্ত্তি হয় আৰু জুন মাহতে এই পইচাখিনি দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়,মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে ব্যৱস্থা কৰি থকা হৈছে আৰু এই ক্ষেত্ৰত যাতে ছাত্ৰ-ছাত্ৰীসকলে পইচাখিনি সময় মতে পাই তাৰ বাবে মই অনুৰোধ কৰিলো। ২৪-১০-২০১৭তাৰিখে শিক্ষা বিভাগৰ Director of Higher Secondary Assam এ কৈছিল যে মহাবিদ্যালয়সমূহে গুৱাহাটী গ্ৰন্থমেলাৰ পৰা ২ লাখ টকাৰ কিতাপ ল'ব পাৰিব আৰু চৰকাৰে সেইটোৰ পইচা দিব। কিন্তু ২০১৭ চনতে টকা ধাৰ কৰি কিতাপ কিনাৰ পিছতে চৰকাৰে এই মূহূৰ্ত্তলৈ টকাখিনি দিয়া নাই। গতিকে এই টকাখিনি কেতিয়া মুকলি কৰি দিব সেইটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** তথ্য থাকিলে মন্ত্ৰী মহোদয়ে উত্তৰটো দিব। নহ'লে পিছত দিব।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই উত্তৰটো তেখেতক ব্যক্তিগত ভাৱে বা আপোনাৰ জৰিয়তে দিয়াৰ ব্যৱস্থা কৰিম।

**শ্ৰী চক্ৰধৰ গগৈ, বিধায়ক (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বহুক্ষেত্ৰত দেখিবলৈ পোৱা গৈছে যে আমাৰ যিখিনি মহাবিদ্যালয়ত নাম ভৰ্ত্তিৰ আঁচনি আছে, তাৰে বহুকেইখন মহাবিদ্যালয়ত দেখা যায় যে অধ্যক্ষ সকলে যি মন যায় তাকে কৰে। ছাত্ৰ-ছাত্ৰীসকলে প্ৰমাণ-পত্ৰ দিয়াৰ পিছতো বা BPL card দিয়াৰ পিছতো তেখেতসকলে নাম ভৰ্ত্তিটো বিনামূলীয়া কৰি দিবলৈ বেয়া পায়। কিছু কিছু ছাত্ৰ-ছাত্ৰীৰ এনেধৰণৰ অভিযোগ আমি পাইছো। গতিকে এই ক্ষেত্ৰত কিবা Strong action ল'ব পাৰি নেকি?

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়টো অলপ জটিল। কিয়নো মন্ত্ৰী মহোদয়ে কৈছে, কিছুক্ষেত্ৰত নিদিব লগীয়াক দিয়ে আৰু আপুনি কৈছে যে দিবলগীয়াক নিদিয়ে। এতিয়া মন্ত্ৰী মহোদয়ে কওঁক।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে যিটো অভিযোগ উত্থাপন কৰিছে, তেনেধৰণৰ অভিযোগ আমি কিছু সময়ত পাওঁ আৰু তাৎক্ষণিকভাৱে এই অভিযোগসমূহ সমাধান কৰিবৰ বাবে আমি ব্যৱস্থা লওঁ। তেখেতৰ যদি বিশেষ তেনেকুৱা ধৰণৰ কোনো অভিযোগ দৃষ্টিগোচৰ হৈছে, আমাক জনালে আমি ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ঋতুপৰ্ণ বৰুৱা ।

**শ্ৰী ঋতু পৰ্ণ বৰুৱা, বিধায়ক (লাহোৱাল) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক

এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে আমাৰ অসমত চৰকাৰী বিভাগত নপৰা অপ্ৰাদেশীকৃত কনিষ্ঠ আৰু উচ্চ মহাবিদ্যালয় যথেষ্ঠ আছে আৰু এই মহাবিদ্যালয় সমূহত আমাৰ ছাত্ৰ-ছাত্ৰী সকলে এই সুবিধা পোৱা নাই। মোৰ সমষ্টি লাহোৱালৰ ডিব্ৰুগড় জিলাৰ আটাইতকৈ বেছি ছাত্ৰ-ছাত্ৰী থকা মহাবিদ্যালয় হৈছে লাহোৱাল মহাবিদ্যালয়। কিন্তু এই মহাবিদ্যালয়খনৰ দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে এই সুবিধাসমূহ পোৱা নাই। কাৰণ চৰকাৰীকৰণ কৰিব পৰা নাই। গতিকে মই অনুৰোধ জনাব বিচাৰিছো যে এই সুবিধা যাতে আমাৰ দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে পায়।

*.....প্ৰশ্নকালীন ঘণ্টা.......*

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, শিক্ষা ঃ** অধ্যক্ষ মহোদয়, বিমল বৰা ডাঙৰীয়াই অপ্ৰাদেশিকীকৃত বিদ্যালয়ৰ সম্পৰ্কত যি প্ৰশ্ন উত্থাপন কৰিছে, ইয়াৰ উত্তৰত আমি কৈছো যে, আমাৰ চৰকাৰে প্ৰাদেশিকীকৰণৰ প্ৰক্ৰিয়াটো তৰান্বিত কৰিবৰ বাবে প্ৰচেষ্টা লৈছো। অধ্যক্ষ মহোদয়, এই সিদ্ধান্তত আপুনিও agree কৰিব যে, কিছু ক্ষেত্ৰত আঁচনি সমূহৰ এটা পৰিসীমা থাকে আৰু সেই পৰিসীমাৰ মাজেৰে আমি কাম-কাজ খিনি আগবঢ়াব লগা হয়। আমাৰ যিখিনি বিদ্যালয় এই পৰিসীমাৰ আওঁতাত অহা নাই, তেওঁলোকক নিঃসন্দেহে সেই পৰিসীমাৰ আওঁতাত অনাৰ দায়িত্ব চৰকাৰৰ আছে আৰু তাৰ বাবে প্ৰচেষ্টাও হাতত লৈছে। তেখেতে যিটো প্ৰশ্ন উত্থাপন কৰিছে, সেই প্ৰশ্নটো মই গুৰুত্ব সহকাৰে লৈছো আৰু পৰৱৰ্তী সময়ত এই সমস্যাটো কিদৰে সমাধান কৰিব পৰা যায় তাৰ প্ৰচেষ্টা হাতত লৈছো।

**মাননীয় অধ্যক্ষঃ** Thank You. Question No. 2 -Ramendra Narayan Kalita.

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, শিক্ষা ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দাঙি ধৰা হৈছে।

**মাননীয় শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নিৰ্বাচন হৈ যোৱাৰ পিছত ইয়াত কেইবাবাৰো বিধান সভাৰ অধিবেশন অনুষ্ঠিত হৈছে আৰু প্ৰত্যেক বাৰেই মই এই প্ৰশ্নটো উত্থাপন কৰি আহিছো আৰু প্ৰত্যেকবাৰে একেটা উত্তৰেই পাই আহিছো। কিন্তু মোৰ কথাটো হ'ল যে, Jawaharlal Nehru National Urban Renewal Mission ৰ পানী যোগান আঁচনিৰ আধাৰ শিলা ২০০৮ চনতে স্থাপন কৰা হৈছিল কিন্তু ২০০৮ চনৰ পৰা আজিৰ সময়ছোৱালৈ মানে ২০১৯ চন, এই ১০-১১ বছৰ সময় পাৰ হৈ যোৱাৰ পিছতো আজিলৈকে এই পানী যোগান আঁচনিৰ জৰিয়তে মানুহে বিশুদ্ধ পানী খোৱাৰ পৰা বঞ্চিত হৈ আছে। এতিয়া মোৰ প্ৰশ্নটো হ'ল যে, যেতিয়া original DPR প্ৰস্তুত কৰা হৈছিল, তেতিয়া সময় সীমা কিমান আছিল আৰু সেই সময়ত DPR প্ৰস্তুত কৰোঁতে এই Project টোৰ cost কিমান আছিল? আজি ১০-১১ বছৰ ধৰি যিহেতু Project টো সম্পূৰ্ণ হোৱা নাই গতিকে original DPR ৰ cost টো এতিয়া কিমান বৃদ্ধি কৰা হ'ল? লগতে সময় সীমাৰ ভিতৰত GAMON এ যি কাম কৰিছে, এই কাম কৰাৰ পিছত তেওঁলোকৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে? দ্বিতীয়তে, মোৰ সমষ্টিত Dumping Ground এটা আছে য'ত গুৱাহাটীৰ যিমান বেয়া বস্তু, বেয়া আৱৰ্জনা আছে, সকলো তাত পেলোৱা হয়। সেই Dumping Ground ৰ ওচৰতে দীপৰ বিল আৰু Wild Life Sanctuary আছে । মই বাৰম্বাৰ কৈ অহাৰ পিছতো আজি পৰ্যন্ত এই Dumping Ground স্থানান্তৰ কৰা নহ'ল। কিন্তু, ইয়াৰ আগৰ বিধান সভাৰ

অধিবেশনত প্ৰতিশ্ৰুতি দিছিল যে, এই Dumping Ground টো আন ঠাইত স্থানান্তৰ কৰা হ'ব। Environment Act মতে ২০ কিঃমিঃ পৰ্যন্ত কোনো ধৰণৰ Dumping Ground ৰাখিব নোৱাৰে। কিন্তু ইয়াৰ পৰা দেখা গৈছে যে, Environment Act টো ভংগ কৰা হৈছে। যদি, এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা নলয় আৰু বাৰিষাৰ আগত যদি ইয়াক স্থানান্তৰ কৰা নহয় তেন্তে পশ্চিম গুৱাহাটীৰ ৰাইজে ইয়াক কেনেকৈ স্থানান্তৰ কৰা হয় দেখুৱাই দিব। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এই সম্পৰ্কত উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মাননীয় মন্ত্ৰী, শিক্ষা ঃ** মাননীয় সদস্য গৰাকীয়ে যিটো বিষয়ৰ ওপৰত প্ৰশ্ন কৰিছে, এই বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণ আৰু ই আমাক যথেষ্ট চিন্তিত কৰিছে। অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো আমি inheritance লৈ পঠাম, গতিকে তাৰ প্ৰাক্কলন কোনে, কেনেকৈ, কি ভিত্তিত ঠিকাদাৰক দিছিল ইত্যাদি পুৰণি ইতিহাসসমূহ যদি খুচৰিবলৈ যাওঁ তেন্তে আমি আগবাঢ়ি যাব নোৱাৰিম। খোৱা পানীৰ প্ৰজেক্টৰ ক্ষেত্ৰত এনেকুৱাও হৈছে যে ঠিকাদাৰে কাম এৰি পলাই গৈছে। এতিয়া যদি আমি তেওঁলোকক legal notice দি কামলৈ ঘূৰাই আনো, তেন্তে ই যথেষ্ট সময় ল'ব। JNNURM ৰ যিটো প্ৰকল্পৰ কথা কলিতা ডাঙৰীয়াই কৈছে, মই ব্যক্তিগত ভাৱে গৈ চাই আহিছো যে ইয়াৰ কাম প্ৰায় ৯০% শেষ হৈছে । তাত দুটা component আছে, এটা হৈছে ব্ৰহ্মপুত্ৰৰ পানী পৰিশোধন কৰি সেই পানী main পাইপ লাইনেৰে পঠিওৱা কামটো সম্পূৰ্ণ হৈছে আৰু main pipeline ৰ পৰা নাগৰিক সকলক পানীৰ যিটো connection দিয়া হ'ব, তাৰ কাম সমূহ আগবাঢ়ি আছে আৰু অতি সোনকালে সম্পূৰ্ণ হৈ উঠিব। গতিকে নৱেম্বৰ মাহৰ ভিতৰত মানুহৰ ঘৰত পানী যোগান ধৰিবলৈ সক্ষম হ'ম।

ইয়াৰ লগতে কলিতা ডাঙৰীয়াই তেখেতৰ আন এটা প্ৰশ্নত দীপৰ বিলৰ কাষৰ Dumping Ground ৰ বিষয়ে কৈছে। তেওঁ কৈছে যে, পশ্চিম গুৱাহাটীৰ ৰাইজে Dumping Ground টো উঠাই দিব। কিন্তু কথাটো হ'ল যে, এই Dumping Ground টো উঠাই দি ক'ত পঠিয়াব? এই কথাখিনিও আমি জানিব লাগিব। এখন Dumping Ground বন্ধ কৰি দিলে ইয়াৰ বিকল্প ব্যৱস্থা আমি ক'ত ল'ম? গতিকে এই সম্পৰ্কে আমি উত্তৰত কৈছো, দীপৰ বিলৰ পানী যে Dumping Ground থকাৰ বাবে প্ৰদূষিত হৈছে এই সম্পৰ্কে বিভাগৰ হাতত কোনো ধৰণৰ প্ৰমাণিত বৈজ্ঞানিক তথ্য নাই। এই Dumping Ground টো দীপৰ বিলৰ মূল জলসুঁতিৰ পৰা আধা কিঃমিঃ আঁতৰত আছে। সেয়েহে, দীপৰ বিলৰ পানী যে ইয়াৰ পৰাই প্ৰদূষিত হৈছে তাৰ বৈজ্ঞানিক ভাৱে প্ৰমাণিত তথ্য আজিলৈকে কোনেও দিব পৰা নাই। তাত বিভিন্ন কাৰক আছে। চৰকাৰে দীপৰ বিল প্ৰদূষণ মুক্ত কৰিবলৈ প্ৰচেষ্টা হাতত লৈছে । এই ক্ষেত্ৰত আমি প্ৰতিশ্ৰুতিবদ্ধ আৰু আমি ইয়াক প্ৰদূষণ মুক্ত কৰিবলৈ চেষ্টা কৰি আছো। গতিকে ইয়াৰ দ্বাৰা মই কলিতা ডাঙৰীয়াক আশ্বস্ত কৰিব বিচাৰিছো যে ইয়াৰ বাবে আমি পদক্ষেপ হাতত লৈছো আৰু সকলোৰে সহায় সহযোগিতাত আমাৰ এই পদক্ষেপ সফল হ'ব।

**মাননীয় শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই প্ৰত্যেক বিধান সভাৰ অধিবেশনত বিহুৰ সময়ত প্ৰকল্পটো আনুষ্ঠানিক ভাৱে উদ্বোধন কৰা হ'ব বুলি কৈছিল। ইতিমধ্যে দুটা বহাগ বিহু উকলি গ'ল, তৃতীয়টো বহাগ বিহু আহি আছে। এতিয়া মূল কথাটো হ'ল যে, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে এই কামটো প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। গতিকে অধ্যক্ষ মহোদয়, আপুনি এটা Assembly Committee গঠন কৰি দিয়ক যাৰ জৰিয়তে আমি

চাব পাৰিম যে ই কি পৰিস্থিতিত আছে । কিয়নো আজিৰ পৰা ৯ বছৰ আগতে বহোৰা পাইপসমূহ ফাটি গৈছে আৰু কিছুমান ঘৰততো পাইপেই লগোৱা হোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ে নৱেম্বৰ মাহৰ যিটো সময় সীমা ধৰি দিছে, মই নাভাৱো যে, ইয়াৰ কাম উক্ত সময় সীমাৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব। মই মানি লৈছো যে মাননীয় মন্ত্ৰী মহোদয়ে নতুনকৈ দায়িত্ব ভাৰ পাইছে, সেয়েহে, তেখেতক মই অনুৰোধ কৰিছো যে যিহেতু ১০-১১ বছৰ ইতিমধ্যে উকলি গ'ল, এই ক্ষেত্ৰত যদি তেওঁ কঠোৰ নহয়, তেন্তে ই আগন্তুক ৪-৫ বছৰৰ ভিতৰতো সম্পূৰ্ণ হৈ নুঠিব।

আনহাতে, Dumping Ground ৰ বাবেই যে pollution হৈছে তাৰ Report এটা Pollution Board এ ইতিমধ্যে দিছে। গতিকে তাৰ ফলত pollution হোৱা নাই বুলি মাননীয় মন্ত্ৰী মহোদয়ে কেনেকৈ ক'লে? আকৌ, এই Dumping Ground ৰ ফলত উদ্ভৱ হোৱা সমস্যাবোৰ পশ্চিম গুৱাহাটীৰ আশে পাশে থকা অন্য সমষ্টিত পৰিলক্ষিত হোৱা নাই, মোৰ সমষ্টিতহে সমস্যাবোৰ হৈছে। তাৰোপৰি, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, Dumping Ground টো দীপৰ বিলৰ পৰা আধা কিঃমিঃ দূৰত্বত আছে কিন্তু সেই আধা কিঃমিঃ দূৰত্বত থকাৰ বাবেই ওচৰৰ residential area তো তাৰ প্ৰভাৱ পৰিছে।

**মাননীয় অধ্যক্ষ ঃ** সময়টো লক্ষ্য কৰিব। এতিয়া প্ৰশ্নটোলৈ আহক। মই আপোনাৰ কথাখিনি বুজি পাইছো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, দ্বীপৰ বিলৰ ওচৰত যিটো Dumping Ground আছে, আগতে আমাৰ মাননীয় বিত্ত মন্ত্ৰী হিমন্ত বিশ্ব ডাঙৰীয়াই কৈছিলে যে, মহাৰাষ্ট্ৰ বা অন্ধ্ৰপ্ৰদেশত যেনেদৰে Power Generation ৰ কাম কৰিছে তেনেদৰে আমাৰ ইয়াতো কৰিম বুলি কৈছিলে কিন্তু আজি আঢ়ৈ বছৰ হ'ল তাত কোনো ধৰণৰ কামেই হোৱা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে, এই Dumping Ground টোৰ ওচৰত যিহেতু Wetland আছে বা Wild Life Sanctuary আছে গতিকে এই Dumping Ground টো তাৰ পৰা স্থানান্তৰ কৰাৰ ব্যৱস্থা চৰকাৰে ল'ব নে নাই সেইটো মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** অহৰহ প্ৰচেষ্টা চলি আছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰ বাবে যদি সদনত কমিটি এখন কৰে I will welcome that. এই কমিটিখন কৰিলে তেখেত সকলে গম পাব কামখিনি আগবাঢ়িছে নে নাই। দ্বিতীয়তে, Dumping Ground ৰ ক্ষেত্ৰত National Green Tribunal আছে। আমাৰ চৰকাৰে এটা বিকল্প স্থান লৈছিলো চন্দ্ৰপুৰত। কিন্তু তাৰ ৰাইজে এইটো কোনোপধ্যে মান্তি নহয়। এই Dumping Ground টো আঁতৰাই লোৱাৰ আমাৰো প্ৰচেষ্টা আছে কিন্তু তাৰ এটা বিকল্প আমি পাব লাগিব আৰু বিকল্প পালেহে আমি এইটো কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এইটো এটা Major Issue, অকল গুৱাহাটীতে নহয়, সকলোতে কাৰণ আজিকালি Dumping কৰিবলৈ কোনেও মাটি এৰি নিদিয়ে কাৰণ এতিয়া জনসংখ্যা বহুত বাঢ়ি গৈছে চৰকাৰৰ ইচ্ছা থাকিলেও কেতিয়াবা Public Resistence আহি যাব পাৰে। আজিকালি বাহিৰৰ দেশ সমূহত Dumping ৰ সলনি Processing কৰিহে কামটো কৰে। গতিকে আমিও তেনেকুৱা এটা ব্যৱস্থা লৈ আহিব চেষ্টা কৰিব লাগিব। তাৰ বাহিৰে আমাৰ উপায় নাই। গতিকে সেইটো এটা খুব Major Issue. যিটো চৰকাৰে Consider কৰিব।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তথ্যটো মই ইয়াত দিছোৱেই। অসম

চৰকাৰে Dumping Ground বনাবলৈ গুৱাহাটী পৌৰ নিগমক চপাইগাওঁ অঞ্চলত ২০ বিঘা মাটি আৱন্টন দিছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো আমি পাইছো। কিন্তু মাটি আৱন্টন দিলেও ৰাইজে সেইটো কৰিব নিদিয়ে। গতিকে অকমান আগতে তেখেতে যিটো কৈছিলে সেইটো যদি পাৰে লাগিলে তাৰ কাৰণে এটা Team বাহিৰলৈ গৈ এই বস্তুটো ভালদৰে চাই আহক। Government will be willing to provide fund. কাৰণ এইটো স্বচ্ছ ভাৰতৰ এটা Major Issue হৈ গৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ব্যৱস্থাটো আমি কৰিব লাগে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতক মই আস্বস্ত কৰিবৰ কাৰণে কওঁ যে, Waste energy যিটো RFT হয়, সেইটো আমি Float কৰিছো, বাতৰিকাকত বা ৱেব চাইটত আমি দিছোৱেই। ইয়াৰ উপৰিও IIT খৰগপুৰ যিহেতু তেখেতসকলে কলিকতাতো তেনেকুৱা এটা কাম কৰিছিলে, এই Scientific Land field ৰ কাৰণে কি ধৰণৰ ব্যৱস্থা ল'ব লাগিব, তাৰ বাবে তেখেত সকলক আমি Guideline টো দিছোৱেই। তেখেতসকলে আমাক জানিবলৈ দিছে অতি সোনকালে তাৰ Report টো তেখেতসকলে আমাক দিব।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ ওপৰত কেইবাটাও Supplementary আছে। নন্দিতা দাস, আপুনি দ্বীপৰ বিলৰ ওপৰত যদি কিবা প্ৰশ্ন সুধিব লগা আছে, সোধক যিহেতু আ পোনাৰ এৰিয়াৰ ভিতৰতে পৰে বুলি কৈছে।

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, Dumping Ground টো থকাৰ কাৰণে তাত যথেষ্ট অসুবিধা হৈছে যিহেতু এটা Residential Area. দ্বীপৰ বিললৈ গলে দৃষ্টি প্ৰথমে Dumping Ground টোলৈহে যায়।

**মাননীয় অধ্যক্ষ ঃ** নন্দিতা দাস ডাঙৰীয়ানী, মই আপোনাক এটা কথা ক'ব বিচাৰিছো যে, দ্বীপৰ বিলৰ ওপৰত আমি যোৱা বছৰো আলোচনা কৰিছিলো। এতিয়া ইয়াৰ ওপৰত আলোচনা নহয়। এতিয়া Question No.3 Shri Durga Bhumij.

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী দুৰ্গা ভূমিজ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰথম কথাটো হ'ল ৬১ কোটি টকা চৰকাৰৰ পৰা পাবলৈ বাকী আছে। এই টকাখিনি পাবলৈ ইমান দিন সময় লাগিল। তেখেত সকলৰ Retirement ৰ পিছত PF ৰ ধনখিনি পাবলৈ কিমান দিন সময় লাগিব এইটো নিৰ্দ্ধাৰিণ কৰাৰ এটা নিৰ্দিষ্ট সময় দিব নেকি?

দ্বিতীয়তে, অসম চৰকাৰৰ ATC ৰ দ্বাৰা পৰিচালিত চাহ বাগিছাৰ কৰ্মচাৰী সকলে বহু বছৰ দৰমহা পোৱা নাই কেতিয়া পাব এইটো মই জানিব বিচাৰিছো।

তৃতীয়তে, চৰকাৰে সকলোতে জন ধন যোজনাৰ যোগেদি সবকা সাথ সবকা বিকাশৰ কথা কৈছে, PF ৰ ধনখিনি আজিলৈকে কিয় দিব পৰা নাই? কিন্তু এই টকাখিনি আজিলৈকে মুকলি কৰি দিয়া হোৱা নাই। এইটো কেতিয়া কৰিব?

**শ্ৰী পল্লৱ লোচন দাস , মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী দুৰ্গা ভূমিজ ডাঙৰীয়াই যি প্ৰশ্ন কৰিছে যে অসম চাহ নিগমৰ অধীনৰ বা অন্যান্য চাহ বাগিছাৰ কৰ্মচাৰী সকলৰ ভৱিষ্যনিধিৰ ধন সময়মতে পাইছে নে নাই? নিয়ম অনুসৰি এতিয়া Online ৰ ব্যৱস্থা কৰা হৈছে। Retirement ৰ পিছত কৰ্মচাৰীসলে বাগিছাৰ কাৰ্য্যালয়ত Claim কৰিব পাৰে বা PF ৰ কাৰ্য্যালয়ত Claim কৰিব পাৰে। তেতিয়া তেখেতসকলক ১৫ দিনৰ ভিতৰত দিয়া যায়। এতিয়ালৈ কোনো

কৰ্মচাৰী নাই যিসকলে তেওঁলোকৰ PF ৰ ধন পোৱা নাই। যদি কোনোবা আছে তেখেতসকলে আমাৰ তালৈ আহিব পাৰে আৰু তেখেতসকলৰ Settlement ব্যৱস্থা আমি কৰিম। অসম চাহ নিগমৰ বাগিচা সমূহতো কোনো এনেকুৱা শ্ৰমিক নাই, যাক আমি ভৱিষ্যনিধিৰ ধন দিয়া নাই। অধ্যক্ষ মহোদয়, অসম চাহ নিগমৰ বিষয়টোত কৈছে যে তাত আমি এতিয়াও ২১১ কোটি টকা ভৱিষ্যনিধিৰ ধন পাবলৈ বাকী আছে হয, সেইটো শুদ্ধ যে আমি সেইখিনি পাবলৈ এতিয়াও বাকী আছে। কিন্তু তাৰ ইতিহাসটো চাব লাগিব। অসম চাহ নিগমৰ এই অৱস্থা কেতিয়াৰ পৰা হৈছে। ২০০৫ চনৰ পৰা ইমান বছৰ, তেখেতে যি কথাটো কৈছে যে কিয় ইমানদিন ধন দিয়া নহ'ল? কাৰণ ইমান বছৰে এই বিষয়টো গুৰুত্বসহকাৰে লোৱা নহ'ল। শ্ৰমিক সকলক সেই পইচাটো দিয়া নহ'ল। এতিয়া যোৱা বছৰ চৰকাৰে আমাক ইয়াৰ কাৰণে ধন মোকলাই দিছে, আমি ২২ কোটি টকা পাইছো। ২০১৭ চনৰ মাৰ্চ মাহৰ আগতে যিখিনি মানুহ retire হৈ গৈছে সেইখিনি মানুহৰ ধন মোকলাই দিছে। ২০১৭ চনৰ মাৰ্চ মাহৰ আগৰ যিমানখিনি settlement আছে, সিমানখিনি settlement complete কৰা হৈছে। আৰু বাকীখিনি settlement ৰ কাৰণে আমি চৰকাৰৰ লগত আলোচনা কৰি আছো। উদ্যোগ বিভাগৰ লগত যোগাযোগ কৰি আছো। কিন্তু আমি কোনো পইচা ৰখা নাই, continuously আমি সেই পইচাখিনি দি আছো। আমি এই কথা কব বিছাৰো, যে আগতে যিটো ব্যৱস্থা আছিল, যদি কোনোৱা চাহ বাগিচাই আগৰ ভৱিষ্যনিধিৰ ধন নিদিয়ে, তাৰ ব্যৱস্থা কি আছে? তাৰ ব্যৱস্থা কেৱল বাকীজাই case কৰা যায় বাকীজাই কেচ কৰাৰ পিছত তাৰ পৰা তেওঁলোকৰ পইচা recovery কৰাৰ কোনো mechanism নাই, ২০১৬ চনত আমাৰ চৰকাৰ অহাৰ পৰা যদি কোনোবা চাহ বাগিচাৰ মালিকে যদি ভনিষ্যনিধিৰ ধন দিয়া নাই, সেই বাগিচা বাজেয়াপ্ত কৰিছো। আমি ১৬ খন চাহ বাগিচা এতিয়ালৈকে attachment ত লৈছো। attachment ত লৈ সেই ১৮ খন বাগিচা, আপোনালোকে যদি নিদিয়ে আপোনালোকৰ বাগিচাখিনি লৈ আমি সেইখিনি recovery ৰ কাৰণে ব্যৱস্থা কৰিছো। আমি সেইখিনি auction ত দিম। এতিয়া আমি auction কাৰণে already সকলোখিনি ব্যৱস্থা কৰিছো। আমি auction নো দিছো। আৰু কিছুমানৰ receiver নিযুক্তি কৰি তেখেত সকলৰ টকা মোকলাই দিছো। আজিৰ দিনত কোনো চাহবাগিচাই ভৱিষ্যনিধিৰ ধন নিদিয়াৰ সাহস কৰিব নোৱাৰে। যদি কোনোবাই নিদিয়ে, তেতিয়া আমি তেওঁলোকৰ বাগিচাখন আমি PF লৈ ল'ব পাৰো। এনেকুৱাধৰণৰ পদক্ষেপ আমি গ্ৰহণ কৰিছো। অসম চাহবাগিচাৰ লগত আমি বিষয়খিনি আলোচনা কৰি আছো। আৰু মাননীয় মুখ্যমন্ত্ৰীৰ লগতো আমি বিষয়খিনি আলোচনা কৰিছো আৰু আমি এই বিষয়টো কম দিনৰ ভিতৰতে আমি চেষ্টা কৰিম যে অসম চাহ নিগমৰ বাকী থকা ধন সেইখিনি আমি ৰাখি থৈছো, কিন্তু আমি continuous দি আছো। অসম চাহ নিগমৰো কোনো বাগিচাৰ এনেকুৱা শ্ৰমিক নাই, যি retirement ৰ benefit পোৱা নাই? তেওঁলোককো আমি দি আছো, আৰু আমাৰ বাজেটত ৯৯ কোটি দিয়া হৈছে, তাৰে ২২ কোটি এতিয়ালৈকে দিছে বাকীখিনি পইচা উদ্যোগ বিভাগে আমাক দিব। সেই খিনি টকা আমি লৈ বাকীখিনি settlement ৰ ব্যৱস্থা আমি কৰিম।

**শ্ৰী দূৰ্গা ভূমিজ, সদস্যঃ**- অধ্যক্ষ মহোদয়, অৱসৰপ্ৰাপ্ত শ্ৰমিকৰ PF ৰ ধন দিয়া হৈছে বুলি কোৱা হৈছে, ইয়াত এইটো উল্লেখ আছে যে অৱসৰপ্ৰাপ্ত শ্ৰমিকৰ PF ৰ ধন দিয়া হ'ব, কিমান দিনৰ ভিতৰত দিয়া হ'ব? ইয়াত এইটো অলপ দিনৰ ভিতৰত দিয়া হ'ব বুলি কোৱা হৈছে।

**মাননীয় অধ্যক্ষঃ**- আপুনি কোনটো প্ৰশ্নৰ কথা কৈছে?

**শ্ৰী দূৰ্গা ভূমিজ, সদস্যঃ**- ATC ৰ ক্ষেত্ৰত PF ৰ যিটো ধন, সেইখিনি কেতিয়া দিব? তাৰ

কোনো তাৰিখ দিয়া নাই? তেতিয়াহে আমি অলপ আশ্বস্ত হ'ব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ-** ATC ক দিবলৈ বাকী আছে বুলি কৈছে কেতিয়ালৈকে দিব এইখিনি?

**শ্ৰী দূৰ্গা ভূমিজ, সদস্যঃ-**গতিকে মোৰ কথা হ'ল, Government ৰ পইচা আছে বুলি কোৱা হৈছে, গতিকে ধন জন যোজনাৰ যিহেতু দিব পাৰিছে, ৫০০০ কৈ। PF ৰ ধনখিনি কিয় দিব পৰা নাই? অৱসৰপ্ৰাপ্ত হোৱাৰ কিমান দিনৰ পিছত এজন শ্ৰমিকে PF ৰ ধন পাব, এই কথাটো ক'ব লাগে।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰীঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি ২১১ কোটি টকা তেওঁলোকৰ পৰা আমি পাবলৈ বাকী আছে, Assam tea Corporation ৰ পৰা আজি দূৰ্গা ভূমিজ ডাঙৰীয়াই যিটো কথা কৈছে, তেখেত সকলৰ চৰকাৰে যদি সেইখিনি পইচা দি দিলেহেতেন, আজি এই অৱস্থা নহ'লহেতেন। আমি যেতিয়া দায়িত্ব পাইছো ছাৰ, এই ১০ বছৰে ২০০৫ ৰ পৰা এই ২০১৫ লৈকে, তাত পইচা এটাও দিয়া নহ'ল। অৱস্থা এই পৰ্য্যায় হ'ল যে আজি ২১১ কোটি টকালৈকে এইটো বাঢ়ি গ'ল। চৰকাৰখনৰ মাত্ৰ ২ বছৰ হৈছেহে। দুই বছৰত আমি ৯৯ কোটি চৰকাৰৰ পৰা পাইছো। কিন্তু আমি ATC ৰ শ্ৰমিকৰ ভৱিষ্যনিধিৰ ধন, retirement ৰ পাছত আমি benefit নিদিয়াকৈ থকা নাই। আমি দি আছো। আমি বেলেগ head ৰ পৰা পইচা দি আছো। কাৰণ আমাৰ বেলেগ বেলেগ বাগচাবিলাকে সকলোৱে দিছে। সেই যিখিনি পইচা আমি ATC ৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিছো। আমাৰ Libility হৈ আছে। কিন্তু আমি এইটো নহয় যে ATC ৰ শ্ৰমিকক আমি দিয়া নাই । আমি ৰখাই থৈছো যে ATC ৰ আপোনালোকে পইচা দিয়া নাই। তেওঁলোকক আমি settlement নকৰো, এনেকুৱা কৰা নাই। আমি পইচা শ্ৰমিকক দি আছো। আমি পাবলৈ বাকী আছে। আমি চৰকাৰক কৈছো যে সেই পইচাটো দিলে, আমি বেলেগ কাম কৰিম। অন্যান্য বিভিন্ন চাহবাগিচা এতিয়াও বাকী আছে। শ্ৰমিকৰ ক্ষতি হোৱা নাই, ছাৰ ক্ষতি হৈছে PF organisation ৰ। PF organisation য়ে পাবলৈ বাকী আছে। কিন্তু শ্ৰমিকে যিটো retirement ৰ পাছত পাব লাগে, সেইটো আজিও যদি retirement হয়, আমি payment দিবৰ কাৰণে happy । আমাৰ যিখিনি থাকি গৈছিল সেইখিনি আমি দিছো, সেইটো কাৰণে কৈছো ২০১৭ ৰ মাৰ্চ মাহৰ আগত complete কৰি দিছো, বাকীখিনি আছে, সেইখিনিও আমি continuous process কৰিম। আৰু ১৬খন এতিয়াও বাকী আছে সেইখিনি on process ত আমি ১৫ দিনৰ অন্তৰে অন্তৰে আমি সেইখিনি শ্ৰমিকক দি যাম।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ, সদস্য ঃ-** অৱসৰপ্ৰাপ্ত শ্ৰমিকে কিমান দিনৰ পাছত PF টো পাব।

**মাননীয় অধ্যক্ষ ঃ-** অন্য কিবা আছে নেকি?

**শ্ৰীপল্লৱলোচন দাস, মন্ত্ৰী ঃ-** PF ৰ ১৫ দিনৰ ভিতৰত, PF ৰ যদি settlement দিয়ে, তেতিয়া ১৫ দিনৰ ভিতৰত পাব লাগে।

**মাননীয় অধ্যক্ষ ঃ-**কমলাক্ষ্য দে পুৰকায়স্থ মাননীয় অধ্যক্ষ মহোদয়, ১৬-০১-২০১৯ ৰ পৰা আমাৰ শিংলাবাৰী বাগিচা Lock out হৈ আছে। প্ৰায় ১৫ দিন হৈ গ'ল। মালিকে কোনো পাত্তা দিয়া নাই , labour department য়েও একো কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ-** প্ৰশ্নটো কি?

**শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ, সদস্য ঃ-** সেই বাগানৰ শ্ৰমিক সকলৰ এনেকুৱা অৱস্থা হৈছে যে, দৈনন্দিন চলিবলৈ যোৱাৰ একো ব্যৱস্থা নাই। ৰিলিফৰ ব্যৱস্থা কৰক, কিবা এটা ব্যৱস্থা কৰিব লাগে।

**माननीय अध्यक्ष ः-** PF ৰ related প্ৰশ্নহে ইয়াত আহিব।I understand.Tomorrow you give a notice,I will allow you to raise the issue. এনেকে নকৰিব। এতিয়া নোমল মমিন।

**ড° নোমল মমিন, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, কাৰ্বি আংলং ৰ যি ১৮ খন বাগান আছে, গোটেই কেইটা ATC ৰ অন্তৰ্গত আছে, তাৰে ৪ খন বাগানৰ ক্ষেত্ৰত Provident fund ৰ ক্ষেত্ৰত সুফল পোৱা নাই। তাৰে দেওপানী বাগানৰ শ্ৰমিকসকলে ভবিষ্যনিধিৰ ধন মালিক সকলৰ অনিচ্ছাৰ কাৰণে পোৱা নাই।

**माननीय अध्यक्ष ः-** এইটো ATC বাগান নে?

**ড° নোমল মমিন, সদস্য ঃ** ATC বাগান। তাত Provident fund টো দিব লাগে।

**माननीय अध्यक्ष ः-** প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে ২০১৭ ৰ মাৰ্চলৈকে ATC বাগানবোৰৰ শ্ৰমিকক দিয়া হৈছে। বাকীখিনিয়ে পোৱা নাই। আপুনি কোৱা মানুহখিনি ২০১৭ ৰ আগৰ নে পাছৰ?

**ড° নোমল মমিন, সদস্য ঃ-** ২০১৬ ৰ পাছৰ পৰা।

**माननीय अध्यक्ष ः-** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, কোনোবা শ্ৰমিক যদি আজি retire কৰে, তেওঁ যদি settlement টো claim কৰে তেতিয়া আমি ১৫ দিনৰ ভিতৰত পইচাখিনি দি দিওঁ। যোৱাবাৰ মই আমাৰ সকলো বিধায়কলৈ এখন চিঠি লিখিছিলো আপোনালোকে চাব, মই চিঠিত কৈছিলো, যে আপোনালোকৰ অঞ্চলৰ অন্তৰ্গত চাহ বাগিচাৰ কোনো শ্ৰমিকে যদি ভবিষ্যনিধিৰ ধন পোৱা নাই, আপোনালোকে তথ্যখিনি আমাক জনাওঁক। PF ৰ কাৰণে বাগিচা মেনেজাৰে যেতিয়ালৈকে আমাক claim নকৰিব, তেতিয়ালৈকে, আমি তেওঁলোকক claim বোৰ দিব নোৱাৰো। গতিকে আমাৰ ফালৰ পৰা আমি ব্যৱস্থা কৰিছো। আমি nodal officer appoint কৰিছো। আমি বাগিচাত awarness কৰিছো। কিন্তু তদুপৰি বহুত শ্ৰমিকে নিজে claim কৰিবলৈ কেতিয়াবা আহে, managment আৰু PF কৰা সকলৰ লগত তেওঁলোকৰ সম্পৰ্ক নথকাৰ বাবে। সেই কাৰণে যদি আপোনালোকৰ specially যদি কোনোবা শ্ৰমিকে এতিয়াও PF ৰ settlement পোৱা নাই, ১৫ দিনৰ ভিতৰত ব্যৱস্থা কৰিম। শ্ৰমিকৰ লগত কোনো লেনদেন নাই। শ্ৰমিকে PF ৰ টকা পাব। মালিকে যদি টকা নাই, মালিকৰ পৰা recovery কৰাৰ দায়িত্ব আমাৰ। শ্ৰমিকৰ একো ক্ষতি নহয়। যি মালিকে PF ৰ টকা নিদিয়ে, তেওঁলোকক আমি notice দিওঁ, তেওঁলোকক আমি মাতো, তেওঁলোকে যদি দিব নোৱাৰে, তেতিয়া আমি তেখেতসকলৰ বাগিচা সমূহ attachment ত লওঁ।

**माननीय अध्यक्ष ः** শ্ৰী মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, নাওঁবৈচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগানৰ শ্ৰমিকসকলৰ যি দৈনিক মজুৰি, সেইটো একেবাৰে কম।

**माननीय अध्यक्ष ः** এইটো PF ৰ related.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো, মাননীয় সদস্য শ্ৰী দূৰ্গা ভূমিজ ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিলে যে কেতিয়াকে দিব বিশেষকৈ ATC ৰ ক্ষেত্ৰত। যিটো ১৫ দিনৰ মুৰে মুৰে চৰকাৰৰ যিটো নিৰ্দেশনা আছে tradeline লাগে। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিলে যে, ATC

ৰ পৰা আমি পোৱা নাই। এতিয়া ATC ক কোনে পৰিচালনা কৰি আছে সকলোৰে জানে, যে চৰকাৰে। চৰকাৰে তাৰমানে টকাখিনি দিয়া নাই। চৰকাৰে টকাখিনি কিয় দিয়া নাই?

**মাননীয় অধ্যক্ষ ঃ** ৯৯৯ কোটি টকা চৰকাৰৰ ফালৰ পৰা পাইছে। বাকীখিনি টকা পালে দিব। ২০১৭ লৈকে পালে বুলি কৈছে।

**শ্ৰী পল্লৱলোচন দাস, মাননীয় মন্ত্ৰী ঃ** মাননীয় সদস্যই যিটো বিষয়ৰ ওপৰত কৈছে যে, অসম চাহ নিগমৰ টকাখিনি কেতিয়া লিজত দিব। আপানালোকে যদি মন কৰে, তেওঁৰ অন্তৰ্গত অসম চাহ নিগমৰ তিনি-চাৰিখন বাগিচা আছে। চাৰিখন চাহ বাগিচা তেওঁৰ তাত আছে। ৰেভিনিউৰ ফালৰ পৰা অসম চাহ নিগমৰ টকা কেতিয়াও দিয়া নাই। (হূলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৪। শ্ৰী পবিন্দ্ৰ ডেকা।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মাননীয় মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী পবিন্দ্ৰ ডেকা, পাটাছাৰকুছি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে, ৰাজ্যখনত কিমানখন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে, ছাত্ৰ-ছাত্ৰী কিমান আছে, তেখেতে ইয়াৰ উত্তৰ দিছে। এই ক্ষেত্ৰত মই এটা কথা কব খুজিছো যে, তেখেতে কৈছে সকলো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞানাগাৰ আছে, কিন্তু একেবাৰে কম। যেনেকৈ বিজ্ঞানাগাৰ লাগে তেনেকৈ নাই। মোৰ সমষ্টিতে শ্ৰেণীকোঠা ব্যৱহাৰ কৰি থকা হৈছে, তাতো একেবাৰে কম। মাখিমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৯৫৮ চনতে কৰা হৈছে। তাত বিজ্ঞানাগাৰ পঞ্চায়তৰ পৰা দিছে কিন্তু তাত শ্ৰেণীকোঠা একেবাৰে কম। ঠিক তেনেকৈ দুধনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুটা শ্ৰেণীকোঠা আছিল। সেই শ্ৰেণীকোঠা দুটাৰ বৰ্তমান অৱস্থা নাই। এনেকুৱা তালিকা বহুত আছে। গতিকে মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিলো। এই দুটাত যাতে অতি সোনকালে বিজ্ঞানাগাৰ তথা বহল কোঠা নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয়তে, বহুত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱস্থা বৰ বেয়া। ১৯৫৮ চনৰ যিখিনি স্কুল তাৰ অৱস্থা একেবাৰে জৰাজীৰ্ণ। তাত কোনো ধৰণৰ উন্নতি হোৱা নাই। যেনেকৈ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱস্থা বেয়া। গতিকে এই উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহৰ মেৰামতিৰ কাৰণে ব্যৱস্থা কৰিবনে? তৃতীয়তে, বহু ছাত্ৰ-ছাত্ৰী মেট্ৰিক পাছ কৰাৰ পাছত যিসকলে দ্বিতীয় বা তৃতীয় বিভাগত উত্তীৰ্ণ হয়, তেওঁলোকে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যাব বিচাৰে, কিন্তু মই ভাৱো যে, আমাৰ যিমান হাইস্কুল আছে, য'ত উচ্চতৰ মাধ্যমিক বিদ্যালয় স্কুল বহুত দূৰত তেনেকুৱা হাইস্কুল বিলাকত শ্ৰেণীকোঠা খোলাৰ ব্যৱস্থা কৰিব নেকি? এই তিনিটা কথা মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি প্ৰশ্ন উত্থাপন কৰিছে, পোন প্ৰথমে তেখেতে দুখন বিশেষ বিদ্যালয়ৰ কথা উত্থাপন কৰিছে। সেই বিদ্যালয় দুখনৰ নামকেইটা মই নোট কৰি লৈছো। মই এই ক্ষেত্ৰত যি ধৰণৰ পদক্ষেপ লব লাগে, সেইয়া গ্ৰহণ কৰিম। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ মাধ্যমেৰে মই সদনকো জনাব বিচাৰিছো যে, আমি প্ৰায় এহেজাৰখন বিদ্যালয়ত যিটো চাইঞ্চ লেব আছে, এই চাইঞ্চ লেব বিভিন্ন বিষয়ৰ হয়। মুঠ এহেজাৰটা চাইঞ্চ লেবৰ কাম হাতত লৈছো আৰু প্ৰায় সত্তৰ শতাংশ কাম সম্পূৰ্ণ হৈছে। ইয়াৰ উপৰিও আমি NCERT ৰ পৰা অংক বায়'লোজী চাইঞ্চৰ প্ৰায় পোন্ধৰশ কোটিৰ আমি কিছু Kit পাও আৰু এই Kitবোৰ যিবোৰ বিদ্যালয় Eligible তেওঁলোকলৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে। তেখেত যিটো প্ৰশ্ন সুধিছে যে বহুতো ক্ষেত্ৰত বিজ্ঞান শিক্ষা লব বিচৰা ছাত্ৰ-ছাত্ৰীয়ে হাইয়াৰ চেকেণ্ডাৰী হওঁক বা কলেজত তেখেতসকলে এডমিশ্যন নাপায় আৰু সেইবাবে

যি সমূহ হাইস্কুল আছে। সেইসমূহক উচ্চতৰ মাধ্যমিকলৈ upgrade কৰিব লাগে। এই বিষয়টোৰ ওপৰত কিছু চিন্তা-চৰ্চাৰ প্ৰয়োজন আছে। তেখেতৰ পৰামৰ্শটো মই গ্ৰহণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী সত্যব্ৰত কলিতা।

**শ্ৰী সত্যব্ৰত কলিতা, কমলপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সেই একে বিষয়তে এটা প্ৰশ্ন আছিল। মন্ত্ৰী মহোদয়ে উত্তৰ দিছে, যিটো জড়িত আছে প্ৰশ্নটোত। নম্বৰলৈ মই নাযাও। কিন্তু দুই নং প্ৰশ্নটো আছিল যে, এই শিক্ষানুষ্ঠান সমূহত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে পৰ্যাপ্ত শিক্ষক আছে নেকি? আৰু ইয়াত লিখিছে যে, শিক্ষানুষ্ঠান সমূহত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে পৰ্যাপ্ত শিক্ষক দেখা যায় বুলি কৈছে। কিন্তু অধ্যক্ষ মহোদয়, এতিয়া যদি অসমৰ প্ৰায়বোৰ শিক্ষানুষ্ঠানলৈ বিধায়কসকল যায়, প্ৰথম ছাত্ৰ-ছাত্ৰী বা শিক্ষকসকলৰ পৰা, প্ৰধান শিক্ষকৰ পৰা এটাই প্ৰশ্ন আহে যে, শিক্ষানুষ্ঠানবিলাকত যিমান ছাত্ৰ-ছাত্ৰী আছে, সেই অনুপাতে শিক্ষক পোৱা নাযায়। প্ৰতিখন শিক্ষানুষ্ঠানত ছয়-সাতজনকৈ অধিক শিক্ষকৰ অভাৱ। আমি সমষ্টিত যাব নোৱাৰা অৱস্থা হৈছে। যোৱাকালি বাইহাটা চাৰিআলিত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে আহি ৰাজপথত আন্দোলন কৰিব লগা হৈছে। কিন্তু তাৰ পিছতো পৰ্য্যাপ্ত শিক্ষক দেখা যায় বুলি কোৱা যিটো উত্তৰ দিলে কোনোবা বিষয়াই এইটো কি ধৰণৰ উত্তৰ দিলে মই নাজানো। তেওঁলোকে গোটেই শিক্ষানুষ্ঠান বিলাকৰ লগত জড়িত নোহোৱা হৈছে বা শিক্ষানুষ্ঠানবিলাকৰ প্ৰকৃত অৱস্থা বোধহয় তেওঁলোকে দেখা নাই। গতিকে মই ভাৱো যে, এতিয়া স্কুলঘৰ থাকিব, লেবৰেটৰী থাকিব, কিন্তু আটাইতকৈ যদি বেছি সমস্যা ভোগ কৰিবলগীয়া হৈছে যে প্ৰতিখন শিক্ষানুষ্ঠানত আছে যে যিমান ছাত্ৰ-ছাত্ৰী আছে চৰকাৰী মাধ্যমত, শিক্ষানুষ্ঠান আছে তাৰ পৰিৱৰ্তে কিন্তু শিক্ষকৰ অভাৱ যথেষ্ট পৰিমাণে দেখা যায়। এতিয়া শিক্ষানুষ্ঠানবিলাকত গুণোৎসৱ পাতে আমি যাওঁ। কিন্তু তাৰ যিটো মূল কাঠামো, যদি শিক্ষকেই নাথাকে তেনেহ'লে ছাত্ৰ-ছাত্ৰী সকলে কেনেকৈ ন্যায় পাব? এই প্ৰসংগত মোৰ আৰু এটা প্ৰশ্ন আছিল ১০ আৰু ১৭ নং একে উত্তৰ দিয়া গৈছে। মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে, বাকী সমষ্টিবিলাকত শিক্ষক আছে মই নাজানো, কিন্তু কমলপুৰ সমষ্টিত পঞ্চাশ শতাংশ শিক্ষানুষ্ঠানত শিক্ষকৰ অভাৱ আছে। এই শিক্ষকখিনিৰ পূৰণ কৰাৰ কি ব্যৱস্থা ল'ব মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৭ নং প্ৰশ্নৰ উত্তৰৰ তেখেতে প্ৰথম লাইনটোহে পঢ়িছে। পৰৱৰ্তী লাইনকেইটা পঢ়ি দিয়া নাই। তাত আমি স্পষ্টভাৱে কৈছো যে, সেই কথাখিনি মই সদনত জনাব বিচাৰিছো, কিন্তু সময়ে সময়ে শিক্ষক সকল অৱসৰপ্ৰাপ্ত হোৱাৰ পৰিপ্ৰেক্ষিতত বিষয় শিক্ষকৰ অভাৱ হয়। এজন বিষয়শিক্ষকে অৱসৰ ল'লে আৰু এজন বিষয় শিক্ষকৰ কাৰণে কিছু এটা ডেফিচিয়েনচি থাকে। বৰ্তমান শিক্ষাৰ ক্ষেত্ৰত আঁচনিৰ জৰিয়তে বহুত সংখ্যক বিদ্যালয় একত্ৰীকৰণ হোৱাৰ বাবে বিদ্যালয়সমূহত শিক্ষকৰ অভাৱ বহু পৰিমাণে দূৰ হোৱাতো পৰিলক্ষিত হৈছে। শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীৰ লগতে পৰ্য্যাপ্ত শিক্ষকৰ অনুপাত নিৰ্ণয় কৰিবলৈ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ জৰিয়তে জৰীপ চলাই থকা হৈছে।

**শ্ৰীসত্যব্ৰত কলিতা ঃ** অধ্যক্ষ মহোদয়....।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক.... মই চাপ্লিমেন্টৰি এটাই দিব পাৰিম। আজি আৰু নোৱাৰিম। হাফিজ বছিৰ আহমেদ।

**শ্ৰীহাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়। হায়াৰ চেকেণ্ডেৰী বিজ্ঞান শাখাত যোৱা চেশ্যনত এটা প্ৰশ্নৰ উত্তৰত কোৱা হৈছিল যে- ৫০ হাজাৰ লৰা-ছোৱালী পাছ কৰিছে কিন্তু ডিগ্ৰি

কলেজত তেওঁলোকৰ কাৰণে আসন মাত্ৰ ২২ হাজাৰ আছে। বাকীখিনি মেক আপ কৰাৰ কাৰনে যোৱা চেশ্যনৰ আগৰ চেশ্যনত আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই জনাইছিল যে- চাইন্স কলেজ নথকা প্ৰতিটো সমষ্টিত এখনকৈ বিজ্ঞান মহাবিদ্যালয় কৰাৰ কথা জনাইছিল আৰু প্ৰতিজন বিধায়কৰ পৰা এটাকৈ প্ৰস্তাৱ বিচাৰিছিল। সেই হিচাপে আমি প্ৰস্তাৱ দিছিলো। ৫০ টা সমষ্টিত ৫০খন কলেজ দিয়া হ'ল। কিন্তু যিখিনি সমষ্টি বাকী থাকিল তাত বিজ্ঞান মহাবিদ্যালয় দিয়াৰ কথা চৰকাৰে চিন্তা কৰিছেনেকি ? বিশেষকৈ মোৰ সমষ্টিত কোনো বিজ্ঞান মহাবিদ্যালয় নাই। মই চাপটগ্ৰাম কলেজখনৰ বাবে প্ৰস্তাৱ দিছিলো এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা ল'ব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** — মন্ত্ৰী ডাঙৰীয়া .....।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য , মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন উত্থাপন কৰিছে। সেইটো হয়। যে সকলোৰে পৰা আমি প্ৰস্তাৱ বিচাৰিছিলো । বিত্ত বিভাগৰ পৰা প্ৰস্তাৱসমূহৰ বিপৰীতে যিখিনি চেংশ্যন আমি পাইছিলো তাৰ ভিত্তিত আমি ৫০ খন মহাবিদ্যালয়ত দিয়া হৈছিল। বৰ্ত্তমানে শিক্ষক নিযুক্তি আৰু অন্যান্য ক্ষেত্ৰত পদক্ষেপ আগবঢ়াই লৈ যোৱা হৈছে। ইয়াৰ ওপৰিও যিখিনি থাকি গ'ল পৰ্য্যায়ক্ৰমে কৰা হ'ব। - আপুনি এখন বিদ্যালয়ৰ কথা কৈছে । এই বিদ্যালয়সমূহো দিবৰ বাবে আমি ধাৰাবাহিকভাবে চেষ্টা কৰি আছো । এইবাৰ হয়তো আমি বাজেটৰ পিছত আৰু এখন লিষ্ট প্ৰকাশ কৰিবলৈ সক্ষম হ'ম।

**মাননীয় ঃ .. ....** এতিয়া জাকিৰ হুছেইন শিক্দাৰ ।

**শ্ৰীজাকিৰ হুছেইন শিক্দাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই কৈছে যে, বিজ্ঞান শাখা থকা সকলো বিদ্যালয়তে বিজ্ঞানাগাৰ আছে। মোৰ সমষ্টিৰ কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শাখা আছে কিন্তু তাত বিজ্ঞানাগাৰ নাই। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক জনাওঁ যে তথ্যটো কিহৰ ভিত্তিত দিলে ? তাৰ লগতে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও মোৰ সমষ্টিৰ কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞানাগাৰ স্থাপন কৰাৰ ক্ষেত্ৰত তেখেতে যাতে অতি সোনকালে সিদ্ধান্ত লয়। তেখেতে উল্লেখ কৰিছে যে প্ৰতিবেদনৰ ভিত্তিত স্থাপন কৰা হ'ব। গতিকে তেখেতে প্ৰতিবেদন বিচাৰিছে নেকি ? যদি বিচৰা নাই বিচাৰিব লাগে আৰু বিদ্যালয়খনত বিজ্ঞানাগাৰৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ ...** মন্ত্ৰী ডাঙৰীয়া ....।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়ালৈকে চাইন্স লেব নাথাকে তেতিয়ালৈকে চাইন্স ষ্ট্ৰীম হ'ব নোৱাৰে । চাইন্স লেব থাকিলেহে চাইন্স ষ্ট্ৰীম হ'ব পাৰে । কয়াকুছিত চাইন্স লেব নাই বুলি তেখেতে কৈছে- যদি কথাটো সঁচা হয় মই তদন্ত কৰিবলৈ দিম। যদি এনেকুৱা হৈছে তেতিয়াহ'লে পদক্ষেপ লোৱা হ'ব কিন্তু আপোনাক এটা কথা কওঁ , যিকোনো বিদ্যালয়ত চাইন্স ষ্ট্ৰীম খুলিবলৈ হ'লে কিন্তু চাইন্স লেব অতি প্ৰয়োজনীয়। চাইন্স লেব নাথাকিলে কোনো পাৰ্মিশ্যন নাপায়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কোৱেশ্যন নং- ৫ শ্বেৰমান আলি আহমেদ।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয় মোৰ প্ৰশ্নটোৰ দুটা পাৰ্ট আছে। এটা হ'ল ষ্টাৰ কোৱেশ্যন- ১৪৪- ২০ ফেব্ৰুৱাৰী,২০১৮। এই প্ৰশ্নটো আছিল আমাৰ কলেজবোৰত চাইন্স ষ্ট্ৰীমটো ইনট্ৰ'ডাকশ্যন কৰা হ'ল। মন্ত্ৰী ডাঙৰীয়াই সদনত যিখিনি কথা কৈছিলে এচেমব্লী প্ৰচিডিঙৰ ৰেকৰ্ডৰ ৰিলেভেন্ট বাক্য কেইটামান মই পঢ়ি দিম। তেখেতে কৈছে " এই বছৰ ৫০ খন কৰিব

খোজো। মোৰ অগ্ৰাধিকাৰ এইবাৰ যিবিলাক সমষ্টিৰ এখনো কলেজতো বিজ্ঞান শাখা নাই , তাত আমি দিম। ” মাননীয় অধ্যক্ষ মহোদয়, মোৰ বাঘবৰ সমষ্টিৰ এখন কলেজতো বিজ্ঞান শাখা নাই। তেখেতে কৈছে, “ যদি ১০০ খন প্ৰস্তাৱ আহিছে আমি ১০০খনেই দিম।” ইয়াৰ পিছৰ এটা অংশত - মোৰ বাঘবৰ সমষ্টিত দুখন কলেজৰ কথা উল্লেখ কৰিছিলো তেখেতে উত্তৰ দিলে মাননীয় অধ্যক্ষ মহোদয়, “ এক্ট খন কৰিম বুলি মই আজিয়েই প্ৰতিশ্ৰুতি দিছো।” তাৰ পিছত তেখেতে ক'লে, “ বাঘবৰ সমষ্টিৰ দুখন কলেজৰ যিকোনো এখনত চাইন্স ষ্ট্ৰীম দিম বুলি আজিয়েই কৈছো, আপুনি প্ৰস্তাৱটো আনি আমাক দিব । আমি গ্ৰহণ কৰিম কিন্তু দুখন কলেজ একেলগে নহয়- এখন কলেজত হ'ব। মাননীয় অধ্যক্ষ মহোদয় এইখিনি প্ৰতিশ্ৰুতি দিয়াৰ পিছত সেই দিনাখনেই মই মোৰ সমষ্টিৰ এখন কলেজৰ এটি প্ৰস্তাৱ দিলো। আগষ্ট মাহত চৰকাৰে ৫০ খন কলেজ কৰিলে। কিন্তু ইয়াত প্ৰতিশ্ৰুতি দিয়াৰ পিচতো বাঘবৰ সমষ্টিৰ এখনো কলেজ নাই। এতিয়া মন্ত্ৰী ডাঙৰীয়াই কৈছে আমি বিবেচনা কৰিম। মাননীয় অধ্যক্ষ মহোদয়, সদনত দিয়া প্ৰতিশ্ৰুতি এইদৰে যদি উলংঘা কৰা হয় তেন্তে সদনৰ গৰিমা সুৰক্ষিত থাকে নে নাথাকে সেইটো আপোনাৰ বিচাৰ্য্যৰ বিষয়। দ্বিতীয় অংশটো আছিলে তৰাচিহ্নিত প্ৰশ্ন নং- ২৪২ - ১৩ মাৰ্চ । ইয়াত হাইস্কুলসমূহ হায়াৰ চেকেণ্ডৰী কৰাৰ বিষয় লৈ আলোচনা হৈছিল । মাননীয় মন্ত্ৰী মহোদয়ে এই প্ৰশ্নটোৰ উত্তৰত তেখেতক যেতিয়া মই বাঘবৰ সমষ্টিৰ কেইখনমান স্কুলত চাইন্স ষ্ট্ৰীম ইনট্ৰ'ডাকশ্যন কৰাৰ কথা লৈ তেখেতক প্ৰশ্ন কৰিছিলো তেতিয়া তেখেতে কৈছিল “ শ্বেৰমান আলি ডাঙৰীয়াই প্ৰশ্নটো খুৱ জেনুইনলী কৰিছে। তাৰ পিছত তেখেতে কৈছিল যদি বাঘবৰ সমষ্টিত ল'ৰা - ছোৱালী নাম ভৰ্ত্তিৰ বাবে বিশেষ সমস্যা হৈছে মই বিধায়ক গৰাকীক অনুৰোধ কৰিম। এখন স্কুলৰ নাম দিয়ক য'ত আমি হায়াৰ চেকেণ্ডৰী অতি সোনকালে কৰি দিব পাৰো । ইয়াৰ পিছত বিধায়ক মহোদয়ক কৈছে - মোক এখন স্কুলৰ নাম দিলেই হ'ল তাত মই হায়াৰ চেকেণ্ডৰীৰ ক্লাছ আৰম্ভ কৰাই দিম। এতিয়া মই কৈছো অধ্যক্ষ মহোদয় এই দ্বিতীয় অংশটোৰ বিষয়ে আজি সদনত মন্ত্ৰী মহোদয় নিশ্চুপ। কোনো উত্তৰ নাই । মোৰ প্ৰশ্নটো হ'ল - এই চেকেণ্ড পাৰ্ট সম্পৰ্কত মন্ত্ৰী মহোদয়ে কোনো উত্তৰ নিদিলে। এইদৰে সদনত দিয়া প্ৰতিশ্ৰুতি উলংঘা হ'লে সদনখনৰ পবিত্ৰতা ৰক্ষা হয়নেকি ?

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা ফেব্ৰুৱাৰী মাহৰ ৰিপোৰ্ট । দ্বিতীয়টো আছিলে মাৰ্চ মাহৰ । তাৰ পিছত তেখেতে এখন চিঠি লিখিছে - ১০- ২০১৮ত । তাৰ পৰা মই কৈ আছো। প্ৰথম তৰাচিহ্নিত প্ৰশ্ন আছিল ফেব্ৰুৱাৰী মাহত। দ্বিতীয় আছিল মাৰ্চ মাহত। সেই সময়ত মই মন্ত্ৰী নাছিলো। চৰকাৰখন যাতে ধাৰাবাহিকভাৱে চলে, যাতে এটা কন্টিনিউটি থাকে , তেখেতক যিটো প্ৰতিশ্ৰুতি দিছে সেইটো ৰক্ষা কৰাৰ দায়িত্ব চৰকাৰৰ হৈ মই গ্ৰহণ কৰিছো। এই প্ৰশ্নটোৰ আগলৈকে, সচাঁ কথা ক'লে - আপুনি মোক কেতিয়াও কোৱা নাই বা মোৰ বিভাগৰ বিষয়াসকলো মোৰ দৃষ্টি গোচৰ কৰা নাই যে, এনেকুৱা ধৰণৰ প্ৰতিশ্ৰুতি দিয়া হৈছে । প্ৰতিশ্ৰুতি যদি দিছিল, প্ৰতি শ্ৰুতি ৰক্ষা কৰাটো - আজি মই আছো - কালি হয়তো আন কোনোবা থাকিব। গৰ্ভমেন্টৰ কন্টিনিউটিটো থাকিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** Question Hour is over. You can go to his Chamber. Question Hour is over. No Debate, No Nothing, I am not hear any-thing. Please, please. মই এটা কথা Houseক জনাব বিচাৰিছো। আমাৰ যিটো, যোৱাবাৰ এইটোলৈ Debate হৈছে আমাৰ মাজত। এইটো কথাকলৈ এবাৰ আমি Rule Committee

বহিম। আমি যেনেকৈ Adjournment Notice ৰ Noticeপাওঁ, আমি যেতিয়া প্ৰথম Partটো দ্বিতীয় প্ৰশ্নটো অহাৰ আগতে এইটো আমি ল'ব লাগে, আমাৰ যিখন সদনৰ কাৰ্য্যক্ৰমনিকা আছে Zero Hour টো Second নহয়। Second Item টো বেলেগ হয়। গতিকে আমি আগতে Zero Hour ৰ পিছত Adjournment Motion লৈছিলো। যোৱাবাৰ কৈছো যে আগতেও এনেকুৱা পৰম্পৰ আছে, পৰম্পৰটো কি হয়যে দুয়োটাই হয়তো থাকিব পাৰে। মই এখন Adjournment Notice পাইছো, মই Zero Hour টো দিয়াৰ পিছত লমনে Zero Hour টো আগতে ল'ব লাগে।

**শ্ৰী আব্দুল খালেক ঃ** চাৰ, যিহেটো সদনৰ পৰম্পৰা।

**মাননীয় অধ্যক্ষ ঃ** পৰম্পৰাটো পিছলৈ আহিম, আপুনি বহক।

**শ্ৰীমতী নন্দিতা দাস ঃ** Sir, Point of Order.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Point of Order টো কি আছিল? এতিয়াই কওঁক পিছত নহয়।

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰাচিহ্নিত প্ৰশ্ন ৭ নম্বৰত আছে বিগত কুৰি বছৰত গড়াখহনীয়াৰ ফলত অসমৰ কিমান মাটি নৈৰ বুকুত জাহ গৈছে? (জিলা ভিত্তিক তালিকা সদনৰ মজিয়াত দাখিল কৰিব)। এই তালিকাৰ ক্ষেত্ৰত পোৱা গ'ল যে কামৰূপ জিলাৰ কথা কোৱা নগ'ল। ইয়াতে যথেষ্ট সংখ্যক গড়াখহনীয়া হৈছে, সেইটো তালিকাত বিচাৰিছিলো।

**মাননীয় অধ্যক্ষ ঃ** ৭ নম্বৰটো নহয় জানো? জলসম্পদ বিভাগ কোনে চাইছে?

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মই চাইছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এইটো অলপ চাই দিবচোন।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, তেখেতে ঠিক কথাই কৈছে, আমাৰ বাকীখিনি তথ্য আমালৈ অহা নাই, আহিলে সেই তথ্যখিনি দাখিল কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী আমিনুল ইছলাম ঃ** চাৰ, Point of Order.

**মাননীয় অধ্যক্ষ ঃ** হয়।

**শ্ৰী আমিনুল ইছলাম ঃ** চাৰ, মোৰ তৰাচিহ্নিত প্ৰশ্ন নম্বৰ ৬ ত মন্ত্ৰী মহোদয়ে জনাইছে যে প্ৰাথমিক প্ৰৰ্য্যায়ত বৰ্তমানে সমানুপাতিক (Rationalisation) প্ৰক্ৰিয়া আৰু চামিলকৰণ (Consequent Amalgamation) ৰ প্ৰক্ৰিয়া চলি আছে আৰু এই প্ৰক্ৰিয়া সম্পূৰ্ণ হলে চুড়ান্ত পৰ্য্যায়ত প্ৰাথমিক বিদ্যালয়সমূহ নিৰ্দ্ধাৰণ কৰি উপৰোক্ত প্ৰাদেশীকৰণ আইনৰ অধীনত প্ৰাদেশীকৰণ কৰিব পৰা যাব। এইটো আচলতে Amalgamation হয় যিখিনি already Provincialisation. গতিকে যিখিনি এতিয়ালৈকে ভেন্সাৰ হৈ আছে সেইখিনি Amalgamation ত অহায়ে নাই। গতিকে মই ভাৱো এইকথাটো Provincialisation সমূহ আতৰাই নহয়, গতিকে এই কথাটো যুক্তিযুক্তসহ সম্পূৰ্ণৰূপে উত্তৰটো দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদস্য গৰাকীয়ে যিটো প্ৰশ্ন উল্লেখ কৰিছে তেখেতৰ প্ৰশ্নটো প্ৰাসংগিক প্ৰশ্ন যে প্ৰাদেশীকৃত আৰু প্ৰাদেশীকৃত নোহোৱা। এতিয়া আমি প্ৰাদেশীকৰণৰ বাবে থাকিবলগীয়া হৈছে এই কাৰণে যে এখন গাঁৱত এখন স্কুল যদি প্ৰাদেশীকৃত হয় আৰু সেই স্কুলতে যদি অন্যৰ এখনো প্ৰাদেশীকৰণ কৰি দিওঁ আমাৰ হাতত খেলিমেলি লাগিব। গতিকে এটা প্ৰক্ৰিয়া শেষ হোৱাৰ পিছতহে আমি অন্য এটা প্ৰক্ৰিয়া আৰম্ভ কৰিব পাৰো। একেলগে

গোটেই প্ৰক্ৰিয়াটো যদি আৰম্ভ কৰি দিওঁ তেতিয়াহলে এই গোটেই বিশৃংখলতা আৰু খেলি মেলি হ'ব, এই কাৰণে নাইকৰা। গতিকে আপুনি মন কৰিছে হয়তো যে বৰ্ত্তমানে আমি প্ৰৰ্য্যয়ক্ৰমে আৰু এটা systematicaly কৰিবলৈ চেষ্টা কৰিছো। আগতে কি হয় যে ৰাইজৰ পৰা Pressure আহে, বিধায়কৰ পৰা Pressure আহে, অন্যান্যৰ ক্ষেত্ৰৰ পৰা, শিক্ষক সংগঠনৰ বোৰৰ পৰা Pressure আহে, আমি হুৰমূৰকৈ এটা প্ৰাদেশীকৰণ কৰি দিওঁ। প্ৰাদেশীকৰণ কৰি দিয়াৰ পিছতে কিন্তু আমাৰ সমস্যাবোৰ আকৌ আৰম্ভ হয়। গতিকে এই ক্ষেত্ৰত কিছু পলম হৈছে হয়, মই স্বীকাৰ কৰিছো যে পলম হৈছে। কিন্তু মই ভাৱো যে এটা systematicaly কৰিলে আমাৰ সকলোৰে কাৰণে in long term verification for you.

**মাননীয় অধ্যক্ষ ঃ** Thank You. মই যিটো Adjournment portion পাইছো আৰু সেই Adjournment portionত আমাৰ শ্ৰীআব্দুল খালেক আৰু শ্ৰীৰূপজ্যোতি কুৰ্মীৰ নামত পাইছো। মোৰ এটা আৱেদন আছে। এই বিষয়টো আজিয়ে উঠক। কিন্তু বেলেগ এটা Noticeত দিব বিচাৰো। কাৰণ আমাৰ Governor Adressed আছে, বাকী গোটেইখিনি কথাই আছে। গতিকে সেই কাৰণে মই সেই কথাটোয়ে কব বিচাৰো। কাৰণ strictly speaking বস্তুটো আমাৰ যিহেতু Governor Adressed আছে গতিকে আজি তাত আলোচনা হ'ব। তাৰোপৰি মই বেলেগ এটা মাধ্যমতো আপোনালোকক দিব পাৰো। সেই কাৰণে আপোনালোকে যদি এইটো ভাৱে সেইটো হ'লে হ'ব আজিয়ে, তেতিয়াহ'লে মই এই বস্তুটো আপোনালোকৰ Question Postpone কৰিব বিচাৰিছো Adjournment হিচাপে নহয় বেলেগ হিচাপে মই ল'ব বিচাৰিছো।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ বিতৰ্ক আছে, আপুনি অন্য গ্ৰহণ কৰিব পাৰে। কিন্তু সভা স্থগিত প্ৰস্তাৱৰ যিকেইটা নিয়মাৱলী আছে।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, সেইটো আমি পিছলৈ আহিম। মই আপোনাক মোৰ আৱেদনটোহে কৈছো।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৱেদনটো কৈ আছো অধ্যক্ষ মহোদয়, যিহেতু বিষয়টো কালি বিহালীত যিটো ঘটনা।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, Please, এইটো কথা মই তেনেকৈ নহব, আপুনি বহক। কবলৈ কিয় দিম আপুনি কিয় কৈছে সেইটো কথা ? মই আপোনাৰ issue টো উলিয়াব বিচৰা নাই নহয়। মই ভাৱিছো আপুনি এটা subject matter আনিছে, subject matter টো যিহেতু Governor Adressed আছে, বাজেটো আছে আমি প্ৰকৃততে subject matter আৰু Adjournment motion নানিলে মই ভাল পাম Member সকলে। আপোনাৰ বিষয়টো যদি গুৰুত্বপূৰ্ণ, মই ভাৱিছো আজিয়ে Houseত বেলেগ এটা Method ত আপোনাক উলিয়াবলৈ দি দিম। কিন্তু আপুনি যদি কয় যে মই এইটোতে insist কৰো I have no option but firstly you speak on the Admissibility. মই সেইকাৰণে কৈছো যে আপুনি বেলেগ এটা optionত আহিলে হয়তো বেছি ভাল হ'ল হেতেন। মই সেইটোৱে মোৰ ফালৰ পৰা As a Speaker হিচাপে বুজি পাই কৈছো।

**শ্ৰী আব্দুল খালেক ঃ** অধ্যক্ষ মহোদয়, আমি সভা স্থগিত প্ৰস্তাৱটো আলোচনা হোৱটো বিচাৰিছো, প্ৰথমে Admissibility কবলৈ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই শুনক, Admissibility কব, কাৰণ নকৰিলেও আকৌ একেটাই কথা। মই সদন ভালকৈ চলাব বিচাৰো। সদনৰ সকলোকে শুনাব বিচাৰো। কিন্তু গোটেই কথাবিলাক

মই পুনৰ কৈছো সদনৰ মাননীয় সন্মানীয় সদস্য সকলক যে সদনৰ প্ৰত্যেকটো দিন, আপোনালোকে কৈছে দিন বঢ়াব লাগে মই আপোনালোকৰ পৰা এখন Noticeপাইছো, Resolution পাইছো, মই সেইটো লোৱা নাই। মই Resolution Reject কৰিছো। কাৰণ সেইটো আমি নিজে কৰিব পৰা বস্তু। আমাৰ AIUDFৰ সদস্য আমাৰ মামুন ইমদাদুল হক চৌধুৰীকে লিখিছে, আমি ৪০ দিন minimum কৰাৰ কথা কৈছো, ভাল কথাখিনি আলোচনাৰ বাবে, দৰকাৰী কথা গোটেইখিনি আলোচনা কৰি পুংখানুভাৱে চাই তেওঁ উত্তৰ চাওঁক, বিৰোধীয়ে কব শাসকে উত্তৰ দিব লাগিব। কিন্তু এনেকুৱা কিছুমান কথা হয় যিবিলাক কোৱাহে হয়, তাৰ পৰা উত্তৰ একো নাহে। সেই কাৰণে মই Adjournment motion বিলাক মই আপোনালোকক কবলৈ বিচাৰিছো যে পঢ়িবলৈ দিছো সকলোকে, মই আপোনালোকে নাই পঢ়া বুলি কোৱা নাই। কিন্তু আপুনি যদি ভালকৈ চাই আপুনি নিজে বুজিব যে Admissibility ৰ কিমান আছে। গতিকে মই আপোনাক Admissibility ৰ ওপৰত ক'বলৈ দিম কাৰণ মই সদনটো যিমান পাৰো ভালকৈ চলোৱাৰ মোৰ এটা ইচ্ছা আছে। সকলোৰে কোৱাৰ ইচ্ছা, মই কাৰো কণ্ঠ ৰোধ কৰাৰ ইচ্ছা নাই। সেইকাৰণে মোৰ আৱেদনটো আছিল। যিহেতু প্ৰথম দিনাই মই ভাৱিলো এটা বেলেগ মেচেজ যাব মই আপোনাক Admissibility ৰ ওপৰত ক'বলৈ আহ্বান জনাইছো। আপুনি Admissibility ৰ ওপৰত ক'ব পাৰে।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, কালি বিহালীত যিটো ঘটনা সংঘটিত হৈছে, তাৰ অগ্ৰাসনত শেহতীয়াকৈ নাগৰিকত্ব সংশোধনী বিধেয়কৰ বিৰোধীতা প্ৰতিবাদক কেন্দ্ৰ কৰি চৰকাৰে সেই প্ৰতিবাদক বোৰক দমন কৰিব বিচাৰিছে আৰু বিশেষকৈ বিহালীত যিটো ঘটনা সংঘটিত হৈছে এই matterটো অধ্যক্ষ মহোদয়, আমাৰ বিধান সভাৰ যি নিয়মাৱলী, সেই নিয়মাৱলীত এটা কথা কৈছে আৰু that is practice & procedure of the Parliament by Kaul and Shakdher. অধ্যক্ষ মহোদয়, এই matterটো আমাৰ যোৱাকালি সংঘটিত হৈছে। পৰহি বিধান সভাৰ অধিবেশন আৰম্ভ হৈছে, যোৱাকালি কাৰ্য্যসূচী নাছিল, আজি কাৰ্য্যসূচী আৰম্ভ হোৱাৰ লগে লগে আমি সেই বিষয়টো উল্লেখ কৰিছো। অধ্যক্ষ মহোদয়, বিহালীত শিশু গৰাকী, যি শিশু গৰাকী মাকৰ সৈতে সভালৈ যোৱাৰ পথত, তেওঁলোকে কলৈকে যাব অধ্যক্ষ মহোদয়, আমি কি পৰিধান কৰিম, আমি কি পৰিধান নকৰিম, কি ৰঙৰ পোচাক পৰিধান কৰিম, কি ৰঙৰ পোচাক পৰিধান নকৰিম এই অধিকাৰ চৰকাৰে কাঢ়ি লৈ যাব বিচাৰে। অধ্যক্ষ মহোদয়, এই কথাটো কেতিয়াও সমৰ্থন যোগ্য হ'ব নোৱাৰে আৰু এই matterটো ঐতিহ্যপূৰ্ণ, অতি হিংসাত্মক ঘটনা। অধ্যক্ষ মহোদয়, আমাৰ freedomক হস্তক্ষেপ কৰা হৈছে। আমি বিচাৰিছো যে এইবিষয়ে আলোচনা হ'ব লাগে আৰু চৰকাৰে গণতান্ত্ৰিক অধিকাৰ খাৰিজ কৰিব বিচাৰিছে, বাক স্বাধীনতা খাৰিজ কৰিব বিচাৰিছে এই চৰকাৰৰ এই চৰিত্ৰক আমি বিৰোধীতা কৰিছো। আজি যিহেতু নাগৰিক সকলৰ কলা পোচাক পৰিধান কৰাত হস্তক্ষেপ কৰিছে আৰু শেহতীয়াকৈ অধ্যক্ষ মহোদয়, এতিয়া আমি কলা চুলিৰ ৰং বগা কৰিব লাগিব। আজি কলা পতাকাৰ বিৰুদ্ধে কনোৱাই কলা কাপোৰ পৰিধান কৰিছে, কোনোবাই বেজ লগাইছে। আমি আজি সেই কাৰণে আজিৰ দিনটো সদনৰ সকলো কাৰ্য্যসূচী স্থগিত ৰাখি আমি এই বিষয়টো আলোচনা কৰটো বিচাৰিছো অধ্যক্ষ মহোদয়।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মাননীয় সদস্য)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যি প্ৰস্তাৱ আনিছো, ইতিমধ্যে মাননীয় বিধায়ক খালেক ডাঙৰীয়াই কৈছে, এই প্ৰস্তাৱটো জাতি, মাটি, ভেঁটি ৰক্ষা কৰিব। এইখন চৰকাৰৰ দিনত এনে প্ৰস্তাৱ আমিও আনিম বুলি ভবা নাছিলো বা অসমৰ ৰাইজেও

ভবা নাছিলে। আজি অৰ্ধ উলংগ হৈ প্ৰতিবাদ কৰিব লগীয়া হৈছে। নাগৰিকত্ব বিধায়ক ২০১৬ বাতিলক লৈ পেলাই । ইয়াৰ পিছত আমি যদি চাওঁ আজি অৰ্ধ উলংগ হৈ দল সংগঠনে প্ৰতিবাদ কৰিব লগীয়া হৈছে। নাগৰিকত্ব বিধায়ক ২০১৬ ক লৈ আৰু তেনে সময়তে সদৌ অসম ছাত্ৰ সন্থা দৰে এটি পবিত্ৰ সংগঠনক আজি সন্মানীয় সভাপতি দিপাংকৰ নাথ ডাঙৰীয়াই লুৰিণজ্যোতি গগৈ সাধাৰণ সম্পাদকে হওঁক বিভিন্ন সময়ত কৈছে যে ১৫ বছৰীয়া পূৰ্বৰ তৰুণ গগৈৰ চৰকাৰৰ দিনত অন্তত আছু কৰ্মীয়ে থানাৰ ভিতৰত এনেকুৱাকৈ লৈ গৈ মাৰধৰ কৰিব লগীয়া পৰিৱেশৰ সৃষ্টি হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** কলা পতাকা গৱৰ্ণৰ ভাষণত ওপৰত কব পাৰিব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মাননীয় সদস্য)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় দুখ পাইছে, যোৱাকালি যিটো ঘটনা হৈ গ'ল, দেবশিশু কণমানি এগৰাকী শৰীৰৰ পৰা আজি কলা পোচাক পিন্ধা কাৰণে কাপোৰ খুলি দিবলগীয়া হ'ল। ইয়াতকৈ দুখ লগা বিষয় একো হব নোৱাৰে। গোটেই সাংবাদিকৰ আগত মাকে কৈছে। এই যিটো যোৱাকালিৰ ঘটনাটো ঘটিল আমি তীব্ৰভাবে গৰিহণা দিছো। আমি অনুৰোধ কৰিছো চৰকাৰী ভাৱে এনেকুৱা কাম যাতে আৰু নহয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী আব্দুল খালেক ডাঙৰীয়া আৰু শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যিটো Adjournment Motion আনিছে, তাত আমাৰ Rules and Procedure and Conduct of Business in Assam Legislative Assembly আৰু Practice and Procedure of Parliament Performence Subject আৰু Reference ত তেখেত সকলে নগৈ গোটেই ঘটনাটো Adjournment Motion ত উত্থাপন কৰিছে। গতিকে Kaul and Shakdher ৰ Practice and Procedure of Parliament খন চালে হ'ল।

**শ্ৰী আব্দুল খালেক (মাননীয় সদস্য) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেই নম্বৰ Edition।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 7th Edition ৰ ৫৬৪ অনুচ্ছেদত ত কৈছে, Police force to maintain Law & Order situation is not a matter of Adjournment Motion, Under the Rules and Procedure of Parliament, 19th August, 1973. দ্বিতীয় কথা হল ৫৬৭ Para 2 A matter relate a very recent occurance, is not urgent if an opportunity for this discussion in grant in a ordinary course of debates will be done in a reasonable short time. আজি গৱৰ্ণৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ আছিল। তাৰ পিছত Para 567 (3) Similarly a matter which can not be raised under any other procedural devices like Call Attention Motion, Like Question, Like Short Notice question etc. এই কথাটো ৩০১ ত দিব বিচাৰিছিল আপোনালোকে নামানে। গতিকে Short Discussion can not be raised through these rules. তাৰ পিছত ৫৭৪ Para 1, 2,3 & 4, It is further to retary that an order passed by an ordinary administration, the Law & Order can not be a subject of Adjournment Motion, even there is no remady under the Law. এতিয়া গোটেই ঘটনাটো হ'ল আমাৰ কালিৰ যিটো ঘটনা হৈছে বুলি কৈছে

মই এটা কথা কওঁ অসম চৰকাৰৰ তৰফৰ পৰা কোনো ধৰণৰ তেনেকুৰা নিৰ্দেশ নাই যে meeting ত কলা কাপোৰ পিন্ধি যাব নোৱাৰিব।

অধ্যক্ষ ডাঙৰীয়া, আজি যিটো ঘটনা হোৱা বুলি কৈছে, অসম চৰকাৰৰ তৰফৰ পৰা এনেকুৰা ধৰণৰ কোনো নিৰ্দেশনা নাই যে মিটিঙত ক'লা কাপোৰ পিন্ধি যাব নোৱাৰিব। দ্বিতীয় কথাটো হ'ল, কালি বিহালীত যিখন মিটিং হৈছিল তাত ৯ হাজাৰ ১০ হাজাৰ মানুহ হৈছিল আৰু তাৰ ভিতৰত ৮-১০ জন মানুহে ক'লা কাপোৰেই পিন্ধি গৈছিল। এই শিশুটোৰে কেৱল গৰম পোৱাৰ বাবেহে জেকেটটো খুলি দিয়া হৈছিল। মিটিঙৰ মাজত গৰম লাগি কন্দাৰ বাবেহে মাকে শিশুটিৰ গাৰ পৰা জেকেটটো খুলি দিছিল। মবাইলত ভিডিঅ' ফুটেজ আছে, আপোনালোকে চাব বিচাৰিলে চাব পাৰিব। যদি চৰকাৰী নিৰ্দেশনা থাকিলহেতেন, তেতিয়াহ'লে মুখ্য মন্ত্ৰীৰ মিটিঙত সোমোৱাৰ আগতে যি খন গেটত চেকিং কৰা হয় তাতেই কাপোৰযোৰ খুলি ৰাখিলেহেঁতেন, কিন্তু সেইটো কৰা হোৱা নাছিল। যদি গেটত খুলিলেহেঁতেন , তেতিয়া আমি পুলিচক ধৰিলোহেঁতেন।মাননীয় অধ্যক্ষ মহোদয়, আজিকালি দৰাচলতে এনেধৰণৰ বিভেদকামি কথা কোৱাটো এটা 'ডিজাইন'ত পৰিণত হৈছে to meline the Government। চৰকাৰক যাতে জনতাৰ সন্মুখত হেয় প্ৰতিপন্ন কৰিব পাৰে তাৰেই 'ডিজাইন' কৰা হৈছে। মুখ্যমন্ত্ৰীৰ ভাৱমূৰ্তী ম্লান কৰাৰ বাবেহে এইটো কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই সম্পৰ্কত অৱগত হোৱাৰ পিচত আৰক্ষী সঞ্চালক প্ৰধান (ডিজিপি)ক এই সম্পৰ্কত বিতংভাৱে তদন্ত কৰিবলৈ নিৰ্দেশ দিছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাকে শিশুটিৰ কাপোৰ গৰম লগাৰ কাৰণে নিজেই খুলি দিয়া বুলি কোৱাৰ তথ্য আমাৰ হাতত আছে। এতিয়া কথাটো হ'ল, ৰাজ্যখনত এনেকুৰা পৰিস্থিতিৰ সচাকৈ যদি সৃষ্টি হৈছে, আপোনালোকে adjournment motion আনক আমাৰ আপত্তি নাই আৰু যদি এনেকুৰা ধৰণৰ পৰিস্থিতি হোৱা নাই, এইটো কেৱল আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ ভাৱমূৰ্তী জনসাধাৰণৰ মাজত ম্লান কৰাৰ বাবেহে এনেধৰণৰ এটা 'ডিজাইন' উপস্থাপন কৰা হৈছে। চৰকাৰক হাৰাশাস্তি কৰাৰ এইটো এটা 'ডিজাইন' কৰা হৈছে।

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইখন বিধান সভাতে প্ৰথম যিটো ভাষণ দিছিল তাত তেখেতে কৈছিল, আপোনালোকে নাভাবিব যে মই কেৱল BJP ৰ বিধায়ক সকলককে গুৰুত্ব দিম, মই মিত্ৰজোঁটৰ বিধায়ক সকলৰ লগতে বিৰোধী দলৰ বিধায়ক সকলকো সমানে গুৰুত্ব দিম। মই ১৯৮৫ চনৰ পৰা বিধান সভালৈ নিৰ্বাচিত হৈ আহিছো, মই কোনো মুখ্যমন্ত্ৰীকে এইদৰে বিৰোধী দলকো সমানে চাম বুলি কোৱা শুনা নাই। আপোনালোকে এনে এজন সদিচ্ছা থকা মুখ্যমন্ত্ৰীক আজি যিদৰে সমালোচনা কৰিছে এইটো অতি দুৰ্ভাগ্যজনক। এইটো আমি নামানো।

দ্বিতীয় কথা, কুৰ্মী ডাঙৰীয়া, আপুনি কৈছে সদৌ অসম ছাত্ৰ সন্থা এটা পবিত্ৰ সংগঠন, খুউব ভাল কথা। এই কথাটো যদি আগতেই ১৯৭৮ চন বা ১৯৮৩ চনতে বুজি পালেহেঁতেন, তেতিয়াহলে অনাহকতে আন্দোলনকাৰী সকলে ইমান হাৰাশাস্তি খাবলগীয়া নহ'লহেতেন - - -

**(সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)**

**শ্ৰী ৰাজেদ আলী চৌধুৰী ঃ-** admissibility ৰ কথা কওক ।

**মাননীয় অধ্যক্ষ ঃ-** admissibility ৰ কথা কলে, admissibility ৰ কথা টো তেখেতে বিৰোধীতা কৰিছে । তেখেতে মাত্ৰ গভৰ্নমেণ্টে লোৱা একচন টো কৈছে।

**(পুনৰ সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়।)**

**শ্ৰী ৰূপজ্যোতি কুৰ্মী** ঃ- এই দুখঃ জনক ঘটনাটো ঘটাৰ পিছটো আপোনালোকে এবাৰো দুখ প্ৰকাশ নকৰিলে ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা** ঃ- দুখ প্ৰকাশ কেতিয়া কৰে, যদি শোকজনক ঘটনা হয় তেতিয়াহে দুখ প্ৰকাশ কৰে।

**(পুনৰ সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়।)**

**মাননীয় অধ্যক্ষ** ঃ- Mr. Rupjyoti Kurmi, Please control yourself.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা** ঃ-অধ্যক্ষ ডাঙৰীয়া এতিয়া কথাটো হৈছে, নলবাৰীৰ ঘটনাটোৰ সম্পৰ্কত এইটো কথা কোৱা হৈছে যে আন্দোলনকাৰীক লকাপৰ ভিতৰত মাৰপিট কৰা হৈছে, এই কথাটো মই ক্লীয়াৰ কৰি দিব বিচাৰিছো। সদৌ অসম ছাত্ৰ সন্থাৰ লগত ভাৰতীয় জনতা পাৰ্টীৰ মনোমালিন্য ঘটাবৰ কাৰণে এইবোৰ কৰা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ- আপুনি Clear কৰি পিচত Statement দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা** ঃ- সদৌ অসম ছাত্ৰ সন্থাই

**( সদনত পুনৰ হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়।)**

**Hon'ble Speaker** ঃ- I have asked him to conclude. Please let him reply. Mr Rupjyoti Kurmi, You have been given 52 second but I have given him 62 second to conclude. (I will allot time to provide report by Hon'ble Miniser on this issue and he will read it out in the August House. We should not go for further debate.)

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা** ঃ- নলবাৰীৰ ঘটনাটোৰ লগত জড়িত যিখিনি মানুহক গ্ৰেপ্তাৰ কৰা হৈছে তেওঁলোকৰ নামখিনি পঢ়ি দিব বিচাৰিছো। এজন হল

**( সদনত পুনৰ হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়।)**

১) শ্ৰী সুৰেণ কলিতা, District Vice President, Nalbari Congress Committee. ২) শ্ৰী মইদুল ৰহমান, General Secretary, Youth Congress, Nalbari ৩) শ্ৰী লুৎফুৰ ৰহমান, General Secretary (Administration) Nalbari District Congress Committee.

**মাননীয় অধ্যক্ষ** ঃ- আপুনি এইবিলাক কথা নকব। Please conclude.

(সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই সদন দহ মিনিট সময়ৰ কাৰণে স্থগিত ৰাখিলো।

(মাননীয় অধ্যক্ষ মহোদয়ে দহ মিনিট সময় সদন স্থগিত ৰাখি সদন কক্ষ ত্যাগ কৰে)।

**মাননীয় অধ্যক্ষ** ঃ মই Adjournment motion ৰ সপক্ষে আৰু বিপক্ষে দুয়োখিনি যুক্তি শুনিছো আৰু মই এটা সিদ্ধান্ত লৈ আহিছো।

**শ্ৰী আব্দুল খালেক, বিধায়ক (জনীয়া)** ঃ মোৰ Adjournment Motion ত Right to Reply আছে।

**মাননীয় অধ্যক্ষ** ঃ খালেক ডাঙৰীয়া Adjournment Motion ত Right to Reply নাথাকে। আপোনালোকে Parlimentary Practice টো অলপ বুজিবলৈ চেষ্টা কৰক। আপোনাৰ মতে যিখিনি ভুল কথা আছে, সেইখিনি মোক আজিয়েই দিব মই শুনিম। Adjournment Motion তো মই চাম আৰু তাত যিখিনি Relevant ৰ কথা থাকিব সেইবোৰ চাম। আপোনাৰ যিখিনি

দৰকাৰী কথা আছে আৰু তেখেতৰ যিখিনি দৰকাৰী কথা আছে, সেইখিনি মই লম, ভুলখিনি নলওঁ। মই কৈছো যে Adjournment Motion is a very exceptional thing. মই সদনৰ সকলো সদস্যকে কওঁ যে আমাক জনসাধাৰণে পাঁচ বছৰৰ কাৰণে নিৰ্বাচিত কৰে, কাৰোবাক বিৰোধী বা কাৰোবাক শাসকীয় দলত বহিবৰ বাবে। পাঁচ বছৰৰ পিছত আমি জনসাধাৰণৰ ওচৰলৈ যাব লাগিব। ইয়াত যিখিনি কথা আলোচনা কৰা হয়, সেইখিনি যুক্তি-যুক্তভাৱে আলোচনা কৰিলে ভাল হয়। মই কাকো দোষাৰোপ কৰা নাই। কিন্তু কোনোবাই কিবা ক'লে তাৰ প্ৰতিবাদ কৰা আদি কথাবোৰ যদি ইয়াত চলি থাকে, ইয়াৰ পৰা ভাল বাৰ্তা নাযাব। সেইকাৰণে তিনিটা বস্তু আমাক লাগিব- Patience, tolerence and Mutual Respect to each other আমাক লাগিব।আপোনাৰ যিখিনি ক'বলগীয়া আছে, মোক দিব মই চাম। মই সকলোখিনি Record নকৰো।

**শ্ৰী আব্দুল খালেক, বিধায়ক (জনীয়া) ঃ** অধ্যক্ষ মহোদয়, ইয়াত কিছুমান Factual Fact ৰ কথা আছে।

**মাননীয় অধ্যক্ষ ঃ** মই তেখেতৰ সকলো খিনি কথা as it is record নকৰো। Factual Fact মই ও চাম। মই প্ৰথমতে কৈছিলো, আমাৰ সদনত ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা হ'ব, বাজেটৰ ওপৰত আলোচনা হ'ব বা সাধাৰণতে এনেকুৱা দুটা বিষয় থাকিলে Adjournment Motion accept নহয়। সেইকাৰণে মই আপোনাক এটা alternetive device ৰ কথা কৈছিলো। Adjournment Motion is a very exceptional thing. Because matter under Adjournment Motion should be only raised in which the house attention role is required. So, that all the business state for the day need to be set aside to discuss the issue which is proposed to be raised by the Hon'ble Members under this device. এতিয়া মই কথাটো কৈছো যে মই দুয়োফালৰ কথা শুনিছো। আপুনি কিয় দিব লাগে বুলি কৈছে আৰু তেখেতে কিয় দিব নালাগে বুলি কৈছে? এইটো এটা exceptional. এনেকুৱা এটা thing নহয় যে আমি সদনৰ কথা বাদ দি এইটোৰ আলোচনাত আজিয়েই বহিব লাগে। সেইকাৰণে মই Motion টো disallow কৰিছো আৰু সেইটো কৈ মই পৰৱৰ্ত্তী পৰ্য্যায়ত যাব বিচাৰিছো। আপোনাৰ যিখিনি clearification আছে, সেইখিনি মোক writing ত দিব মই চাই লৈ I place in the record.

**শ্ৰী আব্দুল খালেক, বিধায়ক (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ক'লে যে Page No.-567 ৰ Para-4 ৰ second খিনি ক'লে। কিন্তু এইটো আমাৰ বাবে অতি urgent ও হয়। মানৱীয় স্বাৰ্থ জড়িত হয়, definite হয়, Public importance ৰ বাবে। কিন্তু অধ্যক্ষ মহোদয়, আপুনি allow নকৰাৰ প্ৰতিবাদত আমি সাময়িকভাৱে সদন ত্যাগ কৰিছো। (কংগ্ৰেছ দলৰ সদস্যসকলে সদন ত্যাগ কৰে)।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ আজি শূন্যকালীন ঘণ্টাত চাৰিখন notice পাইছিলো। এই চাৰিখনৰ তিনিখন accept কৰিছো। তাৰ ভিতৰত মাননীয় সদস্য গুণীন্দ্ৰ নাথ দাস, আমিনুল ইছলাম আৰু কমলাক্ষ্য দে পুৰকায়স্থৰ accept কৰা হৈছে। গতিকে এই কেইখনৰ ওপৰত discussion হ'ব। এতিয়া আমিনুল ইছলামে কওঁক।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** আমাৰ সদন, ভাৰতবৰ্ষৰ পৱিত্ৰ ভাৰতীয় সংবিধানৰ

আধাৰত স্থাপিত হৈছিল। আমি এই পবিত্র সংবিধানৰ নিয়মৰ আৰ্হিত নিৰ্বাচিত হৈছো আৰু পৱিত্ৰ সংবিধানৰ শপত গ্ৰহণ কৰি আমি বিধায়ক হৈছো। গতিকে আমি সদনত সংবিধান বিৰোধী কথা ক'ব নালাগে। সেয়েহে সংবিধান বিৰোধী কথা কোৱাৰ বাবে আমি বিৰোধীতা কৰি সদন ত্যাগ কৰিছো।

(এ আই ইউ ডি এফৰ সদস্যসকলে সদন ত্যাগ কৰে)।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া গুণীন্দ্ৰ নাথ দাস ডাঙৰীয়াই কওঁক।

**শ্ৰী গুণীন্দ্ৰ নাথ দাস, বিধায়ক (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া প্ৰতিদিন বাতৰি কাকতত ২৬-০১-২০১৯ তাৰিখে প্ৰকাশিত যিটো গুৰুত্বপূৰ্ণ বিষয়, **"আই অ' চি এলৰ নিবিদা কাৰ্য্যালয় কলিকতালৈ স্থানান্তৰৰ প্ৰতিবাদ এল পি জি ট্ৰেন্সপ'ৰ্টাৰৰ অনিৰ্দিষ্টকালীন ধৰ্মঘট ৰাজ্যত ৰন্ধন গেচৰ নাটনিৰ আশংকা"** বাতৰিৰ বাবে মই অধ্যক্ষ মহোদয়ক ধন্যবাদ জনালো। আমি সকলোৱে জানো যে আমাৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই গোটেই বিষয়টোৰ লগত জড়িত হৈ স্বাস্থ্য সন্মতভাৱে খোৱা বস্তু বনাব পাৰে তাৰ বাবে প্ৰত্যেকটো দুখীয়া পৰিয়ালক ৰন্ধন গেচ দিয়াৰ ব্যৱস্থা কৰিছে। আজি ভাৰতবৰ্ষৰ কোটি কোটি মানুহে ৰন্ধন গেচ লৈছে আৰু অসমতো কোটি কোটি মানুহে ৰন্ধন গেচ পাইছে আৰু গতিকে এতিয়া ৰন্ধন গেচটো বিলাসিতা নহয়, সকলোৰে ঘৰৰ প্ৰয়োজনীয়তা। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে আজি আই অ' চি এলৰ নিবিদা কাৰ্য্যালয় কলিকতালৈ স্থানান্তৰ কৰিছে। তাৰ পৰিপ্ৰেক্ষিতত ট্ৰান্সপ'ৰ্টাৰ সকলে যোৱা ২৫ জানুৱাৰী তাৰিখৰ পৰা ধৰ্মঘট কৰিছে। কাৰণ তেওঁলোকৰ যিথিনি নিৰিখ ২০১৪ চনত আছিল, বৰ্তমান নিৰিখ ২০ শতাংশ কমোৱাৰ আহ্বান কৰাৰ বাবে তেওঁলোকে ধৰ্মঘট কৰিছে। ইয়াৰ বাবে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সাত খন ৰাজ্যৰ গ্ৰাহকসকলে অসুবিধাৰ সন্মুখীন হৈছে। যোৱা ২৫ তাৰিখৰ পৰা গোটেই অসমত ১১ টা বটলিং প্লাণ্টৰ বটলিং বন্ধ হৈ আছে। গতিকে মাননীয় অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যে আমাৰ চৰকাৰে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰে। চৰকাৰক অনুৰোধ কৰিছো যে সমগ্ৰ অসমৰ ১১টা Bottling Plant ত যোৱা ২৫ জানুৱাৰীৰ পৰা Bottling বন্ধ হৈ আছে । এই ক্ষেত্ৰত আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সময় মৰ্মে অসম চৰকাৰৰ যোগান বিভাগ তথা প্ৰশাসন ব্যৱস্থাই ইয়াৰ ওপৰত দুই-তিনি মাহৰ পৰা আলোচনা কৰি আছে। ইয়াৰ আগতেও দুবাৰকৈ এই নিবিদা প্ৰক্ৰিয়া বন্ধ কৰিবৰ বাবে আলোচনাৰ বাট উলিয়াব চেষ্টা কৰা হৈছিল কিন্তু বিভিন্ন সময়ত আলোচনা নোহোৱাৰ বাবে এই আন্দোলনটো হৈছে। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে এই সমস্যাটো যাতে আলোচনাৰ মাজেৰে সমাধান ক্ষেত্ৰলৈ অনা হয় কিয়নো ২৫ জানুৱাৰীৰ পৰা আজি পৰ্যন্ত অসমৰ ৰাইজে জীয়াতু ভুগি আছে। মই ভাৱো যে চৰকাৰে ব্যৱস্থা ল'লে এটা মীমাংসা নিশ্চয় হ'ব। দুই-তিনি মাহৰ পিছত ৰঙালী বিহু আহি আছে গতিকে এই উৎসৱ মুখৰ পৰিৱেশত যাতে মানুহে ৰন্ধন গেছৰ বাবে জীয়াতু ভুগিব লগীয়া নহয়, ৰন্ধন গেছ যাতে পাই থাকে, তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** Thank You, Minister Please.

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী, জলসিঞ্চন, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গুনিন্দ্ৰ নাথ দাস ডাঙৰীয়াই শূন্যকালীন ঘণ্টাত উত্থাপন কৰা বিষয়- ' IOCL ৰ নিবিদা কাৰ্যালয় কলকাতালৈ স্থানান্তৰৰ প্ৰতিবাদ, এল.পি.জি. ট্ৰেন্সপৰ্টাৰৰ অনিৰ্দিষ্টকালীন ধৰ্মঘট'- শীৰ্ষক বাতৰিটো যোৱা ২৬ জানুৱাৰী, ২০১৯ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত সম্প্ৰচাৰিত হৈছিল। মাননীয়

অধ্যক্ষ মহোদয়, IOCL ৰ নিবিদা online যোগেৰে হয়। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ লগতে বিহাৰ-উৰিষ্যা, পশ্চিম-বংগৰ নিবিদা ব্যৱস্থাটো কলকাতালৈ স্থানান্তৰ কৰা হৈছে। আমি অসমত থাকিও কলকাতালৈ online যোগেৰে নিবিদা দিব পৰাৰ process এটা আছে। কিন্তু IOCL কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে, নিবিদাৰ পিছত যিখিনি যাৱতীয় কাম-কাজ থাকে সেইখিনি অসমৰ IOCL কৰ্তৃপক্ষৰ কাৰ্যালয়ৰ পৰাই পৰিচালনা কৰা হ'ব। ইতিমধ্যে tender process ৰ ক্ষেত্ৰত IOCL কৰ্তৃপক্ষৰ লগত সংশ্লিষ্ট বিভাগৰ কৰ্তৃপক্ষ, অসম চৰকাৰৰ মুৰব্বী বিষয়া তথা Contractor Association ৰ যিসকল transporter আছিল ইয়াৰ আগতে দুবাৰকৈ তেওঁলোকৰ লগত বহি extension কৰা হৈছিল। এই tender ৰ অন্তিম তাৰিখ ৩১-০১-২০১৯ আছিল। আমাৰ মাননীয় সদস্য গৰাকীয়ে কৈছে যে, আগতে transporter ৰ যিটো rate আছিল এতিয়া তাতকৈ ২০% হ্ৰাস কৰা হৈছে। এই ক্ষেত্ৰত tender ৰ যি rate, সেইটো IOCL কৰ্তৃপক্ষৰ লগত অসম চৰকাৰে আলোচনা কৰি ধাৰ্য্য কৰিছিল। কিন্তু এই বাতৰিটো অহাৰ পিছত বিভাগীয় বিষয়া, LPG Transporters' Association আৰু Gas Distributors Association ৰ লগত যোৰাকালি এটা আলোচনা কৰা হৈছিল। সেই LPG Transporters' Association আৰু Gas Distributors Association এ tender ৰ সময় বৃদ্ধি কৰিবলৈ চৰকাৰক অনুৰোধ কৰিছিল। গতিকে, আজি অসম চৰকাৰৰ যোগান বিভাগৰ বিষয়া, IOCL কৰ্তৃপক্ষ, LPG Transporters' Association আৰু Gas Distributors Association ৰ লগত এই ক্ষেত্ৰত আলোচনা কৰা হ'ব। মই আশা ৰাখিছো IOCL কৰ্তৃপক্ষই যাতে tender ৰ process টো ৩০ এপ্ৰিল, ২০১৯ লৈ বৃদ্ধি কৰে আৰু এই ব্যৱস্থাটো যাতে আমি কাৰ্যকৰী কৰিব পাৰো। এই বিষয়টোক লৈ চিন্তিত হ'ব নালাগে কিয়নো আমি ব্যৱস্থা গ্ৰহণ কৰি আছো। আমি ইয়াৰ পৰাই online যোগেৰে tender কৰিব পাৰো। গতিকে আজি হ'বলগীয়া আলোচনা নিশ্চয় ফলপ্ৰসূ হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ইয়াৰ পিছত মই আমিনুল ইছলাম ডাঙৰীয়াৰ matter টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**মাননীয় শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৬ জানুৱাৰী, ২০১৯ তাৰিখে দৈনিক জনমভূমি বাতৰি কাকতত প্ৰকাশিত -"ইতিহাস প্ৰসিদ্ধ কতৌ হোলা পুখুৰীলৈ অৱহেলা, সংৰক্ষণ নহ'ল, পুতি পেলোৱাহে হ'ল"- শীৰ্ষক বাতৰিটো মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিবলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, আপুনিও জানে যে, নগাঁৱৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত আঠগাওঁ-লহকৰ গ্ৰেজিং ৰিজাৰ্ভৰ মাজত ইতিহাস প্ৰসিদ্ধ কতৌ হোলা পুখুৰীটো অৱস্থিত। এই পুখুৰীটো মানৰ ভয়ংকৰ অসম আক্ৰমণৰ ইতিহাসৰ সাক্ষী স্বৰূপ । ১৮২৪ খ্ৰীষ্টাব্দত মানৰ অসম আক্ৰমণৰ সময়ত এই পুখুৰীটোৰ পাৰত কিছুমান ইতিহাস প্ৰসিদ্ধ ঘটনা জড়িত হৈ আছে। বিশেষকৈ, মানৰজা মিহিংমাহা নুনদ ক্ৰোডেনৰ অধীনস্থ মোগাংগ নামৰ ৰজা এজনৰ দখললৈ সমগ্ৰ নগাওঁ জিলা আহিছিল। মোগাংগ নামৰ ৰজা জনে যেতিয়া শাসন কৰিছিল তেতিয়া মানৰ চোৰাংচোৰা হিচাপে কতৌ নামৰ লোক এজনে মান সেনাৰ লগত মিলি ধিঙৰ স্থানীয় ৰাইজৰ ওপৰত অত্যাচাৰ চলাইছিল। ধিঙৰ জীয়ৰী-বোৱাৰী, বৃদ্ধ সকলক তেওঁ অপদস্থ কৰিছিল। ১৮২৪ খ্ৰীষ্টাব্দত এই কতৌ নামৰ চোৰাংচোৰা জনে মান সেনাৰ লগত মিলি ধিংবাসী ৰাইজক জ্বলা-কলা খুৱাইছিল। ১৮২৬ খ্ৰীষ্টাব্দত ইয়াণ্ডাবু সন্ধিৰ পিছত যেতিয়া মান সেনা অসমৰ পৰা গুছি গৈছিল, তেতিয়া ধিঙৰ স্থানীয় ৰাইজে কতৌ নামৰ চোৰাংচোৰা জনক

ধৰি এই পুখুৰীটোৰ পাৰত তেওঁক ডিঙিলৈকে জীয়াই জীয়াই পুতি শাস্তি প্ৰদান কৰিছিল আৰু মানৰ অন্য চোৰাংচোৰা সকলকো এই পুখুৰীৰ পাৰতে বান্ধি শাস্তি প্ৰদান কৰিছিল। মানৰ আক্ৰমণৰ যি তিক্ত স্মৃতি, সেই স্মৃতি জীয়াই ৰাখিবলৈ ৰাইজে এই পুখুৰীটো খান্দিছিল ১৮২৬ খ্ৰীষ্টাব্দত মানৰ আক্ৰমনৰ যিটো তিক্ত স্মৃতি, সেই স্মৃতি জীয়াই ৰাখিবলৈ এই পুখুৰীটো ৰাইজে খান্দিছিল। কিন্তু আজিলৈকে সেই ঐতিহাসিক পুখুৰীটো সংৰক্ষণ কৰা নহ'ল। কিছুদিন পূৰ্বে তাত যিটো ধিং জৱাহৰ নবোদয় বিদ্যালয় স্থাপন কৰা হৈছে সেই বিদ্যালয়ৰ Boundary ত এই ঐতিহাসিক পুখুৰীটো সোমাই গ'ল। কিছুদিন আগতে মৈৰাবাৰী Block এ এটা MGNREGA Scheme ল'লে যিটো Scheme ৰ জৰিয়তে এই পুখুৰীটো মাটিৰে ভৰ্ত্তি কৰি দিলে। এই ইতিহাস জড়িত পুখুৰীটো পুঁতি পেলোৱাৰ কাৰণে ৰাইজে এইটো Sentiment ত লৈছে আৰু দাবী কৰিছে যে এই পুখুৰীটো সংৰক্ষণ কৰিব লাগে। কিন্তু চৰকাৰে এইটো গুৰুত্ব সহকাৰে লোৱা নাই। ইয়াৰ উপৰিও এনেকুৱা আন বহুতো কীৰ্তিচিহ্ন আছে। মোৰ ঘৰৰ পৰা ১ কিঃ মিঃ দুৰত্বত ডিমৰুগুৰিত যিটো পুখুৰী আছে, সেইটো ডম্বৰু ভূঞাই খন্দা পুখুৰী। এই পুখুৰীটোও সংৰক্ষণ কৰিব লাগে। ইয়াৰ আগতেও বিধানসভাত মই কেইবাবাৰো দাবী উত্থাপন কৰিছিলো যে এই পুখুৰীটো সংৰক্ষণ কৰিব লাগে। কিন্তু কোনো চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। এতিয়ালৈকে মই নিজৰ প্ৰচেষ্টাৰে এইটো encroachment ৰ পৰা ৰক্ষা কৰি আছো। চৰকাৰে যদি এই ইতিহাস জড়িত কীৰ্তিচিহ্ন সমূহ সংৰক্ষণ কৰাৰ ব্যৱস্থা গ্ৰহণ নকৰে , এইবিলাক অতি সোনকালে নোহোৱা হৈ যাব। গতিকে এই ঐতিহাসিক সমলবিলাক যাতে সংৰক্ষণৰ ব্যৱস্থা কৰে।

Hon'ble Speaker : Minister please.

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই কটৌহুলা পুখুৰীটো মাটিৰে পুতি দিয়াৰ কথা উল্লেখ কৰিলে, সঁচাই এইটো এটা পবিত্ৰ পুখুৰী আৰু এইটো সংৰক্ষণ কৰাৰ দায়িত্ব চৰকাৰৰ আছে। তেখেতে কোৱাৰ দৰে MGNREGA ৰ জৰিয়তে এই পুখুৰীটো মাটিৰে পুতি পেলোৱা হৈছে। ইয়াৰ ওপৰত জিলা উপায়ুক্তৰ পৰা আমি যিটো report পাইছো, তাৰ ওপৰত ভিত্তি কৰি আমি ব্যৱস্থা হাতত লম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ্য দে পুৰকায়স্থ।

শ্ৰী **কমলাক্ষ্য দে পুরকাস্থ :-** মাননীয় অধ্যক্ষ মহোদয়,দৈনিক নববাৰ্তা প্রসঙ্গে প্রকাশিত "টাওয়ারের দাবি অনিশ্চয়তা করিমগঞ্জে ১২৩ কেভি সাবস্টেসন"। বিষয়টা সদনে উত্থাপন করার সুযোগ দেওয়ার জন্য আমি আপনাকে ধন্যবাদ জানাচ্ছি। মাননীয় অধ্যক্ষ মহোদয়, সরকারে উদ্দেশ্য ছিল যে ২৪ ঘন্টা বিদ্যুৎ দেওয়ার জন্য। কিন্তু করিমগঞ্জের বিভীষিকাময় অবস্থা বিগত পাঁচ বছর থেকে। অধ্যক্ষ মহোদয় এই বিষয়টি সদনে আমি আরও দুই তিনবার উত্থাপন করেছি। মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করেছিলাম। অধ্যক্ষ মহোদয় পেটেল নগরে ১৩২ কেভি সাবস্টেসন্ সেনসন হয়েছিল ২০১৩ সালে। হাইলাকান্দি থেকে করিমগঞ্জ লাইন কনস্ট্রাকশনের কাজটা দেওয়া হয়েছিল ইসিএল ইঞ্জিনিয়ারকে। সেখানে কস্ট ভ্যেলু ছিল ১০,৪৬,৬১,৪১৭ টাকা। টাওয়ার কনস্ট্রাকসনের কাজ জিবি কনস্ট্রাকসনকে দেওয়া হয়েছিল সেখানে এপ্রক্স ভ্যেলু ছিল ১২ কোটি টাকার মত। অধ্যক্ষ মহোদয়,ইতিমধ্যে টাওয়ার কনস্ট্রাকশনের কাজ চলছে কিন্তু সাবস্টেসন কনস্ট্রাকসনের কাজ কমপ্লিট হয়নি। আমাদের করিমগঞ্জ থেকে হাইলাকান্দি ৯০টি টাওয়ার আছে তার মধ্যে শুধু ১৩টি টাওয়ারেব

কাজ হয়েছে। তার মানে যদি পাঁচ বছরে এই ১৩টি টাওয়ারের কাজ হয় তাহলে এই প্রজেক্ট শেষ

করতে কতদিন লাগবে আপনারা চিন্তা করুন। এই প্রজেক্টের সময়সীমা ছিল আড়াই বছর। মেক্সিমাম ধরলাম তিন বছর লাগবে। কিন্তু সেটা শেষ করতে যদি ১৫ ,২০ বছর লাগে তাহলে আমাদের করিমগঞ্জের কি অবস্থা হবে। অধক্ষ্য মহোদয়, আমাদের করিমগঞ্জের পিক - আওারসে আমরা নির্ভর করি পাঁচগ্রামের ৩২ কে ভি লাইন।সেই লাইনের উপর নির্ভরশীল।সেই লাইনে বর্তমানে ১৫ মেঘাওয়াটের উপর বিদ্যুৎ সংগ্রহ করতে পারি নি। কিন্তু পিক -আওয়ারসে আমাদের ২২, ২৩ ওয়াট বিদ্যুৎ লাগে। ইতিমধ্যে ২০ থেকে ২৫ হাজার নতুন লাইন দেওয়া হয়েছে। কিন্তু যদি ৭ ওয়াট বিদ্যুৎ লেপ্সসে থাকে তাহলে ১৫ মেঘাওয়াট বিদ্যুতের ঘাটতি আমরা কিভাবে পূরণ করব। আগে হয়তো আমাদের দুই ঘন্টা লোডসেডিং থাকত। এখন পাঁচ ঘন্টা লোডসেডিং থাকবে। আমাদের মূখ্যমন্ত্রী বলেছেন ডিজিটেল-ইণ্ডিয়া, কিন্তু বিদ্যুৎ ই যদি না থাকে তবে কোথা থেকে ডিজিটেল ইণ্ডিয়ার কথা চিন্তা করব। আমি অধ্যক্ষ মহোদয়ের দৃষ্টি আকর্ষন করছি এবং আমি দুটি suggestion দিচ্ছি। প্রথমটা হল, পাঁচগ্রাম টু করিমগঞ্জ লাইনটি পাহাড়ের উপর দিয়ে টানা হয়েছে। সামান্য বৃষ্টিতে দুই দিন বিদ্যুৎ থাকে না। তাই আমি বলব যতদিন পর্যন্ত ১৩২ ওয়াট সাবস্টেসন না হয় ততদিন পর্যন্ত এনএইচ র পাশে দিয়ে যদি আমরা আরেকটি লাইন টানতে পারি তাহলে অন্তত ইদানিং কালে আমাদের সমস্যা সমাধান হবে। দ্বিতীয় হচ্ছে দুর্লভছড়া থেকে করিমগঞ্জ অবধি যে ৩৩ কেভি লাইন আছে সেই লাইনটাকে স্ট্রেংদেনিং করে কিছু বিদ্যুৎ যদি আমরা করিমগঞ্জে নিতে পারি তাহলেও কিছুটা আমাদের সমস্যার সমাধান হবে। যদি এই সমস্যাগুলির সমাধান করতে না পারি তাহলে সামনের বর্ষার সিজেন আমাদের করিমগঞ্জ বাসি কিন্তু থাকতে পারবে না। সেটা একটা গুরুত্বপূর্ণ বিষয়। আমি মন্ত্রী মহোদয়ের কাছে ফাইনেলি দৃষ্টি আকর্ষন করলাম। যদি এই সমস্যার সমাধান না হয় তাহলে করিমগঞ্জবাসী আমরা অসমে থেকেও আমাদের কিন্তু স্বাধীনতা থাকবেনা। আপনার কাছে অনুরোধ থাকল যে আপনি আসুন এসে আমাদের এই সমস্যার সমাধান করে যান।

Hon'ble Speaker : Minister please.

**শ্ৰী তপন গগৈ, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ শূন্যকালীন ঘন্টাত কমলাক্ষ্য দে পুৰকায়স্থই "টাওয়ারের দাবি অনিশ্চয়তা করিমগঞ্জে ১২৩ কেভি সাবস্টেসন"। যিটো বিষয় উত্থাপন কৰিছে সেই সৰ্দভত সদনৰ মজিয়াত গোটেই কথাখিনি ক'ব বিচাৰিছো। যিটো Sub Station ৰ কাৰণে এই ব্যৱস্থাটো কৰা হৈছিল, সকলোৰে জানে যে এইটো ২০১৩ চনতে tender কৰা হৈছিল। ২০১৪ চনৰ 1st July ত এইটো aware কৰিছো আৰু ১৮ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ কথা আছিল। এইটো ২০১৬ চনতে সম্পূৰ্ণ হ'ব লাগিছিল। কিন্তু এইটো সম্পূৰ্ণ কৰিবলৈ যাওঁতে আমি কিছুমান সমস্যাৰ সন্মুখীন হৈছিলো। ইয়াৰ ৮০ টা tower এতিয়াও সম্পূৰ্ণ হ'বলৈ বাকী আছে। ECI Hyderabad ক আমি এই কামটো কৰিবলৈ দিছিলো। এতিয়া এই problem টো solve হৈছে। তাৰ পিছত আমি ECI ক অনুৰোধ জনাইছো যাতে কামখিনি সোনকালে সম্পূৰ্ণ কৰিব পাৰে। কিন্তু তেখেতসকলে এই কামখিনি নকৰো বুলি আমাক জনোৱাৰ পাছত ২৯-০১-২০১৮ ত আমি এই Company টোক terminate কৰিলো।

আৰু এই Tower ৰ কাম সম্পূৰ্ণ হোৱাৰ পাছতেই আমি ইয়াৰ সম্পুৰ্ণৰূপে কামখিনি আগবঢ়াব পাৰিম। গতিকে আমি Tower ৰ কাৰণে পুনৰবাৰ re-tender কৰিছো, ২০১৮ চনৰ অক্টোবৰ মাহত। বাকী কামখিনি ৩ বাৰ tender দিয়াৰ পাছত কোনেও participate নকৰিলে, আমি আকৌ explanation কৰিলো, তাৰ পিছতো নকৰিলে। সেই কাৰনে আমি fresh tender

কৰিছো ২০ জানুৱাৰীত। February মাহত এই tender আমাৰ complete হ'ব। complete হ'লে আমি aware কৰি দিম আৰু আমি আশা ৰাখিছো, ইয়াৰ পাছতেই এই কামখিনি আমি অতি খৰতকীয়া ভাবে কৰিব পাৰিম, কিন্তু তাৰ লগে লগে যিটো কথা কোৱা হৈছে যে পঞ্চগ্ৰামৰ পৰা কৰিমগঞ্জলৈকে যিটো লাইনৰ কথা কোৱা হৈছিল, তাত আমাৰ capacity আছে ১৪ মেগাৱট আজিৰ তাৰিখত কিন্তু আমাক লাগে ১৮ মেগাৱট। কিন্তু আমাৰ সৌভাগ্য আঁচনিৰ কাম চলি আছে, সেই কামখিনি সম্পুৰ্ন হ'লে আৰু ৬-৭ মেগাৱট আমাৰ প্ৰয়োজন হ'ব। এই লাইনত এতিয়া আমি ১৪ তকৈ বেছিকৈ দিব পৰা নাই। সেই কাৰণে আমাৰ কিছু অসুবিধা হৈ আছে। সেই কাৰণে আমি এই লাইনটো up-grade কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। এইটো up-grade কৰাৰ পাছত আমি যেনেধৰণে তাত প্ৰয়োজন হয়, আমি সেইখিনি দিবৰ কাৰণে সক্ষম হ'ম। মই Assembly শেষ হোৱাৰ পাছত নিজে তালৈ যাম আৰু গোটেই বস্তুটো এবাৰ ভালকৈ চাম।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, সদস্য ঃ-** আমি মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিছাৰিছো, যে এই tower ৰৰ যিটো কাম, আমি কৰিমগঞ্জবাসী ইমান ভুক্তভোগী যে এই tower ৰ কামটো কেতিয়া হ'ব? মন্ত্ৰীয়ে জনালে ভাল হয়।

**শ্ৰীতপন কুমাৰ গগৈ, মন্ত্ৰী ঃ-** আমি খুব খৰতকীয়াভাৱে কৰিম কাৰণ আমি কৈছোৱেই যে ২০ জানুৱাৰীত আমি last tender কৰিছিলো, আৰু February মাহৰ ভিতৰত যি সকলে tender ত participate কৰিছে। তেওঁলোকক আমি aware কৰি দিম। খুব খৰতকীয়াভাৱে কামখিনি কৰি সম্পুৰ্ণ কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ-** মই এতিয়া Question No.2, মাননীয় সদস্য মামোন ইমদাদুল হক চৌধুৰী, আপোনাক ৫৪ ৰ নটিচৰ কথাখিনি কবলৈ কৈছো।

**শ্ৰীমামুন ইমদাদুল হক চৌধুৰী,সদস্য ঃ-** Rules of Procedure and Conduct of bussiness of Assam Legislative Assembly ৰ Rule 54 ৰ "কেন্দ্ৰীয় চৰকাৰে আজিও নিদিলে ১৭৯ কোটি টকা, বানত ক্ষতিগ্ৰস্থ ৩ লক্ষ্য হেক্টৰ" এই বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ কৰিবলৈ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। বাতৰিটো ওলাইছিল অসমবাণী ত ১১ জানুৱাৰী ২০১৯ ত। যোৱা বছৰ ২০১৮চনত বানপানীত আমাৰ যি ক্ষতি হ'ল, তাৰ ক্ষতিপুৰণ হিচাপে, চৰকাৰে ১৭৯ কোটি টকা দিম বুলি কৈছিল। এক বছৰ উকলি যাওঁ যাওঁ হ'ল, চৰকাৰে এক পইচাও নিদিলে। আমাৰ অসমত ৮০% মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষি কাৰ্য্যত জড়িত এই মানুহখিনিক জীৱন নিৰ্বাহ অকল কৃষিৰ ওপৰত ভিত্তি কৰি কৰে। যোৱা বছৰ বানত ৩.৮ লাখ হেক্টৰ কৃষিভূমি বিনষ্ট হৈছিল। এইটো ছাৰ বহুত ডাঙৰ figure য'ত অসমৰ ৮০% মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল, তাত ৩.৮ লাখ হেক্টৰ কৃষিভূমি যোৱা বছৰ বানপানীত বিনষ্ট হৈছে, ক্ষতিগ্ৰস্থ হৈছে। ৭খন জিলাৰ ৬৬১৫ হেক্টৰ কৃষিভূমি বালিত পোত গৈছে। এই ৬৬১৫ হেক্টৰ কৃষিভূমি বালিত পোত যোৱাৰ কাৰণে ইয়াত আৰু খেতি নহয়। তাৰমানে খেতিৰ মাটি আমাৰ নষ্ট হৈছে। ৬.২ লাখ কৃষক পৰিয়াল ক্ষতিগ্ৰস্থ হৈছে। এই যে ৩.৮ লাখ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্থ হৈছে, তাত পৰিয়ালৰ ক্ষতি হৈছে ৬.২ লাখ । ১.৭ লাখ হেক্টৰ শালি ধানৰ খেতি নষ্ট হৈছে। কৃষি বিভাগৰ এটা নিয়ম আছে যে ১ বিঘা খেতিৰ মাটি নষ্ট হলে চৰকাৰে কিমান টকা ক্ষতিপুৰণ দিয়ে। তাত চৰকাৰে নিৰ্ধাৰণ কৰিছিল ৯০২ টকা বিঘাই প্ৰতি। এক বিঘা মাটি যদি বানপানীত ক্ষতিগ্ৰস্থ হয় তেতিয়া খেতিয়কজনে ৯০২ টকা পাব আৰু ঘৰ যদি কেতিয়াবা ভাঙে আংশিকভাৱে তেতিয়া ৩০০০ টকা

পাব আৰু যদি সম্পূৰ্ণৰূপে ঘৰটো বানপানীত বিধস্ত হৈ যায়, তেতিয়া ৯৭০০০ টকা পাব।

**(माननीय सভাপতি মহোদয় অধ্যক্ষৰ আসনত উপবিষ্ট)**

এই যে চৰকাৰে নিৰ্ধাৰণ কৰিছিলে, বিঘাই প্ৰতি টকা আৰু ঘৰে প্ৰতি টকা, আজিলৈকে কিন্তু চৰকাৰে এক টকাও নিদিলে। ইয়াত ছাৰ বাতৰিটোত আৰু এটা কথা ওলাইছে, মাননীয় প্ৰধান মন্ত্ৰীয়ে ২০০০ কোটি টকা মানৱ ক্ষতিগ্ৰস্তৰ ক্ষতিপূৰণ হিচাপে দিম বুলি ঘোষণা কৰিছিল, এই টকা হেনো চৰকাৰে এতিয়ালৈকে পোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ে যিহেতুকে আছে নিশ্চয় তেখেতে reply ত এই কথাটো clear কৰিব যে তাৰ কাৰণেই নেকি এই ১৯৭ কোটি টকা চৰকাৰে দিবলৈ সক্ষম হোৱা নাই। মাননীয় সভাপতি মহোদয়, মই বক্তব্য শেষ কৰাৰ আগতে ১-২ মিনিট এটা কথা কব বিচাৰিছো যে বানপানীত যে আমাৰ ক্ষতি হয়, বানপানী হয় কিয়? এই কথাটো আমি খুব deeply ভাবিব লাগিব। আজি বহুত বছৰৰ পৰা এইটো দেখা গৈছে অসমৰ বহুত Political, Social সংগঠনে বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে চিহ্নিত কৰিব লাগে বুলি দিল্লীত গ'ল, কিমান এমেণ্ডমেন্ট দিলে, কিন্তু problem টো solve নহ'ল। কাৰণটো কি? বানপানী হয় কিয়? বানপানীটো হ'ল natural calamity এইটো আমি পুংখানুপুংখভাৱে অধ্যয়ণ কৰিব লাগে। তাকে নকৰি আমাৰ এটা mindset হৈ গ'ল যে নদীৰ দুয়োকাষে যদি আমি মথাউৰি বান্ধি দিওঁ বানপানীৰ problem টো solve হৈ যাব। completly ভুল। এইটো ভালকৈ study কৰিব লাগে। নদীৰ যিটো riverine character, নদীৰ চাৰিত্ৰিক বৈশিষ্ট্যটো যেতিয়ালৈকে আমি অধ্যয়ণ নকৰো, আৰু প্ৰত্যেকখন নদীৰ চাৰিত্ৰিক বৈশিষ্ট্য বেলেগ বেলেগ। ব্ৰহ্মপুত্ৰৰ উপনৈ বিলাকৰ লগত নিমিলিব। কিন্তু আমি as a whole আমি mindset বনাই লৈছো যে বানপানী হৈছে, মথাউৰি বান্ধি দিয়ক problem solve হৈ যাব। আজি মথাউৰি বন্ধাৰ পাছত 20/30/40 বছৰ পাছত এই নদীখন ওখ হৈ যায়, তেতিয়া নদীয়ে পানীৰ লোড লব নোৱাৰে, মথাউৰিয়ে পানীৰ লোড লব নোৱাৰে, যাৰ কাৰণে নদী বৈ যায়। এইটো scientifically wrong. এতিয়া মই এজন non-technical মানুহে যদি scientifically wrong. বুলি কওঁ, তেনেহলে নহ'ব। চৰকাৰৰ Department আছে, infrustructure আছে, চৰকাৰে অধ্যয়ণ কৰিব লাগে যে বানপানী সমস্যাৰ স্থায়ী সমাধান কেনেকৈ কৰিব পৰা যায়। মই একেবাৰে সৰু হৈ থাকোতে class - viii-ix ত থাকোতে, প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ ছাৰৰ এটা article মই পঢ়িছিলো, বানপানীৰ ওপৰত। তাত তেখেতে এই মথাউৰিৰ বিৰুদ্ধে স্পষ্টভাৱে উল্লেখ কৰিছে। অসমৰ মিচিং জনগোষ্ঠী সকলে নদীৰ দুয়োকাষে বসবাস কৰে। এই সকলৰ চাব বানপানীত ক্ষতি নহয়। কাৰণ তেওঁলোকৰ যিটো Living standard, living style.ঘৰ বনোৱাৰ যি কৌশল সেইটো বানপানীয়ে ক্ষতি কৰিব নোৱাৰে। তাত প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই adjustment ৰ কথা কৈছে। মই আজিৰ তাৰিখত adjustment ৰ কথা নকওঁ। বানপানীৰ লগত adjust কৰাৰ কথা মই কব বিছৰা নাই। মই কব বিচাৰিছো যে বানপানী হয়, হৈ থাকিব। আৰু প্ৰত্যেক বছৰে চৰকাৰে relief ৰ নামত পইচা দিব, মথাউৰি বনাব আকৌ নদী উপনদীয়ে উটুৱাই লৈ যাব, মথাউৰি ভাঙিব। এইটো কিন্তু technically ঠিক নহয়। নদীৰ চাৰিত্ৰিক বৈশিষ্ট্য, কি থাকিব পাৰে? এইটো ছাৰ এটা ডাঙৰ science আমাৰ যি সকলে engineer পঢ়ে water resourch department ত যি সকল engineer কৰ্মৰত, তেওঁলোকৰ নদীৰ charecter ৰ ওপৰত training হ'ব লাগে। engineering course ৰ লগতে তাত এইটো এটা course থাকিব লাগে নদীৰ Character ৰ ওপৰত।

**( উপবিষ্ট সভাপতি শ্ৰীমাজেন্দ্ৰ নাৰ্জাৰী)**

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, নাওঁবৈচা ঃ** এখন নদীৰ জলশ্ৰোতৰ পৰিমাণ কিমান বা জলস্বৰৰ কি পৰ্য্যায় থাকে, সোঁতৰ কি পদ্ধতি থাকে ইফালে যায়, নে সিফালে যায়। বহুত নদী আছে একফালে পাৰ. , বহুত নদী আছে দুইফালে পাৰ, বহুত নদী আছে বালিলৈ যায, বহুত নদী আছে পলস পেলাই। পদ্ধতি বেলেগ বেলেগ। বৰষুণৰ পৰিমাণ যেতিয়া বাঢ়ে, তেতিয়া বিভিন্ন নদীয়ে বিভিন্ন প্ৰকৃতি ধাৰণ কৰে। সকলো একেই ধৰণৰ নহয়। গতিকে বিভিন্ন চৰিত্ৰ পুংখানুপুংখভাৱে অধ্যয়ণ কৰিলেহে আমাৰ এই সমস্যাবিলাক সমাধান হ'ব। কেতিয়াও এইবিলাক বাতৰি পৰিৱেশন নহয়। তাৰ কাৰণে চৰকাৰখনক মোৰ মাত্ৰ দুটা অনুৰোধ থাকিল। National Hydrology Project ৰ অধীনত Assam Water Resource And Management Institute Of Society বুলি এটা অনুষ্ঠান আছে চৰকাৰৰ। ইয়াৰ জৰিয়তে চৰকাৰখনৰ এই বিভাগটোৱে নদী সমূহৰ Mathematical Model গণিতীয় আৰ্ট, এইটো এটা ডাঙৰ চাইঞ্চ, এই খিনিতো কোৰা নাই। আজিলৈকে এই বিভাগৰ character বিজ্ঞানসন্মতভাৱে ধৰা পৰা নাই। এইবিলাক সকলো সমস্যা হৈ আছে। গতিকে নদীবিলাকৰ Mathematical model পুংখানুপুংখভাৱে অধ্যয়ণ কৰিব লাগে। মই শব্দটো আকৌ আওৰাই দিছো Mathematical model. এইটো পিয়োৰলি চাইঞ্চৰ অধীনত। এইটো কিন্তু কোৰা হোৱা নাই। তাৰ পাছত মোৰ দ্বিতীয় পৰামৰ্শটো থাকিল প্ৰতিটো বৃহৎ নদী, সৰু নদী চৰকাৰে কৰিব নোৱাৰে তেতিয়া ডাঙৰ উপনদী আছে, নদী আছে সেই নদীবিলাকত elementary instrument যদি সংস্থাপন কৰে, তাৰ পৰা বান সমস্যা সমাধানত বহুত সহায় হ'ব। গতিকে এই যিটো সমস্যাৰ কথাত চৰকাৰখনে এতিয়ালৈকে ১৭৯ কোটি টকা নিদিলে এক নম্বৰ। দ্বিতীয়তে, বানপানীৰ সমস্যাটোৰ স্থায়ী ভাৱে সমাধানৰ কাৰণে চৰকাৰখনে যাতে divine character অধ্যয়ণ কৰাৰ এটা পদ্ধতি বনাই চৰকাৰৰ প্ৰতি অনুৰোধ ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**শ্ৰী মাজেন্দ্ৰ নাৰ্জাৰী, (সভাপতি) ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী ভৱেশ কলিতা, মাননীয় মন্ত্ৰী ঃ** সন্মানীয় সভাপতি মহোদয়, শ্ৰীমামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়াই নিয়মাৱলী ৫৪ৰ অধীনত যোৱা ১১ জানুৱাৰী, ২০১৯ তাৰিখে " অসম বাণী " বাতৰি কাকতত প্ৰকাশিত বিষয়বস্তু উত্থাপন কৰিছে। তেখেতে কৈছে যে, বানপানীৰ সমস্যাৰ স্থায়ী সমাধান হব লাগে, ইয়াৰ ওপৰত গৱেষণা হ'ব লাগে। আমিও সকলো অৱগত যে আমাৰ দেশৰ সন্মানীয় প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়াই কৈছে যে, অসমৰ যি বানপানীৰ সমস্যা আছে, ইয়াৰ এটা দীঘলীয়া গৱেষণাৰ প্ৰয়োজন আছে। ইয়াৰ কাৰণে সন্মানীয় প্ৰধান মন্ত্ৰীয়ে ইয়াৰ বাবে যিখিনি টকা লাগে, সেইখিনি দিয়াৰ কাৰণেও অসমত আহি তেখেতে এইটো ঘোষণা কৰি থৈ গৈছে। আৰু তেখেতে যিটো আনিছে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৫৪ নং বিধি অনুসৰি যোৱা ১১ জানুৱাৰী, ২০১৯ তাৰিখে " অসম বাণী" বাতৰি কাকতত প্ৰকাশিত "কেন্দ্ৰীয় চৰকাৰে আজিও নিদিলে ১৭৯ কোটি " বাতৰিটোৰ উদ্ধৃতি দি উত্থাপন কৰা জাননীৰ এই ক্ষেত্ৰত আমি এটা ৰাজহ বিভাগৰ পৰা তেখেতৰ জ্ঞাতাৰ্থে টোকা প্ৰস্তুত কৰিছো। বাতৰি কাকতত প্ৰকাশ পোৱা ধৰণে পূৰ্ব প্ৰতিশ্ৰুতি অনুসৰি ১৭৯ কোটি টকাৰ কোনো বকেয়া ধন কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগে পাবলৈ বাকী নাই। কিয়নো চতুৰ্দশ বিত্ত আয়োগে নিৰূপণ কৰি দিয়া " ৰাজ্যিক দুৰ্য্যোগ সহাঁৰি পুঁজি "ৰ সমস্ত ধন এতিয়ালৈকে ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগে কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগে

কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে নিৰূপণ কৰি দিয়া “ ৰাজ্যিক দূৰ্য্যোগ সহাঁৰি পূঁজি” ৰ নিয়মাৱলীত সন্নিবিষ্ট নিৰিখৰ আধাৰত প্ৰাকৃতিক দূৰ্য্যোগত ক্ষতিগ্ৰস্ত হোৱা ৰাজ্যখনৰ লোকক তাৎক্ষণিক সকাহ দিয়াৰ বাবে পাৰিতোষিক সাহাৰ্য্য, পুনৰ সংস্থাপনৰ অনুদান, দূৰ্য্যোগত মৃত্যু হোৱা লোকৰ নিকত আত্মীয়লৈ এককালিন সাহাৰ্য্য যদি এচগেচিয়া হয়, দূৰ্য্যোগত ক্ষতিগ্ৰস্ত বিভিন্ন খণ্ডলৈ দূৰ্য্যোগৰ মাত্ৰা আৰু ধৰণ অনুসৰি বিত্তীয় সাহাৰ্য্য প্ৰদান আৰু দূৰ্য্যোগত ক্ষতিগ্ৰস্ত হোৱা আন্তঃগাথনিৰ তাৎক্ষণিক মেৰামতিৰ বাবে প্ৰশাসনীয় অনুদান অথবা ধন মঞ্জুৰী দিয়ে। বাতৰিত প্ৰকাশ পোৱা ধৰণে বানপানীত ক্ষতিগ্ৰস্ত কৃষকক প্ৰতিবিঘা ভূমিৰ বাবদ ৯০২ টকাকৈ প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ প্ৰশ্নই নুঠে, কিয়নো, এনেকুৱা নিৰিখ দুৰ্য্যোগ সহাঁৰি পূঁজিৰ সংশোধিত নিয়মাৱলীত কতো উল্লেখ নাই। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে নিৰূপণ কৰি দিয়া “ ৰাজ্যিক দূৰ্য্যোগ সহাঁৰি পূঁজি” ৰ সংশোধিত নিয়মাৱলীৰ ৫ নং দফাত প্ৰাকৃতিক দুৰ্য্যোগত ক্ষতিগ্ৰস্থ কৃষি খণ্ডলৈ দিব পৰা সাহাৰ্য্য নিৰিখসহ বিতং তথ্য সম্বলিত কৰা আছে। সেই নিৰিখৰ আধাৰত সংশিষ্ট বিভাগে উপায়ুক্তৰ যোগেদি দূৰ্য্যোগ সঁহাৰি পূঁজিৰ নিয়মাৱলীয়ে সামৰি লোৱা নিৰ্দিষ্ট প্ৰস্তাৱ ৰাজহ বিভাগত দাখিল কৰিলে, ৰাজ্যিক কাৰ্য্যকৰী সমিতিৰ অনুমোদন সাপেক্ষে “ ৰাজহ আৰু দূৰ্য্যোগ ব্যৱস্থাপনা বিভাগে সাহাৰ্য্য প্ৰদানৰ দিশত ইতিবাচক পদক্ষেপ গ্ৰহণ কৰে। ৰাজ্যিক দূৰ্য্যোগ সহাঁৰি পূঁজিৰ সংশোধিত নিয়মাৱলী অনুসৰি প্ৰাকৃতিক দূৰ্য্যোগত ক্ষতিগ্ৰস্ত হোৱা কৃষিখণ্ডক তাৎক্ষণিক সকাহ দিয়াৰ বাবে নিৰ্ধাৰিত ব্যৱস্থা আছে। এই নিধাৰিত ব্যৱস্থা মই কৈছো।

(ক) ভূমি বা অনান্য ক্ষতিৰ বাবদ ঃ ১) কৃষি ভমিৰ পৰা বালি নিষ্কাষণ

২) পাৰ্বত্য এলেকাৰ কৃষি ভূমিৰ পৰা আৱৰ্জনাৰ নিস্কাষণ প্ৰতি হেক্টৰত -১২,২০০ টকা।

৩) ভূমি স্খলন, হিমবাহ বা নদীৰ গতিপথ সলনিৰ বাবে হোৱা কৃষিভূমি ক্ষতিৰ বাবদ -প্ৰতি হেক্টৰত ৩৭,৫০০ টকা।

(খ) সা-সজুলি সাহাৰ্য্যৰ বাবদ (শস্যৰ ক্ষয়-ক্ষতিৰ পৰিমাণ ৩৩% ৰ অধিক হলে)।

১) কৃষি শস্য, উদ্যান শস্য আৰু বাৰ্ষিক ৰূপন শস্য-প্ৰতি হেক্টৰ ৬,৮০০/- (বৰষুণ নিৰ্ভৰশীলকৃষি) প্ৰতি হেক্টৰ ১৩,৫০০/-(জলসিঞ্চন নিৰ্ভৰশীল কৃষি)

২) বাৰ্ষিক শস্য- প্ৰতি হেক্টৰ ১৮,০০০/-

৩) ৰেচম-প্ৰতি হেক্টৰ ৪,৮০০/- ( এড়ি, মালবেৰি, কেচেৰু)
প্ৰতি হেক্টৰ ৬,০০০/- ( মুগা)

“ ৰাজ্যিক দূৰ্য্যোগ সহাঁৰি পূঁজি” ৰ সংশোধিত নিয়মাৱলী অনুসৰি ৯ নং দফাত প্ৰাকৃতিক দুৰ্য্যোগত ক্ষতিগ্ৰস্ত হোৱা গৃহৰ স্বত্বাধিকাৰীক পুনৰ সংস্থাপন অনুদান প্ৰদানৰ নিৰিখ ধাৰ্য্য কৰা আছে। এই নিৰিখৰ আধাৰত বিভাগে সাহাৰ্য্য প্ৰদান কৰি আহিছে। নিৰিখ সমূহ হ’ল ঃ ক) সমতল অঞ্চলত- সম্পূৰ্ণভাৱে ক্ষতিগ্ৰস্থ হোৱা পকা অথবা কেঁচা ঘৰ প্ৰতিটোৰ বাবদ ৯৫,১০০/- টকা

খ) পাৰ্বত্য অঞ্চলৰ বিস্তৰ ভাৱে ক্ষতিগ্ৰস্থ পকা অথবা কেঁচা ঘৰৰ প্ৰতিটোৰ বাবদ-১,০১,৯০০/- টকা

গ) আংশিকভাৱে ক্ষতিগ্ৰস্ত পকা ঘৰ প্ৰতিটোৰ বাবদ- ৫,২০০/- টকা

ঘ) আংশিকভাৱে ক্ষতিগ্ৰস্ত কেঁচা ঘৰ প্ৰতিটোৰ বাবদ- ৩,২০০/- টকা

ঙ) জুপুৰী ঘৰ প্ৰতিটোৰ বাবদ- ৪,১০০/- টকা

চ) থকা ঘৰৰ সতে সংলগ্ন গোঁহালি প্ৰতিটোৰ বাবদ- ২,১০০/- টকা

এই সন্দৰ্ভত বাতৰি কাকতত প্ৰকাশ পোৱা ধৰণে চৰকাৰী পক্ষৰ পৰা আংশিকভাৱে ক্ষতিগ্ৰস্থ বাসগৃহৰ বিপৰীতে ৩০০০/- টকা আৰু সম্পূৰ্ণ ক্ষতিগ্ৰস্থৰ বিপৰীতে ৯৭,০০০/- টকা সাহাৰ্য্য প্ৰদানৰ ঘোষণা কৰাৰ প্ৰশ্নই নুঠে। এই সাহাৰ্য্য প্ৰদানৰ ক্ষেত্ৰত মাননীয় প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰা ২০০০ কোটি টকাৰ লগত কোনো সম্পৰ্ক নাই।

মাননীয় বিধায়ক ডাঙৰীয়া, আমাৰ যিটো ৰুল আছে, ৰুলত সদৰি কৰিছো আৰু যিটো ধৰণে বাতৰিটোত উল্লেখিত আছে, সেইটো পঢ়ি চাইছো। তাৰ লগত আমাৰ বিভাগৰ যি ৰুল আছে এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত তাৰতম্যৰ পাৰ্থক্য দেখিবলৈ সক্ষম হৈছো। আপোনালোকক গোটেইখিনি কথা অৱগত কৰিলো আৰু তাৰোপৰি যদি জানিব বিচাৰে আমাক দিব। ধন্যবাদ।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, নাওঁবৈচা ঃ** পেপাৰত যিখিনি ওলাইছে, মই সেইখিনিহে কৈছো। মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে, বানপানীক লৈ ইতিমধ্যে বহুত ক্ষতিগ্ৰস্ত হৈছে। গতিকে আপোনালোকে এটা পদ্ধতি বনাওক। এটা system create কৰক how to solve this problem. কমপেনচেশ্যন কিমান দিন দিব ? এবছৰ, দুবছৰ দহবছৰ দিব। গতিকে বানপানী এটা Natural Calamities. তাক জোৰ কৰি ৰখাব নোৱাৰি। নদীকেইখনক বৰ্তমান জোৰ জবৰদস্তি কৰি ৰখোৱাৰ প্ৰক্ৰিয়া চলি আছে। গতিকে আপোনালোকে technical মানুহৰ লগত বহি বিভাগীয়ভাৱে এটা পদ্ধতি বনাওক নহ'লে দেখা যাব যে, বানপানীয়ে ক্ষতি কৰিবই। এইটো মোৰ অনুৰোধ থাকিল। এইটো উত্তৰ মই আপোনাৰ পৰা পোৱা নাই।

**শ্ৰী ভৰেশ কলিতা, মাননীয় মন্ত্ৰী ঃ** সভাপতি মহোদয়, সন্মানীয় বিধায়ক গৰাকীৰ জ্ঞাতাৰ্থে জনাও যে, বান নিয়ন্ত্ৰণৰ এটা বেলেগ বিভাগ আছে। জলসম্পদ বিভাগ আছে। তেওঁলোকে নিৰীক্ষণ কৰিছে। আমি সকলোৱে জানো যে, বানপানী এটা প্ৰাকৃতিক দূৰ্য্যোগ। এই দূৰ্য্যোগৰ পৰা আমি পৰিত্ৰাণ পাব লাগিব। এইটো এটা sensetive matter আৰু বান নিয়ন্ত্ৰণৰ যিটো channel cutting ৰ কথা কৈছে যে নদীৰ গতি সলনি হয়, ইয়াৰ ওপৰত এটা ষ্টাডি হ'ব লাগে, প্ৰশিক্ষণ দিব লাগে। এইটো আমাৰ ৰাজহ বিভাগৰ বিষয়বস্তু নহয়। বাতৰি কাকতত আহিছে যে নিৰ্ধাৰিত তাৰিখত সংবাদমেল পাতিছে আৰু বাতৰিত যিটো প্ৰকাশ হৈছিলে, সেই বাতৰিটোৰ আধাৰত মই অৱগত কৰিলো। ধন্যবাদ।

**শ্ৰী মাজেন্দ্ৰ নাৰ্জাৰী, সভাপতি ঃ** এতিয়া কাৰ্য্যসূচী নং ৩। এতিয়া মাননীয়া সদস্যা শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী ৩০১ Special Motion ৰ নিয়মৰ অধীনত ২০১৮ চনৰ ২৭ ডিচেম্বৰ তাৰিখৰ 'দৈনিক জনমভূমি' কাকতত প্ৰকাশিত বেলতলাত পুনৰ সক্ৰিয় কয়লা চিণ্ডিকেট শীৰ্ষক বাতৰিটোৰ সন্দৰ্ভত বিত্তীয় মন্ত্ৰী মহোদয়ক আকৰ্ষণ কৰিলো।

**শ্ৰী অজন্তা নেওঁগ, গোলাঘাট ঃ** সভাপতি মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী ৩০১ বেলতলাত পূণৰ সক্ৰিয়া কয়লা চিণ্ডিকেট এই গুৰুত্বপূৰ্ণ বিষয়টো বিভাগীয় মন্ত্ৰীক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সভাপতি মহোদয়, আমি বাতৰি কাকত বিলাক যদি চাওঁ, তেতিয়াহ'লে বৰ্তমান সময়ত দুটা বিষয়বস্তুৱে প্ৰাধান্য লাভ কৰি আহিছে। প্ৰথমতে হৈছে, নাগৰিকত্ব সংশোধনী বিধেয়ক আৰু দ্বিতীয়তে হৈছে কয়লা চিণ্ডিকেট। আজি এই বিষয়টোৱে আমাৰ ৰাজ্যখনত সকলোকে চুই গৈছে। চিণ্ডিকেট মানে কি ? ইয়াৰ অৰ্থটো জানিবৰ কাৰণে মই অভিধান খুলিছিলো আৰু তাত পালো যে, চিণ্ডিকেট মানে হৈছে A group of people com-

bining to achive the common interest.

চিণ্ডিকেট মানে হৈছে a group of people combining to achieve the common interest. এতিয়া common interest মানে কি? ইয়াৰ অৰ্থ হৈছে সভাপতি মহোদয়, অবৈধ ধন সংগ্ৰহ। আমি একপ্ৰকাৰে organised group বুলি আমি ক'ব পাৰো। এই চিণ্ডিকেটৰ লগত এটা চক্ৰ জড়িত হৈ থাকে । ইয়াত যিটো কয়লাৰ কথা কোৱা হৈছে উদাহৰণস্বৰূপে এই কয়লাখিনি মেঘালয়ৰ বৰ্ণিহাটৰ পৰা যোগীঘোপালৈ ট্ৰাকেৰে সৰবৰাহ কৰে। এই চক্ৰটোৱে অকলে এই কামখিনি কৰিব নোৱাৰে ইয়াৰ লগত বহু বিভাগ জড়িত হৈ থাকে। ইয়াৰ লগত আৰক্ষী বিভাগ জড়িত হৈ থাকে , বিক্ৰী কৰ বিভাগ জড়িত হৈ থাকে , পৰিবহণ বিভাগ জড়িত হৈ থাকে । এই বিভাগবিলাকৰ নাকৰ তলেৰে এই কামবিলাক কৰি আছে। এতিয়া প্ৰশ্ন হৈছে এই চক্ৰটোৱে অকলে এই কামবিলাক পৰিচালনা কৰিছে নেকি? নিশ্চয় কাৰোবাৰ আৰ্শীবাদ থাকিব লাগিব। অভিযোগমতে ১৮ চকীয়া ট্ৰাকেৰে তেওঁলোকে কয়লা যোগীঘোপালৈ লৈ যায় আৰু তাৰ পৰা ট্ৰেইনেৰে বহিঃৰাজ্যলৈ যায়। এতিয়া অভিযোগমতে প্ৰতিখন ট্ৰাকৰ পৰা আৰক্ষীয়ে ১ লাখকৈ টকা দাবী কৰে। যদি আমি ভাবো দৈনিক ২০ ট্ৰাক গৈছে তেতিয়াহ'লে প্ৰায় ২০ লাখ টকা আৰক্ষীয়ে সংগ্ৰহ কৰে। লগতে কোৱা হৈছে ইয়াৰ বাবে তেওঁলোকে ভূৱা চালান আৰু ভূৱা G S T দিয়ে। এতিয়া এই অভিযোগৰ সত্যতা নিৰূপনৰ দায়িত্ব বিক্ৰীকৰ বিভাগৰ আছে। কিন্তু বিক্ৰীকৰ বিভাগে তেওঁলোকৰ টেকনিকেল অসুবিধাৰ কাৰণে তেওঁলোকে এই বিলাক চাবৰ বাবে অক্ষম। পৰিবহন বিভাগ আছে তেওঁলোকৰ মুখৰ আগেৰে কয়লা স ৰবৰাহ হৈ আছে । ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে যে কৰ ফাঁকি দিয়া । এটা বৃহৎ পৰিমাণৰ কৰ ফাঁকি এই চক্ৰটোৱে কৰিছে। কোটি কোটে টকা আত্মসাৎ কৰিছে। এতিয়া বাতৰি কাকতত আমি দেখিছো উপাধ্যক্ষ মহোদয় যে, ইয়াত জড়িত বুলি কেতিয়াবা ৰাজনৈতিক নেতাসকলৰ নাম দিয়ে। আমাৰ মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠসকলৰ নাম দিয়ে। মোৰ হাতত প্ৰমান নাই কিন্তু মই কথাখিনিহে কৈছো। এই কাৰণে কৈছো যে, এইবিলাকে আচলতে চৰকাৰৰ ভাৱমুৰ্ত্তি ম্লান কৰে। গতিকে আমি আশা কৰিম যে চৰকাৰে এই ক্ষেত্ৰত কঠোৰ হওক। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই Zero tolerance ৰ কথা কৈছে। কিন্তু আমি এই ক্ষেত্ৰত কি ব্যৱস্থা তেখেতে লৈছে আমি দেখা নাই। এই খিনি অকল মই কোৱা কথা নহয়। আমাৰ শাসক দলৰ সদস্য মাননীয় দিলীপ পাল ডাঙৰীয়া তেখেতে এতিয়া সদনত নাই। কিন্তু তেখেতে টি ভি কেমেৰাৰ সন্মুখত কোৱা মই শুনিছো। তেখেতে কৈছে যে, বৰাক উপত্যকাত চিণ্ডিকেট হৈছে, কয়লা চিণ্ডিকেট হৈছে। তেখেতে লগতে কৈছে মই frustrated । এচ পিৰ নামত তেখেতে তথ্য সহকাৰে কৈছে যে, এজন পুলিছৰ উচ্চ পদস্থ সদস্য বিষয়া এই কয়লা চিণ্ডিকেটৰ লগত জড়িত হৈ আছে। কিন্তু কথা হ'ল চৰকাৰৰ ফালৰ পৰা কোনো শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা আমি দেখা নাই। মই যোৱা বিধান সভাত মোৰ গোলাঘাট জিলাত আলু চিণ্ডিকেটৰ কথা কৈছিলো। তাত শাসকীয় দলৰ সদস্যসকল তাত জড়িত থকা বা বিভিন্ন ধৰণৰ কথা বাতৰি কাকত বা বিভিন্ন ধৰনৰ উৎসৰ পৰা কৈছিল কিন্তু কোনোধৰনৰ ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। তেওঁলোকে বেইল পালে আৰু যিসকল আৰক্ষী বিষয়াৰ কথা ইয়াত উল্লেখ কৰা হৈছে , কোনো এজন আৰক্ষী বিষয়া শাস্তি পাইছেনেকি? এতিয়া এই অভিযুক্ত বিষয়াসকলৰ শাস্তি হোৱা দুৰৰে কথা এই বিষয়াসকলে ভাল পোষ্ট পাবলৈ সক্ষম হৈছে। এতিয়া এনেকুৱা ধৰণৰ কথা বাৰ্ত্তা বিলাক চলি থাকে যদি সভাপতি মহোদয়, এতিয়া চিণ্ডিকেট ব্যৱস্থাটোৰ ক্ষেত্ৰত অকল কয়লাৰ এটা উদাহৰণ দিছো। আজি ক'ত চিণ্ডিকেট হোৱা নাই অধ্যক্ষ

মহোদয়। আজি গোৱালপাৰাৰ ফালে গৰুৰ চিণ্ডিকেট, তেলৰ চিণ্ডিকেট, কণীৰ চিণ্ডিকেট, মাছৰ চিণ্ডিকেট , চুপাৰীৰ চিণ্ডিকেট- চিণ্ডিকেটৰ গোটেই অসমখন ভৰি পৰিছে। গতিকে আমি ইয়াক এটা ক্ৰাইম বুলি ক'ব পাৰো। এটা সামাজিক অপৰাধ হিচাপে আমি চিহ্নিত কৰিব পাৰো। আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক ব্যৱস্থাত ব্যাঘাত হৈছে। কোটি কোটি টকাৰ ৰাজহ ফাঁকি দিছে। গতিকে মই ভাবো চৰকাৰখনৰ নৈতিক দায়িত্ব নাই নেকি ? চৰকাৰখনৰ নিশ্চয় নৈতিক দায়িত্ব আছে। আজি আপোনালোকে শূন্য সহনশীলতাৰ কথা কৈছে। কিন্তু এনেকুৱা হৈছে নেকি যে, "খেনোক দেখি ৰান্ধে বাঢ়ে, খেনোক দেখি দুৱাৰ মাৰে।" আজি ডাঙৰ ডাঙৰ বিষয়াসকল, ৰৌ-বৰালীসকল সাৰি গৈছে - পুঠি- খলিহনাবিলাক জালত পৰিছে- গতিকে এইটো হ'ব নালাগে। মই আশা কৰিম চৰকাৰে এই ক্ষেত্ৰত এটা কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কঠোৰ শাস্তি দিব লাগে যাতে ভৱিষ্যতে কোনো এজন ব্যক্তি এনেকুৱা চিণ্ডিকেটত জড়িত হৈ ৰাজহ ফাঁকি দিয়াৰ নিচিনা অপৰাধ কৰিব নোৱাৰে। অধ্যক্ষ মহোদয়, পুনৰবাৰ মই অনুৰোধ জনাইছো, এই ক্ষেত্ৰত চৰকাৰে এটা বৃহৎ ব্যৱস্থা গ্ৰহণ কৰক। আৰু মই দাবী জনাইছো এই বিলাক সোনকালে বন্ধ হ'ব লাগে। অসমত এতিয়া চিণ্ডিকেট দিনে দিনে কমক ছাৰি বৃদ্ধিহে হৈ আছে। এতিয়া অসমত কি কি বস্তুৰ ওপৰত চিণ্ডিকেটৰাজ চলি আছে চৰকাৰক আমাৰ ফালৰ পৰা দাবী জনাইছো যে এখন প্ৰতিবেদন দাখিল কৰিব লাগে। আমি অন্ততঃ গম পাম। হৈছে যদি গম পাম, নাই হোৱা যদিও গম পাম। বিগত সময়ছোৱাত এই ক্ষেত্ৰত কিন্তু চৰকাৰৰ কোনোধৰণৰ স্পষ্ট স্থিতি আমি কিন্তু দেখা নাই। কোনোবা বিষয়াক ধৰিছে যদিও আজি গোটেই প্ৰক্ৰিয়াটো স্থ বিৰ হৈ গৈছে। গতিকে সদনত এইকথাখিনি মই পুনৰ আনিছো। চিণ্ডিকেটৰ নিচিনা সামাজিক অপৰাধৰ পৰা ৰাজ্যখন মুক্ত হ'ব লাগে। নহ'লে আমাৰ ৰাজ্যখন সামগ্ৰিকভাবে অৰ্থনৈতিকভাৱে ক্ষতিৰ সন্মূখীন হ'ব। লগতে বিধান সভাৰ সদস্য হিচাপে আমাৰ ভাৱমুৰ্ত্তিত কালিমা আনিব। গতিকে উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো এটা কঠোৰ স্থিতি গ্ৰহণ কৰক। আজি আৰক্ষী বিভাগৰ ওপৰত আঙুলি টোৱাইছে মই এইটো নকওঁ যে ইয়াত আৰক্ষী বিভাগৰ সকলো বিষয়াই জড়িতহৈ আছে। কিন্তু কথা হ'ল এটা গাখীৰ ভৰ্ত্তি বাল্টিত যদি এটোপাল বিষ দিও তেন্তে গোটেই বাল্টিটোৱে কিন্তু বিষময় হৈ পৰে। আশা কৰিছো আমি আৰক্ষী বিভাগটোৰ পৰা কি বিচাৰিছো- যে আমাক সুৰক্ষা দিয়ক, সম্পত্তিৰ সুৰক্ষা দিয়ক, সমাজত শান্তি বেলেন্স কৰি ৰাখক কিন্তু আজি সেইসকলক আৰক্ষীৰ লোকক আঙুলি টোওৱা হৈছে। গতিকে আমি যিটো ৰুল অৱ ল আছে তাৰ ওপৰত মানুহৰ বিশ্বাস কমি গৈছে। গতিকে চৰকাৰে সোনকালে চিণ্ডিকেটৰাজ বন্ধ কৰক আৰু যিসকল বিষয়া এই চিণ্ডিকেটৰাজৰ লগত জড়িত হৈ আছে তেওঁলোকক শাস্তি দিয়াৰ ব্যৱস্থা কৰক। এই কথা কৈ মোৰ বক্তব্য শেষ কৰিছো।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়ে, বাইদেউয়ে ভাষণত বৰাকভেলীৰ কথাটো উল্লেখ কৰিছে তাৰ বিষয়ে এটা কথা উনুকিয়াব খুজিছো। যেতিয়া আমি বৰাক ভেলীত সোমাও তেতিয়া যদিও বস্তবিলাক এতিয়া বৰাকভেলীত ট্ৰেন্সফাৰ কৰা হৈছে - আগতে এনেকুৱা হৈছিল যে কাটিগড়াত ৰখাই- ৮০ হাজাৰ, ৯০ হাজাৰ টকা কালেকশ্যন হয়। এইবিলাক যাতে নহয় উপাধ্যক্ষ মহোদয়, বাইদেউয়ে ঠিকেই কৈছে। বৰাক ভেলীৰ ওৰঙ্গাত যিটো কাঠৰ ইণ্ডাষ্ট্ৰী , চাহৰ বাগান, ইটাৰ ভাটা আছে , লাহে লাহে বন্ধ হৈ যাব। এইটো কাৰণে এইবিলাক যাতে ঠিক ভাবে হয় সেইটো ব্যৱস্থা কৰিব লাগে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ**মাননীয় সভাপতি মহোদয় আমাৰ

সন্মানীয়া সদস্যা শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে আমাৰ দৈনিক জনমভূমি কাকতৰ ২৭ ডিচেম্বৰ,২০১৭ তাৰিখত প্ৰকাশিত বেলতলাত পুনৰ সক্ৰিয় কয়লাৰ চিণ্ডিকেট শীৰ্ষক বাতৰিটো সন্দৰ্ভত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। মই এই গোটেই কথাখিনিলৈ যোৱাৰ আগতে আমাৰ মাননীয় সদস্যা গৰাকীক এই কথা কও যে, আমাৰ চৰকাৰে কোনো কাৰণতে চিণ্ডিকেট সমৰ্থন নকৰো। আমাৰ চৰকাৰৰ প্ৰথম cabinet যেতিয়া আছিল ৪খন inter State Gate ৰ বাহিৰে বাকী থকা গেইটসমূহ আমি বন্ধ কৰিছিলো। । মাননীয় উপাধ্যক্ষ মহোদয় ইয়াৰ আগতে এনেকুৱা আছিল যে, শ্ৰীৰামপুৰ গেইটত গাড়ী সোমাই বঙাইগাওঁত এখন Gate পাৰ হ'ব লাগে - তাৰ পিছত বৰপেটাত এখন Gate- তাৰ পিছত নলবাৰীত এখন Gate - তাৰ পিছত ৰঙিয়াত এখন Gate তাৰ পিছত জালুকবাৰীত এখন গেইট। জালুকবাৰীৰ পৰা বেলতলালৈ ১০ খন মান গেইট। এই কথাখিনি মই এনেই কোৱা নাই। এই কথাখিনি মোক transporter সকলে নিজেই কৈছে যে ব্ৰহ্মপুত্ৰ দলং পাৰ হৈ বেলতলালৈ আমাৰ এনেকুৱা লাগে যে আমি আৰু অসমত গাড়ী নচলাওঁ। Transport ৰ মানুহখিনিয়ে মোক নিজে কৈছে যে ব্ৰহ্মপুত্ৰৰ দলং পাৰ হোৱাৰ পিছত নাযাওঁ নেকি আমাৰ তেনেকুৱা লাগে, আমি অসমত গাড়ী আৰু নচলাও নেকি? আমাৰ চৰকাৰ অহাৰ পিছত আমি এই Syndicate ব্যৱস্থাটো নোহোৱা কৰি দিলো। আজি বাতৰি কাকতত কিবা এটা ওলাইছে আজি আমাৰ মাননীয় উপাধ্যক্ষ ডাঙৰীয়াই এটা বিবৃতি দিছে। যি নহওঁক আমাৰ চৰকাৰে প্ৰথমবাৰৰ বাবে Intensive যিকেইখন Gate, আমাৰ শ্ৰীৰামপুৰ গেট বক্সিৰহাট গেট আদি গোটেইকেইখন গেট উঠাই দিয়া হৈছে। কথাটো হ'ল Syndicate টো ক'ৰ পৰা আৰম্ভ হৈছে? আজি আমাৰ কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই কৈছে যে বহুত সময় গাড়ীবোৰ ৰৈ থাকে। বহুত সময় গাড়ীবোৰ ৰৈ থকাৰ কাৰণ আছে যে কিছুমানত কয়লা আহে আৰু কিছুমান বয়বস্তু বাহিনী আহে। তাতে কিছুমান checking ৰ প্ৰয়োজন হয় আৰু সেইবাবে কিছু সময়ৰ প্ৰয়োজন হয়। সেইকাৰণে গাড়ীবোৰ ৰখাই থোৱা হয়। কিন্তু পইচাৰ কাৰণে যে গাড়ীবোৰ ৰখাই থোৱা হয় সেইটো কথা নহয়। তাৰে ভিতৰত যদি কোনোৱাই দুই এটকা লৈছে সেইটো নাজানো। কিন্তু প্ৰশ্নটো হৈছে যে বাংলাদেশলৈ বস্তুবোৰ গ'লে বা ভুটানলৈ বস্তুবোৰ গ'লে সেইবোৰ checking হ'ব। এতিয়া পাঠশালাৰ পৰা ভুটানলৈ যোৱা যিটো ৰাস্তা সেই ৰাস্তাটোত তেওঁলোকে checking কৰে, সেইটো এটা নিয়ম। গতিকে এই ক্ষেত্ৰত পৰৱৰ্ত্তী সময়ত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো কথা আমাক কৈছে যে Syndicate ৰ ক্ষেত্ৰত আৰু checking ৰ ক্ষেত্ৰত zero tolerance আজি বাহাল আছে আৰু আমাৰ চৰকাৰে এই পদক্ষেপ বাহাল ৰাখিব। মাননীয় সদস্যা শ্ৰীমতী অজন্তা নেওঁগ বাইদেৱে কৈছে যে দূৰ্নীতিৰ কথা ওলাইছে, CM Office ৰ নাম ওলাইছে। মই আজি এটা কথা নিৰ্ভীক ভাৱে কব পাৰো যে সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত চলা চৰকাৰে দূৰ্নীতিক প্ৰশ্ৰয় নিদিয়ে। মই এটা কথা কওঁ যে CM Office টো দূৰৰে কথা, আজিলৈ আমাৰ মুখ্যমন্ত্ৰীক আঙুলিয়াই দূৰ্নীতিৰ কথা কোনেও ক'ব নোৱাৰে, কাৰণ সেইটো কথা একেবাৰে স্পষ্ট। মুখ্যমন্ত্ৰী Clear, আমি দক্ষতাৰে কাম কৰিছো।

**শ্ৰীমতী অজন্তা নেওঁগ ঃ** মই বাতৰি কাকতৰ কথা কৈছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** আপুনি বাইদেও বাতৰি কাকতৰ কথা কৈছে নহয় জানো? বাতৰি কাকতৰ আমাৰ বন্ধু সকলক কৈছো যে বাইদেৱে যিখন বাতৰি কাকতৰ কথা উল্লেখ কৰিছে, যে বাতৰিটো পৰিবেশন কৰোতে এজন মুখ্যমন্ত্ৰীৰ গাত এটা নিকা ভাৱ মূৰ্তি আছে স্বচ্ছতাৰে ৰাজ্যখনৰ কামবোৰ কৰি আহিছে, ৰাজ্যখনৰ উন্নয়নৰ বাবে যেতিয়া কামবোৰ কৰি আহিছে গতিকে তেনেকুৱা

ক্ষেত্ৰত বাতৰি পৰিৱেশন কৰোতে নিশ্চয় ভালকৈ পৰিৱেশন কৰিলে আমি ভাল পাম। তাৰ কাৰণে আমি সংবাদ মাধ্যমৰ বন্ধু সকলক অনুৰোধ কৰিছো। গতিকে এতিয়া Entry Tax আৰু Entry Bill পৰিবহনৰ ক্ষেত্ৰত সুবিধা হৈছে। গতিকে আমাৰ যিখিনি Tax ৰ বিষয়া আছে তেওঁলোকৰ এতিয়া অসুবিধা হৈছে যে এতিয়া Tax নাহে। গতিকে বিভিন্ন ধৰণে এই গাড়ীবোৰ check কৰে আৰু এইটো কথাও ঠিক যে আমাৰ অজন্তা নেওঁগ বাইদেওৰে যোৱাবাৰ কৈছিলে Syndicate ৰ কথা। তাৰপিছত তাত Syndicate ৰ লগত যিসকল জড়িত আছিলে তেওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছিল। তাৰপিছত কোৰ্টৰ পৰা তেওঁলোকে বেল পালে। গতিকে আমি যি মুহূৰ্ততে গম পাওঁ সেই মুহূৰ্ততে আমি আমাৰ চৰকাৰৰ ফালৰ পৰা ব্যৱস্থাখিনি গ্ৰহণ কৰো। এতিয়া যিহেতুকে আমাৰ এটা গোটেই ভাৰতত Movement এটা আৰম্ভ হৈছে, আমি সেইকাৰণে স্বচ্ছতাৰ বাহিৰত আমি খোজ নিদিও। গতিকে এই ধৰণৰ ব্যৱস্থা আমাৰ চৰকাৰে কৰিলে। কয়লাৰ ক্ষেত্ৰত এতিয়া মেঘালয়েও বন্ধ কৰি দিছে। এই কয়লাৰ কথা শুনি শুনি বেয়া লগা হৈছে। এতিয়া বৰাকভেলী চাহ-বাগিছাৰ মানুহখিনি আহি কৈছে, এতিয়া বৰাকভেলীত কয়লাৰ অভাৱ। তেওঁলোকৰ যিধৰণে Production হৈছিল এতিয়া কমি গৈছে। লগতে তেওঁলোকে কৈছে যে ব্যক্তিগত মানুহক Agency নিদিয়ে। তেওঁলোকে কৈছে যে আপোনালোক অসম চৰকাৰে Agency লওঁক আৰু ললে আমাৰ ভাল হয়। কিন্তু ইতিমধ্যে কাৰ্বিআংলঙৰ পৰা কয়লা আনি টিহুত unload কৰিছে। এতিয়া আমাৰ বৰাকভেলীত যিখিনি চাহ বাগিছা আছে তেওঁলোকৰ মানুহখিনিয়ে কলে যে বৰাকভেলীত কয়লাখিনি দিয়ক। সেই কাৰণে মই Mineral Development ক কলো যে আপোনালোকৰ কয়লা আছে নেকি ? তেতিয়া Mineral Development য়ে কৈছে যে আমাৰ অলপ কয়লা আছে। গতিকে Mineral Development ৰ পৰা বৰাকভেলী চাহ বাগিছালৈ কয়লা দিয়াৰ ব্যৱস্থা কৰা হৈছে। গতিকে মেঘালয়ে এতিয়া কয়লা বন্ধ কৰিছে আৰু Coal India ৰ যিখিনি Production হ'ব লাগিছিল সিমানখিনি Production Coal India ৰ পৰা হোৱা নাই। তাৰোপৰি মেঘালয়ৰ পৰা, উৰিষ্যাৰ পৰা বা আমি দাৰ্জিলিঙৰ পৰা যদি কয়লা আনি আমি ইয়াত চাহ-বাগিছা চলাব লগীয়া হয় তেতিয়া চাহ-বাগিছা অসম্ভৱ। এতিয়া আমি Coal India ৰ লগতো কথা পাতি আছো যাতে তেওঁলোকৰ Production বেছি হয় আৰু আমাৰ চাহিদাখিনি পূৰণ কৰিব পাৰো। এতিয়া আমাৰ এনেকুৱা এটা অৱস্থা হৈছে যে আমাৰ চৰকাৰৰ এটা উল্লেখযোগ্য সফলতা যিটো আমাৰ স্বাধীনতাৰ ৭০ বছৰৰ পিছতো নহ'ল, অসমত গেছৰ পৰিমান কম হোৱাৰ কাৰণে, এতিয়া গেছ অসমত যিবিলাকে পোৱা নাই এইবাৰ প্ৰথমবাৰৰ বাবে Natural Gas ৰ Connection কৰি আমি বাৰানসীৰ পৰা পাইপ লাইনেৰে অসমলৈ অনা হ'ব আৰু ইতিমধ্যে টেণ্ডাৰ আৰম্ভ হৈছে। এডাল পাইপ লাইনেৰে ৫০০০কোটি টকা খৰচ কৰি দুবছৰৰ ভিতৰত অসম আহি পাব। গতিকে আমাৰ বিভিন্ন অঞ্চলত, গোটেই চাহ বাগিছা অঞ্চলত, যিমান চাহ বাগিছা অঞ্চল আছে, আমাৰ কাৰ্বিআংলঙত তাতে যিখিনি আছে, তেওঁলোকে সদায় গেছ দিয়াৰ কথা কয় কিন্তু আমি গেছ দিব পৰা নাই। গতিকে আমাৰ সাৰকাৰখানা নামৰূপতো দিব পৰা নাই। গতিকে স্বাধীনতাৰ পিছত আমাৰ এটা উল্লেখযোগ্য ঘটনা হ'ব যে গেছৰ পাইপ লাইন যেতিয়াই আহি যাব তেতিয়া আমাৰ এই সমস্যাটো চিৰদিনৰ কাৰণে শেষ হ'ব আৰু অসমৰ বাবে এটা আকৌ নতুন দিশৰ উন্নয়নৰ আৰম্ভ হ'ব। এইটো ২-৩ বছৰৰ ভিতৰতে হৈ যাব। গতিকে সেইকাৰণে কয়লাৰ কথাটো এনে লাগে যে কয়লা মানে Syndicate এনেকুৱা এটা হয়। গতিকে মই এইটো কথা কৈছো যে আমাৰ চৰকাৰৰ দিনত এই Syndicate হ'ব দিয়া নাই আৰু বাইদেৰে

যিটো কথা কৈছে সেই মতে আমি মানুহখিনিক গ্ৰেপ্তাৰো কৰিলো। গ্ৰেপ্তাৰ কৰা মানুহখিনিৰ নাম নকওঁ। এতিয়া কথাটো হৈছে যদি আমি বেলতলাত আমি Sluice gate কৰো আমি যদি কয়লা বিলাক চেক কৰিব লওঁ তেতিয়া কব এই চেক গেটত পইচা খোৱা আৰম্ভ কৰিছে আৰু যদি নকৰু তেতিয়া হলে কব কয়লা গাড়ী বিলাক অহা যোৱা কৰি আছে এতিয়া আমাৰ দুয়োফালে মৰণ হৈছে। গতিকে এই কথাখিনি স্পষ্ট ভাৱে কলো যে সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত গঠিত আমাৰ চৰকাৰে চিণ্ডিকেট হব নিদিয়ে আগতেও হব দিয়া নাই এতিয়াও হব নিদিয়ে। বাইদেওঁ কৈছে মোৰ তথ্য নাই, যদি কিবা তথ্য থাকে তেতিয়া হলে আমাৰ চৰকাৰক দিব আমি তেতিয়া ব্যৱস্থা গ্ৰহণ কৰিম। বৰাকৰ কথা এটা কওঁ মোৰ হাতত তথ্য আছে যে এই কয়লাৰ Syndicate ৰ লগত জড়িত ACS Officer কো গ্ৰেপ্তাৰ কৰা হৈছে, আপোনালোকে নিশ্চয় সেই কথাটো জানে। এতিয়া প্ৰশ্নটো হ'লে যে আমাৰ পৰিবহণ বিভাগৰ ক্ষেত্ৰত যিহেতু মই নিজে মই পৰিবহণ মন্ত্ৰী, মই পুলিচক কৈ এই কয়লাৰ Racket ৰ লগত জড়িত বহুটো মানুহক গ্ৰেপ্তাৰ কৰা হৈছে। বিধান সভাৰ মজিয়াত যেতিয়া আপোনালোকে এই কথাটো আনিছিল তেতিয়া মই মন্ত্ৰী হিচাবে CID দ্বাৰাই এই কয়লৰা চোৰাং ব্যৱসায়ৰ তদন্ত কৰাৰ ব্যৱস্থা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া বিত্ত বিভাগৰ পৰা বাইদেওঁৰ যিটো প্ৰশ্ন উত্তৰ দিয়া হৈছে, ইয়াত কয়লাৰ চিণ্ডিকেট বন্ধ কৰাৰ ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰা হৈছে। যোৱা পহিলা জুলাই ২০১৭ চনৰ পৰা সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো সামগ্ৰী আৰু সেৱা কৰ আইন (GST), ২০১৭ কাৰ্য্যকৰী হৈছে। GST ৰ জড়িয়তে যিখন ৰাজ্যত বস্তু বা সেৱা গ্ৰাহকে উপভোগ বা ব্যৱহাৰ কৰিব তাৰ ফলত বেলতলা, যোগীঘোপা, কাছাৰ আদিত জমা থকা কয়লা মেঘালয় বা অসমৰ বাহিৰলৈ যায় আৰু বিদেশলৈ ৰপ্তানি হয়। গতিকে ইয়াৰ পৰা অসমৰ GST ৰ ক্ষেত্ৰত বিশেষ লাভান্বিত নহয়। মেঘালয় আৰু অসমৰ মাৰ্ঘেৰিটা আদি অঞ্চলৰ কয়লা নেপাল, ভূটান আৰু বাংলাদেশলৈ ৰপ্তানি হয় আৰু এই ৰপ্তানি হোৱা বস্তু বোৰৰ ওপৰত কোনো GST দিব নালাগে, বৰঞ্চ কিনাৰ সময়ত দিয়া কৰ ঘুৰাই হে পায়, সেই কাৰণে Check কৰা হয়। কয়লা ভৰ্তি ট্ৰাকবোৰ বিভিন্ন ৰাজ্যৰ মাজেৰে পাৰ হৈ যায় কাৰণে সেইবোৰ ৰাজ্যটো তালাচী কৰা হয়। জি এছ টিৰ এটা বিশেষত্ব হল, ব্যৱসায়ীক সকলক বাধাহীন ভাবে মাল সৰবৰাহৰ সুবিধা দিয়া (Ease of Doing Bussiness)। সেইবাবে জি এছ টি বলবৎ হোৱাৰ পিছত কৰা বিভাগৰ সকলো তালাচী চকী বন্ধ কৰি দিয়া হ'ল। জি এছ টিৰ নিয়ম মতে ক্ৰেতা বা বিক্ৰেতাই নিজে প্ৰতিখন গাড়ীৰ বিপৰীতে একোখন "ই"-ওৱে বিল" (E-way Bill) জি এছ টি পোৰ্টেলত জেনেৰেট কৰি লব লাগে। বিভিন্ন ৰাজ্যৰ কৰ বিষয়াৰ ভ্ৰাম্যমাণ গোটবোৰ (Mobile Squad) এই ই-ওৱে বিল পৰীক্ষা কৰিব লাগে। ৰেলটো ই-ওৱে বিল দিব লাগে। কৰ বিভাগৰ তালাচী চকীবোৰ বন্ধ হোৱাৰ পিছত সকলোবোৰ কয়লাবাহী গাড়ী নিয়মীয়াকৈ তালাচী বা পৰীক্ষা কৰা সম্ভৱ হোৱা নাই। তথাপিও কৰ বিভাগৰ ভ্ৰাম্যমাণ গোটে মাজে মধ্যে (ৰেন্ডমলী) পৰীক্ষা কৰিছে আৰু কিবা খেলিমেলি পালে কৰ আৰু জৰিমণা আদায় কৰিছে। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ সহযোগত "ই-ওৱে বিল" পৰীক্ষা কৰাৰ বাবে আধুনিক প্ৰযুক্তিৰ সহায় লব খুজিছে। এই নিয়ম অনুসৰি বিভিন্ন ঠাইত আৰ এফ ডি (RFID) প্ৰতিষ্ঠা কৰা হব। এই আৰ এফ আই ডিৰ সহায়ত "ই-ওৱে বিল" নোহোৱা বা নকল ই-ওৱে বিল থকা মালবাহী গাড়ীবোৰ ধৰা পেলাব পৰা যাব । গতিকে কোনো অবৈধ কয়লা ব্যৱসায় চলি থাকিলে বন্ধ হোৱাৰ সম্ভাৱনা এটা ওলাব। লগতে মই এটা কথা কওঁ SGST ২০১৭ ৰ জুলাইৰ পৰা মাৰ্চ ২০১৮ লৈকে আমি অসম চৰকাৰে SGST ৮.১৮ কোটি আৰু এপ্ৰিল ২০১৮ পৰা

জানুৱাৰী ২০১৯ লৈকে আমি ১৭.৮৫ কোটি আমি SGST হিচাপে লাভ কৰিছো। সেই হিচাপে আমি কৰ সংগ্ৰহ কৰিছো। কিন্তু এই ক্ষেত্ৰত আমাৰ গেট বিলাকৰ কিছু অসুবিধা হৈছে নোহোৱা নহয় আৰু এই বিষয়টো দৃষ্টি গোচৰ কৰাৰ বাবে মই তেখেতক ধন্যবাদ দিয়াৰ লগতে অসম চৰকাৰৰ ফালৰ পৰা এটা স্পষ্টীকৰণ দিছো ধন্যবাদ।

**শ্ৰী পৰিন্দ্ৰ ডেকা (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা অনুৰোধ কৰিব বিচাৰিছো যে এই বিষয়টো অলপ বিবেচনা কৰি চোৱা ভাল।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ অনুৰোধটো কি?

**শ্ৰী পৰিন্দ্ৰ ডেকা (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোত আমাৰ কেইবাজনো বিধায়ককো জড়িত কৰিছে। গতিকে এইটো এটা আশ্বাৰ্য্য জনক কথা সেইয়েহে মই অনুৰোধ কৰো যে গোটেই বিষয়টোৰ এটা উচ্চ পৰ্য্যায়ৰ তদন্ত কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, চৰকাৰে এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা লব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি গোটেই বিষয়টো যোৱাবাৰ CID ক তদন্ত কৰিবলৈ দিয়া হৈছে।

**মাননীয় অধ্যক্ষ** ঃ আজি ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা আছে, সেয়েহে মই আৰু বেছি সময় দিব নোৱাৰো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি আনকি ৰাজপত্ৰিত বিষয়া (ACS) কো গ্ৰেপ্তাৰ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। কমলাক্ষ্য দে পুৰকায়স্থ মই আপোনাক অনুৰোধ কৰিছো যে আপুনি বহওঁক কাৰণ আপোনাক ইতিমধ্যে ভাষণৰ সময় দিয়া হল যদিও অজন্তা নেওঁগৰ নামত Notice আছিল। এতিয়া আমাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কৰ সময়। মই সদনক এটা কথা জনাওঁ যে আজি জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ তিৰোভাৱৰ দিন সেয়েহে আমি অসম বিধান সভাই জাতিৰ পিতা মহাত্মা গান্ধীক আজিৰ এই দিনটো গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছো বুলি মই ইয়াত ঘোষণা কৰিছো। I think it has the approval of the House. ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত আমি দুখন জাননী পাইছিলো। এখন জাননী হাফিজ বচিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকল আৰু আনখন জাননী অতুল বৰা ডাঙৰীয়া তেখেতৰ সহযোগী বিধায়ক সকলৰ। এতিয়া এই দুয়োটা যি সংশোধনী প্ৰস্তাৱ আছে মই তেখেত সকলৰ প্ৰথমে হাফিজ বচিৰ আহমেদৰ গ্ৰুপৰ যি সকল আছে তেখেতক মই সদনত প্ৰস্তাৱটো উত্থাপন কৰিবলৈ আহবান কৰিছো।

**শ্ৰী হাফিজ বচিৰ আহমেদ (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় বিধায়ক শ্ৰী দেবানন্দ হাজৰিকাই যোৱা ২৮ জানুৱাৰী, ২০১৯ তাৰিখে উত্থাপন কৰা ধন্যবাদ সূচক প্ৰস্তাৱৰ অন্তত প্ৰথম পৃষ্ঠাৰ ২ য় দফাত উল্লেখিত "শান্তি সম্প্ৰতি ভাতৃত্ববোধ শীৰ্ষক বাক্যটোৰ সংশোধন কৰি নিম্নলিখিত কথাখিনি সংযোগ কৰা হওঁক" "বিগত সময়ছোৱাত আমাৰ চৰকাৰে অসমত শান্তি-সম্প্ৰতি আৰু ভাতৃত্ববোধ আশানুৰূপ ভাবে বাহাল ৰাখিব পৰা নাই তাৰ কাৰণে আমি দুঃখিত আৰু মৰ্মাহত।

**মাননীয় অধ্যক্ষ** ঃ ইয়াৰ পিছত মই শ্ৰী অতুল বৰা তেখেতৰ সহযোগী সকলে যি প্ৰস্তাৱ লৈছে তাক উত্থাপন কৰিবৰ কাৰণে এজনক অনুৰোধ কৰিছো।

**শ্ৰী পৰিন্দ্ৰ ডেকা (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম গণ পৰিষদ বিধায়িনী দলৰ

তৰফৰ পৰা উত্থাপন কৰা সংশোধনী প্ৰস্তাৱটো মই পাঠ কৰি দিছো। ৰাজ্যপালৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় বিধায়ক শ্ৰী দেবানন্দ হাজৰিকাই ডাঙৰীয়াই যোৱা ২৮ জানুৱাৰী, ২০১৯ তাৰিখে উত্থাপন কৰা ধন্যবাদ সূচক প্ৰস্তাৱৰ অন্তত নিম্নোলিখিত কথাখিনি সংযোগ কৰা হওঁক ।

(১) ৰাজ্যপালৰ ভাষণৰ ১ম পৃষ্ঠাৰ দ্বিতীয় দফাৰ দ্বিতীয় শাৰীৰ "শান্তি, সম্প্ৰতি, ভাতৃত্ববোধ আৰু এক উজ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতিৰে আশীষস্পুষ্ট এইছোৱা সময়ৰ ওপৰত আমি কৃতজ্ঞ, যি অনাগত দিনবোৰৰ বাবে আমাৰ অগ্ৰদূতৰূপে পৰিগণিত হ'ব" । তাৰ পৰিৱৰ্তে "শান্তি, সম্প্ৰতি, ভাতৃত্ববোধ আৰু এক উজ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতিৰে বিগত কিছুদিনত অসমৰ বিভিন্ন ঠাইৰ লগতে যোৱা ২৭ জানুৱাৰী, ২০১৯ ইংৰাজি তাৰিখে নলবাৰী জিলাৰ ঘগ্ৰাপাৰত সদৌ অসম ছাত্ৰ সন্থাৰ শান্তিপূৰ্ণ অহিংস আৰু গণতান্ত্ৰিক আন্দোলনকাৰী ওপৰত নিৰ্মমভাবে প্ৰহাৰ কৰাৰ উপৰিও ঘগ্ৰাপাৰ থানাত কৰায়ত্ব অৱস্থাত থকা অসম ছাত্ৰ সন্থাৰ নেতা কৰ্মীক শাসকীয় দলৰ কিছু নেতা-কৰ্মীৰ দ্বাৰা আৰক্ষীৰ সন্মুখতে প্ৰহাৰ কৰাই গণতান্ত্ৰিক আন্দোলনক মষিমুৰ কৰাৰ বাবে মোৰ চৰকাৰে বলিষ্ঠভাবে চেষ্টা চলাইছে ।"

(২) অসম চুক্তিৰ ৬নং পৃষ্ঠাৰ দ্বিতীয় দফাৰ - "অসম চুক্তিৰ ক্ষিপ্ৰ আৰু ফলপ্ৰসূ ৰূপায়ণৰ বাবে মোৰ চৰকাৰে বহুতো পদক্ষেপ হাতত লৈছে" ৰ পৰিৱৰ্তে " মোৰ চৰকাৰে অসম চুক্তিক নস্যাৎ কৰি 'নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৬' বিৰোধিতাৰ সমৰ্থন জনোৱাৰ উপৰিও সম্প্ৰতি অব্যাহত থকা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়াও নস্যাৎ কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ ।"

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই মাত্ৰ ক 'ব খুজিছো যে দুয়োটা সংশোধনী প্ৰস্তাৱত আপোনালোকে আজি শব্দটো আঁতৰাই কেৱল ২৮ জানুৱাৰীটো দিব । এতিয়া সংশোধনী প্ৰস্তাৱ দুটা উত্থাপণ কৰা বুলি মই ঘোষনা কৰিলো। এতিয়া ,প্ৰথমতে মাননীয় দেৱানন্দ হাজৰিকাই ৰাজ্যপালৰ ভাষণৰ ওপৰত তেখেতে যি ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰিছিল তাৰ ওপৰত বক্তব্য ৰাখিবলৈ কোৱা হ'ল ।

**শ্ৰী দেবানন্দ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল গৰাকিয়ে ২৮-০১-২০১৯ৰ বাজেট অধিবেশনত যি ভাষণ দিছিল, এই ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ বিষয়ত কিছু কথা ক'ব বিচাৰিছো ।

স্বনামধন্য ৰাজ্যপাল গৰাকীয়ে আমাৰ অসমৰ মহান শিল্পী, ডঃ ভূপেন হাজৰিকাক ভাৰতৰত্ন দিয়াৰ কথাতো তেখেতৰ ভাষণত প্ৰথমতে উল্লেখ কৰিছে । অৱশ্যে, লগতে ভাৰত চৰকাৰে অসমৰ দুজন বৰেণ্য ব্যক্তিক পদ্মভূষণ দিয়াৰ কথাও তাত কোৱা নাই যদিও মই উল্লেখ কৰিছো। তেখেত সকল হ'ল - শ্ৰী উদ্ধৱ ভঁৰালী, আৰু ডাঃ ইলিয়াচ আলী আৰু যোৱা কালি আমি শুনিবলৈ পাইছো, আমাৰ অসমৰ স্ব-নাম ধন্য সাহিত্যিক , ডঃ নগেন শইকীয়া ডাঙৰীয়াক সাহিত্য অকাডেমি বটাৰে বিভূষিত কৰিছে। ডঃ ভূপেন হাজৰিকা সেইজনেই ব্যক্তি যি ভাৰতৰত্নৰে বিভূষিত হ'ল । যি জন ভূপেন হাজৰীকাই বৰ্ণিল যুৱ মহোৎসৱত ভাৰতক Re-present কৰিছিল । যি জন ভূপেন হাজৰিকাই লুইতৰ পৰা মিচিচিপি হৈ গংগাৰ ভল্গাৰ ৰূপ চাইছিল, আৰু অষ্ট্ৰিয়াৰ পৰা অটোৱা হৈ পেৰিচ সাৰটাৰ সপোন দেখিছিল আৰু যি জনক বৰ্ণিল যুৱ মহোৎসৱত প্ৰখ্যাত শিল্পী প'ল ৰ'বচনে ('you are grate') আখ্যাৰে বিভূষিত কৰিছিল। যি জনে শ্ৰেষ্ঠ সংগীত পৰিচালক ৰাষ্ট্ৰীয় বটা পাইছিল আৰু সংগীত নাটক একাডেমিৰ বটাৰে বিভূষিত হৈছিল, পদ্মশ্ৰী,পদ্মভূষণ, পদ্মবিভূষণ আৰু দাদা চাহেব ফাল্কে বটাৰে বিভূষিত হৈছিল, যিজনৰ আপ্ৰাণ চেষ্টাত তেখেত নাওঁবৈচা সমষ্টিৰ বিধায়ক হৈ থাকোতে অসমে পালে জ্যোতিচিত্ৰবন। যাৰ গীতে

সমগ্ৰ পৃথিৱীত অসমক চিনাকি কৰি দিছিল , তেখেতৰ অমৰ সৃষ্টি " মানুহে মানুহৰ বাবে, যদিহে অকনো নাভাবে" এই গীতটো উনবিংশ শতিকাত, গোটেই বিশ্বত জনপ্ৰিয় সংগীত হিচাপে জনাজাত হৈছিল। যাৰ গীতে সাম্প্ৰদায়িক , সম্প্ৰীতি, সাৰ্বজনীন ন্যায় এই সম সাময়িক পৰিস্থিতিৰ আভাষ দিছিল আৰু যাৰ গীতে অসমৰ পাহাৰ ভৈয়াম সকলোৰে লগত সম্প্ৰীতিৰ এনাজৰী সৃষ্টি কৰিছিল যাক আমি মৰমতে " সুধাকণ্ঠ " বুলি অভিহিত কৰিছিলো, সেইগৰাকী গায়ক, লেখক, পৰিচালক, বিশ্ব-বিশ্ৰুত সংগীতজ্ঞক ভাৰত চৰকাৰে আজি "ভাৰতৰত্ন" উপাধিৰে বিভূষিত কৰিলে ।

মহামান্য ৰাজ্যপাল গৰাকীয়ে তেখেতৰ ভাষণত সেই কথা উল্লেখ কৰাৰ লগে লগে এক আচৰিত ধৰণৰ নাটক ইয়াত সৃষ্টি হ'ল । এফালেদি অসমৰ স্বাভিমান গামোচাখন লৈছে আৰু অসমৰ হিয়াৰ আমঠু ডঃ ভূপেন হাজৰিকাৰ নাম কোৱাৰ লগে লগে সকলোৰে চিঞৰি উঠিল । ই সঁচাকৈয়ে আমাৰ কাৰণে বৰ দুখৰ কথা । যেতিয়াই ভূপেন হাজৰিকা ডাঙৰীয়াক ভাৰতৰত্ন উপাধিৰে বিভূষিত কৰিলে ইয়াক উপলুঙা কৰি ভাৰতবৰ্ষৰ এজন জেষ্ঠ ৰাজনীতিবিদে গোটেই অসমৰ ৰাইজক উপলুঙা কৰিলে । তাৰ বাবে মই অন্তৰত আঘাত পাইছো । অসমৰ পৰা নিৰ্বাচিত হৈ যোৱা প্ৰতিনিধি লোকসভাত, ৰাজ্যসভাত আছে তেখেতেওঁ সেই একেটা ভাষাৰেই ভূপেন হাজৰিকা ডাঙৰীয়াক ভাৰতৰত্ন দিয়াটো ভাল পোৱা নাই । অসমৰ এজন প্ৰবীন ৰাজনীতিবিদেও ইয়াক লৈ উপলুঙা কৰিলে । ভূপেন হাজৰিকা ডাঙৰীয়াক ভাৰতৰত্ন দিয়াটো এক ৰাজনীতিৰ খেল বুলি গন্য কৰা হৈছে। এইটো বৰ দুৰ্ভাগ্যজনক। যদি এই ৰাজনীতিৰ খেল নেখেলিলেহেঁতেন তেতিয়াহ'লে ভূপেন দাই হয়টো তেওঁৰ জীৱিত কালতেই ভাৰতৰত্নেৰে বিভূষিত হ'লহেতেঁন । আজিৰ সদনত মই আৰু এটা কথা কব বিচাৰিছো অধ্যক্ষ মহোদয়, এতিয়ালৈকে অসমত মাত্ৰ দুজনেহে ভাৰতৰত্ন উপাধিৰে বিভূষিত হৈছে আৰু অতি উল্লেখনীয় বিষয় যে এই দুয়োজনে ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ কেন্দ্ৰত থাকোতে হৈছিল। আমাৰ প্ৰবীন ৰাজনীতিবিদ সকলে যেতিয়া কয় তেখেতক ভাৰতৰত্ন দিলে ভোট পাব। তাৰমানে গাদী হেৰুৱাৰ ভয়ত আমাৰ চৰকাৰে তেখেতক ভাৰতৰত্ন দিছে । এনেকুৱা ধৰণৰ ভাব মনত লৈ যদি আমি আগ বাঢ়ো, তেনেহ'লে আমি সুধাকণ্ঠক সন্মান জনোৱাৰ পৰিৱৰ্তে অপমানহে কৰা হ'ব । এইটো আজি সদনত বিচাৰ কৰিব লাগে । ৰাজ্যপাল গৰাকীয়ে তেখেতৰ কথা সন্নিবিষ্ট কৰাৰ বাবে মই সচাকৈয়ে গৌৰৱান্বিত হৈছো আৰু তেখেতক ধন্যবাদ দিছো । মহামান্য ৰাজ্যপাল গৰাকীয়ে আমাৰ অসমৰ চৰকাৰখনে জনতাৰ উন্নয়নৰ হ'কে কৰা কাম বিলাকৰ ব্যাখ্যা কৰিছে । এইটো এটা পৰম্পৰাৰ নিচিনা হৈছে। যেতিয়াই ৰাজ্যপালে ভাষণ দিয়ে তেতিয়াই বিৰোধীয়ে চিঞৰ-বাখৰ কৰি ভাষণ বন্ধ কৰিবলৈ চেষ্টা কৰে। ইয়াৰ আঁৰত কি আছে নাজানো। মই নতুনকৈ ৰাজনীতিলৈ আহিছো। এখন চৰকাৰে যেতিয়া ভাল কাম কৰাৰ খতিয়ান সদনত দাঙি ধৰে তাত চিঞৰ-বাখৰ কৰাৰ কি যুক্তি আছে মই বুজি নাপাও। ভাষণটো ভালদৰে পঢ়িবলৈ দিব লাগে যাতে সকলোৱে জানক যে ভাষণটোত কি আছে। যদি আপত্তিজনক কিবা আছে সংশোধনী প্ৰস্তাৱ আনক। গোটেই ভাষণটো পঢ়িবলৈ দিলে কাৰো ক্ষতি নহয় বুলি মই ভাবো। কোনোবাই যদি চিঞৰ বাখৰ কৰিলে কিবা লাভ হ'ব বুলি ভাবে তাৰ অৰ্থ মই বুজি নাপালো। এইখিনিতে মই ভাল কাম কৰাৰ এপ্ৰিচিয়েট পোৱাৰ কথা এটা মোৰ নিজৰ জীৱনৰ অভিজ্ঞতাৰ পৰা ক'ব খুজিছো। মই যেতিয়া চাকৰি কৰি আছিলো মোৰ বছ জনৰ লগত সিমান ভাল সম্পৰ্ক নাছিল। মতান্তৰ আছিল। সেয়েহে মই ভাবিছিলো যে মোৰ হয়টো প্ৰমোচন নহ'ব। কিন্তু সেইটো নহ'ল। মই সঠিক সময়তে প্ৰমোচন পালো, সেয়েহে মই ক'ব খুজিছো যদি কোনোবাই ভাল কৰিছে শাসক-বিৰোধী যিয়েই নহওক তেওঁক সদায় প্ৰশংসা

কৰিব লাগে। outstanding দিয়াৰ কাৰণে মই প্ৰমোচন পাই গ'লো আৰু তেতিয়া মই আচৰিত হ'লো যে সেই বিলাকহে মানুহ। আমাৰ মাজত কাজিয়া থাকিলেও I must appreciate the rule of Government. য'ত মই অপজিশ্যনৰ মানুহে কিবা এটা ভাল কাম কৰিছে এই ভাল কামৰ বাবে appreciate কৰাৰ সদ্‌ভাৱটো আমি বজাই ৰাখিব লাগে। বিৰোধীয়ে যিমানেই বিৰোধ নকৰক কিয় এই চৰকাৰখনে জনসাধাৰণৰ বাবে ভাল কাম কৰাৰ বাবে প্ৰতিজ্ঞা লৈছে আৰু আমাৰ সকলোবিলাক সদস্যই এই ভাল কাম কৰাৰ কাৰণে আগবাঢ়ি গৈ আছে। আজি অসমৰ চাৰিওফালে যিবিলাক ভাল কাম হৈ আছে, এই ভাল কাম বিলাকৰ খতিয়ান ৰাজ্যপাল গৰাকীয়ে তেখেতৰ ভাষণত সন্নিবিষ্ট কৰিছে। Lord Tennyson ৰ ভাষাত মই এষাৰ কথা ক'ব বিচাৰিছো। তেখেতৰ poem ত লিখিছে -

Ulysses

Come my friends,
Its not too late to seek a newer world
for my purpose Golds
To sail beyond the sunset
and tho....
We are not now that strength which in old days
Moved earth and heaven, that which we are, we are
One equal temper of heroic hearts,
Made weak by time and fate, but strong in will
to strive, to seek, to find and not to yield.

এতিয়া কথা হ'ল এই চৰকাৰখনক যিমানেই দুৰ্বল কৰিবলৈ চেষ্টা কৰক অসমৰ ৰাইজৰ কাৰণে, অসমৰ স্বাৰ্থৰ কাৰণে, অসমৰ ৰাইজৰ হিতৰ কাৰণে কাম কৰি যাব। এইযাই সংকল্প আমাৰ আৰু এটা কথা আমাৰ চৰকাৰখনে যিবিলাক ভাল কাম কৰিছে এই কাম কেৱল শাসকগোষ্ঠীৰ কাৰণেই নহয়। মই যেতিয়া নিৰ্বাচনৰ আগত গাওঁত ঘুৰি ফুৰিছিলো মই দেখিছিলো যে ৰাস্তাত শিলগুটি দিয়া আছে মাজতে কিছু ঠাইত শিলগুটি দিয়া নাই। মই মানুহক সুধিলো যে ইয়াত শিলগুটি কিয় নাই? তেতিয়া ক'লে যে সন্মুখৰ এই মানুহ তিনিঘৰ বি জে পি। সেইকাৰণে শিলগুটি পেলোৱা হোৱা নাই। এইটো সাংঘাটিক কথা। মোৰ হাঁহিম নে কান্দিম অৱস্থা। এটা ৰাস্তা বনালে সেই ৰাস্তাটোৰে কেৱল বিশেষ এটা পাৰ্টীৰহে মানুহ যায় নেকি? নিশ্চয় নাযায়। সকলো মানুহেই যায়। সেইকাৰণে আমাৰ এই চৰকাৰখনে " সবকা সাথ সবকা বিকাশ" ফাণ্ডত পইচা দিছে, সকলোকে দিছে। ৰাস্তা বনাইছে সকলো সমষ্টিতে বনাইছে। এনেকুৱা নহয় যে কোনোবা মন্ত্ৰীয়ে তেখেতৰ সমষ্টিত গোটেইখিনি টকাকেই খৰছ কৰি তেখেতৰ সমষ্টিৰ ৰাস্তা পদূলি বনাইছে আৰু বাকীবোৰক ignore কৰিছে। আমাৰ চৰকাৰ অহাৰ আগত যোৱা ১৫ বছৰে যিমান কাম দেখিছো, যোৱা ২ বছৰ ৮ মাহত ১৫ বছৰতকৈ দুগুণ কাম হৈছে বুলি আজি সদনত অৱগত কৰিলো। ইয়াৰ উদাহৰণ আপোনালোকে নিজেই নিজৰ সমষ্টিবিলাকত ঘূৰি চাওঁক কিমান ৰাস্তা পদূলি হৈ আছে। কিমান উন্নয়ণৰ কাম চলি আছে, এই কাম বিলাক চকুমুদি থাকিলে কেতিয়াওঁ দেখা নাপাব। কিন্তু আপোনালোকে পেটেৰে ভাল পাই আছে কিন্তু মুখেৰে আকৌ গাদী দখল কৰিবৰ কাৰণে ৰাইজৰ মাজত এনেকুৱা ধৰণৰ বদনাম বিলাক উলিয়াই ফুৰিছে আৰু এই কথাবিলাক আমাৰ ৰাজ্যপাল

গৰাকীয়ে তেখেতৰ ভাষণত সন্নিবিষ্ট কৰাৰ কাৰণে মই ভাল পাইছো। ভাল এই কাৰণেই পাইছো যে বিশেষকৈ এই কথাবিলাকে নৱপ্ৰজন্মক উদ্ভাসিত কৰিছে যে এখন চৰকাৰে কম দিনৰ ভিতৰত ইমান ভাল কাম কৰিব পাৰে। ইয়াৰ নজিৰ বোধকৰো আজিলৈকে কতো নাই। অসমত প্ৰথম হৈছে আমাৰ এই বি জে পি ৰ মিত্ৰজোটৰ চৰকাৰখনৰ ফলত। মই অলপ আগতে কৈছিলো " সবকা সাথ সবকা বিকাশ" নীতিৰ কথা। ভৱিষ্যত দৰ্শন আৰু মূল্যবোধৰ চালিকা শক্তিৰে যে আমাৰ চৰকাৰখনে কাম কৰি আছে তাক তেখেতৰ ভাষণত সান্নিবিষ্ট কৰাৰ কাৰণে তেখেতক পুনৰ বাৰ ধন্যবাদ জনাইছো।

দুৰ্নীতিমুক্ত, অবৈধ অনুপ্ৰৱেশ মুক্ত, সন্ত্ৰাসবাদ মুক্ত আৰু প্ৰদূষণ মুক্ত অসম গঢ়াৰ বাবে চৰকাৰখনে কাম কৰি অহাৰ কথা সৰ্বজন বিদিত। তাৰবাবে কাৰোবাৰ মূৰৰ কামোৰণী হয়তো হ'ব পাৰে। সেয়েহে অসহণশীলতাৰ আশ্ৰয় লোৱাৰ পৰা বিৰত থকাৰ বাবে মই আহ্বান জনাইছো। মাত্ৰ ২ বছৰ আগত অসমখনত যি চমকপ্ৰদ উন্নয়ণ হৈছে ইয়াত কাৰোবাৰ চকু থিয় হোৱাটো স্বাভাৱিক আৰু এই চৰকাৰখনেও প্ৰশংসা পায়। মহামান্য ৰাজ্যপাল গৰাকী সচাঁকৈয়ে আন্তৰিক ধন্যবাদৰ পাত্ৰ যে এই কথাবিলাক তেখেতে তেখেতৰ ভাষণত সন্নিবিষ্ট কৰিছে। সংস্কৃতত এষাৰ কথা আছে যে " সত্যম ব্ৰুয়াৎ, প্ৰিয়ম ব্ৰুয়াৎ " যে সত্য কবা অৰ্থাৎ প্ৰিয় সত্য ক'ব লাগে। অপ্ৰিয় সত্য ক'ব নালাগে। কিন্তু প্ৰিয় সত্য কোৱাতহে বেছি আগ্ৰহী। এখন দলং সম্পূৰ্ণ কৰোতে ২১ বছৰ লাগে। এইটো প্ৰিয় সত্য নে অপ্ৰিয় সত্য? বগীবিল দলংখন ২৫ ডিচেম্বৰ তাৰিখে ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীয়ে যেতিয়া উদ্বোধন কৰিবলৈ আহিলে, ইজনে কয় মইহে আনিছিলো, সিজনে কয় মইহে আনিছিলো, আনিছিলে ভাল কথা। মই নাই অনা বুলি কোৱা নাই। কিন্তু সম্পূৰ্ণ কিয় নকৰিলে? মই ডিব্ৰুগড়লৈ যেতিয়া নাৱেৰে যাওঁ চাৰে তিনিঘণ্টা সময় নদী পাৰ হওঁতে লাগে। আমাৰ এই চৰকাৰখনে আপোন ভাৱত কাম লৈ ইমান সোনকালে এই দলংখনৰ কাম সম্পূৰ্ণ কৰি জনসাধাৰণক দিব পাৰিলে। এইকাৰণে মই কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। দলংখন যেতিয়া অসম্পূৰ্ণ হৈ আছিল তেতিয়া কোনেও একো কোৱা নাছিল, মাত্ৰ কৈছিল যে দেখিলেহে লেখিম। ইমান বিৰোধ কৰিছিল যে দলঙৰ ওপৰৰ লোহা ৰাতি ৰাতি কাটি আঁতৰাই থোৱা হৈছিল। অলপ আগতে ইয়াত চিণ্ডিকেটৰ কথা ওলাইছিল, তাতো এই চিণ্ডিকেট ৰাজ চলি আছিল। কাৰণ দলংখন সম্পূৰ্ণ হ'লে তাত কিছুমান মানুহৰ ব্যৱসায় বন্ধ হৈ যাব। সেই কাৰণে এই দলং খন হ'বলৈ দিয়া নাছিল আৰু এই বদ্ধ পৰিকৰ সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ চৰকাৰখনে ২ বছৰ ৮ মাহৰ ভিতৰত দলং খনৰ কাম সম্পূৰ্ণ কৰিলে। তাৰপিছত কিমান কাম হৈ আছে ছবিয়ে ক'ব। মই ইয়াত ক'লে কোনেও বিশ্বাস নকৰিব। মই নিজ চকুৰে দেখিছো। মোৰ কেমেৰাত ফটো আছে। মোৰ কেমেৰাত ফটো আছে। খুটাই বনোৱা হোৱা নাছিল। কিন্তু ২১ বছৰ এখন দলং বনাওতে যি ইতিহাস সৃষ্টি কৰিলে, তাৰ বাবে কাক ধন্যবাদ দিব লাগিব, মই নাজানো। এইটো হয়তো Guinness Book of World Record ত যাব পাৰে যে ৫ কিলোমিটাৰ এখন দলং বনাওতে ২১ বছৰ সময় লাগিছে। আমাৰ চৰকাৰে এটা বৰ ভাল চিন্তা কৰিছে, যিটো মাননীয় ৰাজ্যপাল মহোদয়ে নিজৰ ভাষণত সন্নিবিষ্ট কৰিছে। যিকোনো বিভাগৰ কাম-কাজসমূহ উন্নীত কৰিবৰ বাবে, প্ৰসাৰতা আনিবৰ বাবে Training ৰ প্ৰয়োজন আৰু আমাৰ চৰকাৰে এই Training Need টো আৱিষ্কাৰ কৰিছে। Training কিহৰ বাবে প্ৰয়োজন? Why Training is need? Whom should be trained? Where to be trained and what to be trained? এই কথাবোৰ তেওঁলোকে আচলতে বিচাৰি উলিয়াইছে। Training ৰ যোগেদি তেওঁলোকে আজি কাৰ্য্যদক্ষতা

বঢ়াবৰ বাবে চেষ্টা কৰিছে। Pace of Progress Faster কৰিবৰ বাবে চেষ্টা কৰিছে। মাননীয় ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণত উল্লেখ কৰিছে। ওমৰাংচু আৰু মাজুলীত দুখনকৈ Training Centre বনাবৰ বাবে মাটি লৈছে আৰু কাম-কাজো আৰম্ভ কৰিছে। এইটো এটা মই প্ৰশংসনীয় পদক্ষেপ বুলি উল্লেখ কৰিব বিচাৰিছো। কাৰণ Without proper Training আমি যদি সেই পুৰণিকলীয়া পদ্ধতিবোৰ ব্যৱহাৰ কৰো আমাৰ কাৰ্য্যদক্ষতা নাবাঢ়ে। যেতিয়া এটা নতুন বস্তু আনিবৰ কাৰণে চিন্তা কৰা যায় তেতিয়া Training ৰ প্ৰয়োজন। যেতিয়া এটা বিভাগত নতুন Machinery আহে, তেতিয়া তাৰ কৰ্মচাৰীসকলৰ Training ৰ প্ৰয়োজন হয়। যেতিয়া অসম চৰকাৰে প্ৰগতিশীল ভাৱে ক্ষীপ্ৰতাৰে কাম কৰিব বিচাৰে, How to work faster, how to have a paperless office, এই ক্ষেত্ৰত Training ৰ প্ৰয়োজন হয়। আজিকালি Online যোগেদি Tender হয়। হাজাৰ হাজাৰ ৰাস্তা গোটেই ভাৰতবৰ্ষত বনাই থকা হৈছে। যদি মানুহক Training নিদিলেহেঁতেন, Online যোগেৰে মানুহবোৰক শিক্ষিত কৰা নহ'লহেঁতেন, তেতিয়া Engineer সকলৰ কৰ্মদক্ষতা নাবাঢ়িলহেঁতেন। তাহানিতে পাচ কৰা Engineer সকলে আজি ৰাস্তা নিৰ্ম্মাণৰ ক্ষেত্ৰত যিবোৰ নতুন পদ্ধতি মেচিন ব্যৱহাৰ কৰা হৈছে, সেইবোৰ ব্যৱহাৰ কৰিব নাজানিলেহেঁতেন। আমি আজিকালি ৰাষ্ট্ৰীয় ঘাই পথেৰে অহা-যোৱা কৰোতে নানাধৰণৰ নতুন নতুন Sophisticated Machine ব্যৱহাৰ কৰা দেখা পাওঁ। এই মেচিনসমূহ কেনেকৈ চলাব, কিমান ভালকৈ চলাব, কিমান Economically চলাব এই গোটেইবোৰ কথাৰ বাবে Training ৰ প্ৰয়োজন হয়। তাৰ কাৰণে Design of Training ৰ সৃষ্টি কৰিছে, Design of Training বনাইছে। তাদুপৰি আমাৰ চৰকাৰ খনে কিছুমান Expert ৰ সৃষ্টি কৰিছে- DTS অৰ্থাৎ Direct Training Skill কাৰণ DTS নোহোৱাকৈ DOT বনাব নোৱাৰে। DTS আৰু DOT নহ'লে Training নহয়। আমাৰ চৰকাৰখনে DTS আৰু DOT বনাবাৰ বাবে চকু দিছে আৰু Infrastructure বনাবৰ বাবে দুখন ঠাই বাচি লৈছে। প্ৰায় এক হাজাৰ বিঘা মাটি ওমৰাংচুত বাচি লৈছে আৰু এই দুখন Training Institute য়ে আমাৰ কৰ্মচাৰীসকলৰ কৰ্মদক্ষতা নিশ্চয় বঢ়াব। এই কথাসমূহ আমাৰ ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত অন্তৰ্ভুক্ত কৰাৰ বাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। আজি কৃষিৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিছে, আমাৰ ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত উল্লেখ কৰিছে। আমাৰ কৃষিৰ ক্ষেত্ৰত উৎপাদন ক্ষমতা বাঢ়ি গৈছে। আজিকালি দেখা গৈছে যে আমাৰ গাওঁৰ ল'ৰা-ছোৱালীসকলে কলেজ যোৱাৰ পিছত খেতিৰ মাটি চন পৰি গ'লেও খেতি কৰিবলৈ উভতি নাযায়। কিন্তু আজিকালি আমাৰ চৰকাৰে কৃষকসকলক আকৰ্ষণ কৰিবৰ বাবে ট্ৰেক্টৰ দিছে, কৃষিৰ সঁজুলী কিনিবৰ বাবে ৫ হাজাৰকৈ টকা দিছে, বিভিন্নধৰণৰ কৃষিৰ loan দিছে। ইয়াৰোপৰিও কৃষকসকলৰ যি loan, সেইটো বহু ক্ষেত্ৰত ৰেহাই দিছে। চৰকাৰৰ এইবোৰ পদক্ষেপে আমাৰ কৃষকসকলক লাভান্বিত কৰাৰ লগতে আমাৰ নৱ প্ৰজন্মকো কৃষিৰ ক্ষেত্ৰত আগ্ৰহী কৰিছে। চৰকাৰৰ এই পদক্ষেপৰ বাবে আৰু আমাৰ ৰাজ্যপাল মহোদয়ে নিজৰ ভষণত উল্লেখ কৰাৰ বাবে মই তেখেতসকলক হৃদয়েৰে ধন্যবাদ জনাইছো। অসম চুক্তি ১৯৮৫ চনতে স্বাক্ষৰিত হৈছিল। অসম চুক্তিৰ আধাৰত তেজপুৰ ইউনিভাৰচিটি স্থাপিত হৈছিল। বগীবিল দলং অসম চুক্তিৰ আধাৰত হৈছে নে নাই মই নাজানো, কিন্তু সম্পূৰ্ণ হ'ল। এতিয়া কিন্তু আমাৰ চৰকাৰে অসম চুক্তিৰ আধাৰত কিছু কাম কৰিছে। যেনেকৈ আমাৰ সীমান্তৰ কাইটীয়া তাঁৰবোৰ সোণৰ কণী পৰা হাঁহৰ দৰে বুলি কয়। মই যেতিয়া উৰা জাহাজেৰে আগৰতলা গৈছিলো, মই দেখিছিলো ক'ত ক'ত কাইটীয়া তাঁৰ আছে। কিন্তু মই আৰু

আমাৰ কিছু মাননীয় সদস্যৰ লগত যেতিয়া আমাৰ চৰকাৰৰ উদ্যোগত ধুবুৰীৰ কিছুমান সীমান্ত এলেকা ভ্ৰমণ কৰিছিলো, তেতিয়া মই তাত Porous Border দেখিবলৈ পাইছিলো। মই তাত থকা জোৱানক সুধিছিলো যে আমাৰ সীমা ক'ত আছে। তেতিয়া তেওঁ কৈছিল "সেই মাজৰ আলিটো, তাৰ সেইফালে বাংলাদেশ আৰু এইফালে অসম।" এনেক্ষেত্ৰত আমাৰ অসমত বাংলাদেশী আহিবলৈ কি অসুবিধা আছে? Riverine area সমূহত মাজে মাজে নাৱেৰে Petroling কৰা হয়। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে সেই অঞ্চলসমূহলৈ গৈ সেইবোৰ ঠাই ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লৈছিল আৰু লগে লগে নিৰ্দ্দেশ দিছিল যে কম সময়ৰ ভিতৰত যিবোৰ Porous area আছে, সেইবোৰ কাঁটা তাঁৰেৰে বন্ধ কৰি দিব লাগে। এইটো অসম চুক্তিৰ আধাৰত নিৰ্ধাৰিত হোৱা এটা পদক্ষেপ। যিটো ইমান দিনে অবহেলিত হৈ আছিল, সেইটো আমাৰ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰ লগতে এইখিনি কথা আমাৰ ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত অন্তৰ্ভুক্ত কৰাৰ বাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। Connectivity এটা ডাঙৰ শব্দ। অৰ্থনৈতিক উন্নয়ণৰ বাবে Connectivity অতি প্ৰয়োজনীয়। আমাৰ অসমত বিভিন্ন Connectivity ৰ ভিতৰত Road Connectivity অতি পিছপৰা। আজি দুই বছৰ আঠ মাহত আমাৰ যিমান ৰাস্তা বনোৱা হৈছে, তাৰ বাবে প্ৰবীণ ডেকাসকলে কয় যে "বোপাই, ইমান দূৰ ৰাস্তা কেনেকৈ আহিলি?" তেতিয়া কওঁ যে, আগতেও আহিলেহেঁতেন। আগতে নানিলে, এতিয়া আমাৰ চৰকাৰে আনিছে। কাৰণ আমাৰ চৰকাৰখনে প্ৰগতি বিচাৰে। Without proper connectivity আমাৰ শিক্ষা ব্যৱস্থাত বাধা হ'ব, স্বাস্থ্যৰ ক্ষেত্ৰত বাধা হ'ব, লগতে অন্যান্য উন্নয়ন মূলক কামতো বাধা হ'ব। সকলোতে আমি পিছপৰি ৰম। সেয়েহে অতি ক্ষীপ্ৰতাৰে গোটেই অসমতে ৰাস্তাবোৰ বনাই থকা হৈছে, কাঠৰ দলংবোৰ পকা দলংলৈ ৰূপান্তৰিত হৈ আছে আৰু এইবোৰ দেখি মানুহবিলাকে বিতুষ্ট হৈছে। এই ৰূপান্তৰ দেখি মানুহে পাহৰি যায়, ৰাস্তাত কোনে জোৰ লৈ ওলাইছে বা ক'লা পতাকা উৰুৱাইছে? সকলোৱে ভাৰতীয় জনতা পাৰ্টীৰ এই মিত্ৰজোঁট চৰকাৰখনক ভাল পায়। সকলোৱে ভাৰতীয় জনতা পাৰ্টিৰ এই মিত্ৰজোঁটৰ চৰকাৰখনক ভাল পায় আৰু কিয় ভাল পায় তাৰ প্ৰমাণ মই বেলেগকৈ দিবলৈ নাযাওঁ। যোৱা পৰিষদীয় নিৰ্বাচনৰ ৰিজাল্টত বিজেপিৰ মিত্ৰজোঁটে গোটেইখন ধূলিছাট কৰি পেলালে। অসমত বিদেশী আহিব বুলি বহুত হুলস্থূল কৰা হৈছিল, ১ লাখ ৯৩ হাজাৰ বিদেশী আহিবলৈ ৰৈ থকা ইত্যাদি কথাবোৰো কোৱা হৈছিল। কিন্তু, অসমৰ ৰাইজে এনে ধৰণৰ কোনো কথাকে বিশ্বাস নকৰিলে। এই চৰকাৰখনে কৰা ভাল কাম তথা ৰাইজৰ বাবে অনা আঁচনি সমূহৰ ওপৰতহে অসমৰ ৰাইজে বিশ্বাস কৰে। Connectivity, বিশেষকৈ ৰাস্তা-পদূলিৰ ক্ষেত্ৰত আমাৰ চৰকাৰখনে যি পদক্ষেপ লৈছে সেইখিনি মই নশলাগি নোৱাৰো। আগতে মানুহে বেমাৰ-আজাৰৰ নামত হস্পিতাললৈ যাব নোৱাৰি, ঔষধ কিনিব নোৱাৰি মৰিব লগীয়া হৈছিল। আমাৰ চৰকাৰে প্ৰৱৰ্তন কৰা 'অটল অমৃত অভিযান', 'SUHRID' আঁচনিৰ বাবে আজি ৰাইজে MLA ৰ ওচৰত দৰ্খাস্ত লৈ আহিব পাৰিছে। 'অটল অমৃত অভিযান'ৰ জৰিয়তে তেওঁলোকক চিকিৎসাৰ বাবে ২ লাখ টকাকৈ সাহায্য দিয়া হৈছে। লগতে অন্য চৰকাৰী সাহায্যও প্ৰদান কৰা হৈছে। 'আয়ুস্মান ভাৰত' আঁচনিৰ জৰিয়তে প্ৰতিটো পৰিয়ালক ৫ লাখ টকাৰ সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। অলপতে মই চকু দেখুৱাবলৈ হস্পিতাললৈ গৈছিলো, তাত 'আয়ুস্মান ভাৰত'ৰ মানুহ বহি থকা দেখিবলৈ পাইছিলো। হস্পিতাললৈ যদি 'আয়ুস্মান ভাৰত'ৰ কাৰ্ডখন লৈ যোৱা হয়, তেন্তে তেওঁলোকে ভালদৰে সহায় কৰি দিয়ে।। B. Barooah Cancer Institute,

GMCH আদি সকলোতে স্বাস্থ্যমিত্ৰসকলে ডিঙিত গামোচা লৈ বহিয়েই থাকে যাতে তেওঁলোকক সহজতে চিনাক্ত কৰিব পাৰি ।

**মাননীয় অধ্যক্ষঃ** হাজৰিকা ডাঙৰীয়া, try to conclude now.

**মাননীয় শ্ৰী দেৱানন্দ হাজৰিকা, (বিহপুৰিয়া)ঃ** মহোদয়, মোৰ ক'বলগীয়া বহু কথা আছিল।

**মাননীয় অধ্যক্ষঃ** মোৰ আপত্তি নাই, যদি আপোনালোকৰ অন্য সদস্যই নকয়।

**মাননীয় শ্ৰী দেৱানন্দ হাজৰিকা, (বিহপুৰিয়া)ঃ** হয়, আমাৰ পাৰ্টিৰ আন সদস্যৰ বাবেও আমি সময় ৰাখিব লাগিব। অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত যদি আমি উনুকিয়াই চাওঁ তেন্তে দেখিবলৈ পাম যে 'SUHRID' আঁচনিৰ জৰিয়তে চৰকাৰে দুখীয়া ল'ৰা-ছোৱালীক fees মাফ কৰি দিছে, ভালকৈ পঢ়িবলৈ সকলো সহায় আগবঢ়াইছে। চৰকাৰে মেডিকেল কলেজ খুলি দিছে, ইঞ্জিনীয়াৰিং কলেজ বঢ়াই গৈ আছে একমাত্ৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ বাবে । এনে ধৰণৰ পদক্ষেপ সমূহ লোৱাৰ বাবে অসমৰ ৰাইজে আমাৰ চৰকাৰখনক ভাল পায় । গতিকে ভৱিষ্যতলৈ আমি এনে ধৰণৰ ভাল কামসমূহ কৰি যাব পাৰিম। অন্য বহুতো অঞ্চলৰ প্ৰগতিৰ কথা আমাৰ সহযোগী সকলে নিশ্চয় উত্থাপন কৰিব।

বিৰোধীৰ কামেই হ'ল বিৰোধিতা কৰা। তেওঁলোকে কেতিয়াবা কয় যে হস্পিতাললৈ 'অটল অমৃত অভিযান'ৰ কাৰ্ডখন লৈ গ'লো কিন্তু তাত কি কৰিব লাগে নাজানি ঘৰলৈ ঘূৰি আহিলো। তেতিয়া মই সুধিলো যে, তুমি মোক তাৰ পৰা কিয় ফোন নকৰিলা? তেওঁ ক'লে যে বিধায়কলৈ ফোন কৰিবলৈ ভয় লাগে। কিন্তু বিধায়কলৈ ভয় কৰিব লগীয়া সংস্কৃতি আমাৰ বিজেপিৰ বিধায়কৰ লগত নাই। বহু ক্ষেত্ৰত আমি দেখো যে, আমাৰ মানুহে কিছু বিধায়কক লগ কৰিবলৈ গ'লে চিপাহী-সন্তসমূহ গেটতে ৰখি থাকে, কোন হয়, কি কথা আদি সকলো শুধে আৰু সোমাবলৈ নিদিয়ে। কিন্তু আমাৰ পাৰ্টিৰ বিধায়ক সকলৰ ঘৰলৈ যদি যোৱা হয়, তেতিয়া দেখিবলৈ পাব যে, চিপাহী-সন্তসমূহ ভিতৰতে বহি থাকে। আনকি অধ্যক্ষ মহোদয়ে যেতিয়া মোৰ ঘৰলৈ গৈছিল তেতিয়া তেওঁ কোনো ধৰণৰ পুলিচ মোৰ ঘৰত দেখা পোৱা নাছিল। কাৰণ চিপাহী-সন্ত যে প্ৰয়োজন এইবোৰ কথা আমি বিশ্বাসেই নকৰো। আমাক ৰাইজেই নিৰ্বাচিত কৰি ভোট দি জয়ী কৰিছে আৰু ৰাইজে নিৰ্বাচিত কৰা সদস্য গৰাকীক ৰাইজেই ৰক্ষা কৰিব। এই কথাটো বিজেপিৰ প্ৰত্যেকজন সদস্যই বিশ্বাস কৰে আৰু এই বিশ্বাস সদায় অটুট থাকিব। কাৰণ ভাল কাম কৰিলে কোনেও লাঠি লৈ নাহে, কেৱল হাত জোৰ কৰিহে আহিব। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিব ওলাইছো লগতে মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত চৰকাৰৰ উন্নয়নৰ কাম-কাজ সমূহ দাঙি ধৰাৰ বাবে তেখেতক শ্ৰদ্ধা জ্ঞাপন কৰি ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষঃ** আমাৰ ওচৰত কেইবাজনো বক্তাই জাননী দিছে, কিন্তু প্ৰথমে Amendment move কৰা কেইজনক সুযোগটো দিব লাগিব। গতিকে প্ৰথম, হাফিজ বচিৰ আহমেদ ডাঙৰীয়া, আপুনি ক'ব।

**মাননীয় হাফিজ বচিৰ আহমেদ, (পশ্চিম বিলাসীপাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ অনা হৈছে তাৰ বিৰোধিতা কৰি দু-আষাৰ ক'বলৈ মোক সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, আমি ৰাজ্যপালৰ ভাষণত দেখিছো যে তেখেতে এই চৰকাৰখনৰ শান্তি, সম্প্ৰীতি, ভাতৃত্ববোধ আৰু এক উজ্জ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতিৰ কথা ইয়াত উল্লেখ কৰিছে। এইটো কথা সঁচা যে কোনো এখন ৰাজ্য, ৰাষ্ট্ৰ বা এলেকাৰ যদি উন্নয়ন বিচাৰো তেন্তে তাত শান্তি-সম্প্ৰীতি,ভাতৃত্ববোধ অটুট থাকিবই

লাগিব। শান্তি-সম্প্ৰীতি যদি অটুট নাথাকে তেনেহ'লে তাত যিমানেই ডাঙৰ আৰু দামী পৰিকল্পনা বা আঁচনি আমি গ্ৰহণ নকৰো কিয় তাৰ আশানুৰূপ ফল কেতিয়াও পোৱা নাযাব। চৰকাৰে ইয়াত যথেষ্ট উন্নয়নমূলক কামৰ কথা উল্লেখ কৰিছে যিবোৰ মই বিশ্লেষণ কৰিবলৈ যাব বিচৰা নাই। এটা কথাই ক'ব বিচাৰিছো যে, শান্তি-সম্প্ৰীতিৰ ক্ষেত্ৰত চৰকাৰে বিভিন্ন সময়ত বিভিন্ন উক্তি দিছে, কিন্তু বাস্তৱত আমি আন্তৰিকতাৰে শান্তি সম্প্ৰীতি অটুট থকাটো দেখিবলৈ পোৱা নাই। মই ইয়াত এটা বিবৃত্তি পঢ়ি দিব বিচাৰিছো- ২০১৭ চনৰ আগষ্ট মাহৰ ২৭ তাৰিখে নগাওঁ জিলাত ছালফা আৰু এজন ব্যৱসায়ীৰ মাজত যি সংঘৰ্ষ হৈছিল, সেই পৰিপ্ৰেক্ষিতত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা statement দিছিল যে, "Harmony and unity are the strengths of the greater Assamese society that has assimilated people from different faiths, beliefs and linguistic groups over the years. I am deeply saddened by the recent untoward incident that took place in Nagaon." সি যি কিনহওঁক, ইয়াত তেওঁ অত্যন্ত দৃঢ়তাৰে কৈছে যে, assimilation of people from different faiths, beliefs and linguistic groups; তেওঁলোকৰ সৰলতা আৰু তাৰ ফলস্বৰূপে ইয়াত শান্তি, সম্প্ৰীতিৰ কথা উল্লেখ কৰিছে। কিন্তু সম্প্ৰতি, অসমৰ দায়িত্বশীল শাসকীয় গোষ্ঠীৰ পৰা যি ধৰণৰ সাম্প্ৰদায়িক উক্তি আমি শুনিবলৈ, দেখিবলৈ আৰু পঢ়িবলৈ পাইছো, সেই ক্ষেত্ৰত কিন্তু তেওঁলোকে বা মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱা ধৰণে আন্তৰিকতাৰে যে বিচৰা নাই সেই কথা প্ৰতিপন্ন হয়। অসমত বিদেশী আছে নে নাই সেইটো চিনাক্ত কৰি আইনী প্ৰক্ৰিয়াৰে তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই ক্ষেত্ৰত আমাৰ কাৰো দ্বি-মত নাই, কিন্তু নতুনকৈ সম্প্ৰতি বিশেষকৈ মই স্পষ্টভাৱে ক'ব বিচাৰিছো যে এটা বিশেষ সম্প্ৰদায়ৰ মানুহক target কৰি বিদেশী label লগোৱা হৈছে বা অপবাদ দিয়াৰ এটা প্ৰচেষ্টা চলোৱা হৈছে। সম্প্ৰতি অসমত ৩ কোটি ৩০ লাখ মানুহৰ জনসংখ্যা আছে, য'ত ১ কোটি ৭ লাখ মুছলমান মানুহ আছে। এই ১ কোটি ৭ লাখ মানুহক কোনোৱাই যদি মাৰি কাটি বা খেদি দিব পাৰি বুলি , সেই চিন্তা-ধাৰা থকা মানুহজনক বাস্তৱ জগতৰ মানুহ বুলি আমি ক'ব নোৱাৰো। ইয়াত কিছুদিন আগতে আমি দেখিছিলো এই সমস্যা আজি নতুন নহয়। স্বাধীনতাৰ পিছৰ পৰাই এই সমস্যাটো বিভিন্ন সময়ত বিভিন্ন ধৰণে ইয়াক annalyse কৰা হৈছে বিভিন্ন ধৰণে ইয়াক প্ৰকাশ কৰা হৈছে আৰু ইয়াৰ ওপৰতো বিভিন্ন পদক্ষেপো লোৱা হৈছে। ইংৰাজ চুক্তি হৈছে, ১৯৮৩ ৰ IMDT আইন বনোৱা হৈছে, ১৯৮৫ ত Assam Accord হ'ল, ২০০৫ চনত আকৌ IMDT আইন বাতিল হ'ল, ২০১৪ চনত ভাৰত বাংলাদেশৰ Land Agreement হ'ল, ২০১৫ চনত NRC Update ৰ কাম আৰম্ভ হ'ল। এতিয়া NRC ক লৈও বিভিন্ন ধৰণৰ বিতৰ্কৰ সূচনা হৈছে। অৱশেষত এই সকলোবোৰ সমস্যাৰ অন্ত হ'ব নে নাই আমি অপেক্ষা কৰিছো। আজি NRC ক লৈ বিভিন্ন ধৰণৰ প্ৰশ্ন উত্থাপন হৈছে। Citizenship Amendment Bill 2016 ৰ Amendment ৰ কথা কৈ শাষকীয় দলে কৈ আছে যে কোনো ক্ষতি নহয় কিন্তু বুদ্ধিজীৱি সকলে কৈ আছে যে ইয়াৰ দ্বাৰা অকল অসমৰে নহয় সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল ক্ষতিগ্ৰস্ত হ'ব। এই বিতৰ্কৰ মাজত NRC খন হওক। এইটো সকলো ৰাজনৈতিক বা অৰাজনৈতিক দলে বিচাৰে। NRC ৰ জৰিয়তে অসমৰ দীৰ্ঘদিনীয়া বিদেশীৰ সমস্যা সমাধান হওক। এইটোত কাৰো দ্বিমত নাই। ইয়াৰ মাজতে জিন্নাৰ বংশধৰ, ৩০-৩২ টা সমষ্টি তথা টুপী-লুঙ্গী-দাড়ি এই ধৰণৰ কিছুমান সাম্প্ৰদায়িক কথা ইয়াৰ মাজত সোমালে। ই অসমৰ কাৰণে অত্যন্ত দুৰ্ভাগ্যজনক। আমি জানিব লাগিব যে অসমৰ বিভিন্ন

সময়ত বিভিন্ন পর্য্যায়ত ভৌগলিক সীমা পৰিবৰ্তন হৈ আহিছে। ১৩ শতিকাত ১২১২ চনত প্ৰথম মুছলমান সকলৰ আগমন ঘটিছিল, ১২২৬ চনত আহোম সকলৰ আগমন ঘটিছিল। এই ১৩ শতিকাতে আহোম আৰু মোগল সকলৰ মাজত সংঘৰ্ষ হৈছিল। তাৰ পিছত বহু মুছলমান লোকক আহোম ৰজাই অসমত সংস্থাপন দিছে। ইয়াৰ পাছত আমি যদি অসমৰ ভৌগলিক মানচিত্ৰ চাওঁ তেতিয়া দেখিম যে অসমৰ Boundary ত যথেষ্ঠ সালসলনি ঘটিছে। বৰ্তমানৰ ধুবুৰী, গোৱালপাৰা, বঙ্গাইগাওঁ আৰু কৰিমগঞ্জ জিলা লগতে কোকৰাঝাৰ আৰু চিৰাং জিলাৰ এটা অংশ ১৭৬৫ লৈকে মোগল ৰাজত্বৰ অধীনত আছিল। এই সকলোখিনি এলেকা বৰ্তমান কৰিমগঞ্জৰ বাহিৰে ৰংপুৰ জিলাৰ অধীনত আছিল। আকৌ ১৮২২ চনত এটা নতুন জিলা গঠণ কৰা হ'ল সেইখন হ'ল North East ৰংপুৰ। তাত ওপৰত উল্লেখিত ঠাই সমূহ অন্তৰ্ভুক্ত হোৱা নাছিল। ইয়াৰ পিছত ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পিছত যেতিয়া ব্ৰীটিছৰ লগত অসমখন Annexed হয়, তেতিয়া এই area খিনি অসমৰ গোৱালপাৰা জিলাৰ লগত fixed হয়। ইয়াৰ্ পাছত ১৮৬৭ চনত সমগ্ৰ গোৱালপাৰা জিলা কোচবিহাৰ, বেংগলৰ লগত যোগ হয়। অৱশেষত ১৮৩৬ চনত এই গোৱালপাৰা জিলাখন আকৌ অসমৰ অন্তৰ্ভুক্ত হয়। ইয়াৰ পাছত কেইজনমান দায়িত্বশীল ব্যক্তিয়ে যেতিয়া ধুবুৰী, গোৱালপাৰা, বঙ্গাইগাওঁত কিয় NRC ত বাংলাদেশী নোলায় বুলি দিয়া মন্তব্য সম্পূৰ্ণ ভিত্তিহীন। এইটো তেওঁলোকে নিশ্চয় কিবা এটা উদ্দেশ্য সন্মুখত ৰাখি এই কথাষাৰ কৈছে। অসমত বেঙ্গলীভাষী মানুহ মূলৰ পৰাই আছে। আজি ছিলেটী মানুহৰ কথা বা West Bengal ৰ কথা, এই সকলোবোৰ আমি একেবাৰে deny কৰিব নোৱাৰো। বৰাক ভেলীৰ ভিতৰত যদি আমি চাওঁ বৰ্তমানৰ বৰাকভেলী আগতে কেতিয়াও অসমৰ অন্তৰ্ভুক্ত নাছিল। বৰ্তমান কৰিমগঞ্জ জিলাও ১৭৬৫ লৈকে মোগলৰ অধীনত আছিল। তেনেদৰে বৰ্তমান কাছাৰ আৰু হাইলাকান্দি জিলা ত্ৰিপুৰা শাসনৰ অধীনত আছিল। তাৰ পিছতহে কাছাৰ আৰু হাইলাকান্দি জিলা Independent District হৈছিল। ব্ৰীটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ইয়াক নিজৰ আয়ত্বলৈ লোৱাৰ আগলৈকে ১৮৩২ চনত এইটো কাছাৰ Kingdom ৰ লগত আছিল। Partition ৰ সময়ত ১৯৪৭ত কাছাৰ , হাইলাকান্দি আৰু কৰিমগঞ্জ জিলা ভাৰতৰ লগত থাকি যায় আৰু ছিলেটৰ এটা পাৰ্ট এতিয়াৰ বাংলাদেশলৈ গুচি যায়। এই যি তথ্য বা Historical Background আছে তাৰ পিছতো কিছু লোকে এই বোৰ্ডাৰ এৰিয়াত থকা বেংগলীভাষী লোক সকলক বাংলাদেশী সজোৱাৰ চেষ্টা কৰিছে। এটা কথা ঠিক যে অসমত যদি কোনো বিদেশী আছে তেওঁলোকক চিনাক্ত কৰি বহিস্কাৰ কৰিব লাগে। ইয়াত কাৰো দ্বিমত নাই। কিন্তু শংকৰৰ আজানৰ দেশ অসমত হিন্দু, মুছলমান, খ্ৰীষ্টানধৰ্মী লোক অতীজৰে পৰা একেলগে বসবাস কৰি আহিছে। ভাৰতবৰ্ষত ৩৩ হাজাৰতকৈও বেছি সাম্প্ৰদায়িক সংঘৰ্ষ সংঘটিত হৈছে। কিন্তু অসমত ধৰ্মৰ নামত কোনো সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা নাই। সেইকাৰণে আমি এটা constructive thinking, আজান পীৰে যিটো কৈছিল "মৰমৰ ভেদভাৱ নাই অ' আল্লা, মৰমৰ হীনপৰ নাই" সেই লক্ষ্য আমি সন্মূখত ৰাখি যাতে আ গবাঢ়ি যাব পাৰো নহ'লে আমি সেই ১৯৪৭ চনৰ পৰা ২০১৯চনলৈ আৰম্ভ হৈছে, এই বিদেশী আৰু স্বদেশী এইবিলাক ভাবি আমি আমাৰ মুল্যবান সময় energy আমাৰ অৰ্থ আমি ব্যয় কৰি আছো। যিখিনিত আমাৰ অসম বহুত আগুৱাই যাব পাৰিলে হেতেন । যিটো আমি পৰা নাই। সেই কাৰণে আমাৰ বহুত পদক্ষেপ ল'ব লগা আছে। মই আশা ৰাখিছো যে আমাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ লগতে চৰকাৰৰ কতৃপক্ষক যাতে আমি parliamentary ৰ কথা উল্লেখ কৰিব দি, যাতে আমাৰ মাজত কোনো বিভাজন বা ধৰ্মৰ ভিত্তিত যাতে আমাৰ মাজত কোনো ধৰণৰ সংঘাট নহয়, তাৰ

কাৰণে মই অনুৰোধ জনাই মোৰ বক্তব্য ইয়াতে সামৰিছো। জয় হিন্দ।

মাননীয় অধ্যক্ষ ঃ-Thank you very much, আমাৰ ডেকা ডাঙৰীয়াই, আজি তেখেতে ক'ব বিচৰা নাই। এতিয়া মই তৰুণ গগৈ ডাঙৰীয়াক কবলৈ অনুৰোধ কৰিছো।

**শ্ৰী তৰুণ গগৈ, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই বিশেষকৈ ধন্যবাদ দিছো এই Governor address ৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱত ক'বলৈ দিয়াৰ কাৰণে। Governor address টো আমি সদায় seriously লওঁ। seriously লওঁ এই কাৰণেই যে Governor address ত যদি আমি কওঁ Government of Assam বা যি Government য়েই হওঁক, এই address ত আমি কোনটো direction ত যাব লাগে বা বিভিন্ন দিশত যে agriculture policy য়েই হওঁক বা Job creation ৰ policy য়েই হওঁক flood ৰেই হওঁক বা Education policy য়েই হওঁক, বিভিন্ন যিবিলাক সমস্যা আছে, এই সমস্যা বিলাকৰ প্ৰতিখন ছবি দাঙি ধৰে। আৰু তাৰ পৰা আমি জানিব পাৰিম যে এই চৰকাৰখনে achivement ৰো কথা আহে, কোনটো লাইনত যাব। কিন্তু এইটো এটা দুৰ্ভাগ্য যে অসমৰ যিটো মুল সমস্যা, যিটো সমস্যাক লৈ অসম আজি অগ্নিগৰ্ভা, অসমীয়াই আজি আন্দোলনমুখী হৈছে, এই বিষয়ৰ কিন্তু এটাও শব্দ নাই। অসমৰ যিটো মুল সমস্যা, যদি আমি মুল সমস্যাটোকে সমাধান নকৰো, development ক'ৰ পৰা আহিব। আজি যদি strike য়েই হৈ থাকে, black flag demonstration য়েই হৈ থাকে, তেতিয়া হ'লে এই development, agriculture য়েই হওঁক বা communication য়েই হওঁক education য়েই হওঁক ক'ত থাকিব? মুল সমস্যাটোৰ বিষয়ে এষাৰো মাত নামাতিলে। বৰঞ্চ ক'লে অসমত কোনো সমস্যাই নাই। ইয়াত peace আছে, harmony আছে। আমি এনেধৰণৰ আন্দোলন কেতিয়া দেখিছো?

**(সদনত হুলস্থুল)**

আন্দোলন হোৱা নাই বুলি মই নকওঁ। আন্দোলন আছিল। আজি যিটো হৈ আছে, মইও টো ১৫ বছৰ

মুখ্যমন্ত্ৰী আছিলো। Black flag মোক এবাৰহে দেখুৱালে। মই ধন্যবাদ দিছো। সেই সময়ত আপোনাসকলে মোক নিদিয়াৰ কাৰণে, আজি যি সকল বিজেপি, সেই নেতা সকলক মই ধন্যবাদ দিছো। কাৰণ মোৰ প্ৰতি তেখেত সকলৰ নিশ্চয় কিবা soft corner আছিল। ন'হলে তেখেত সকলে কিয় নিদিলে? সেইটো ১ নং কথা। আজি যি সকলে ক' ব বিচাৰে, যে এইখিনিক আজি কংগ্ৰেছে উচতাইছে। মুখ্যমন্ত্ৰীয়েও কয় । আমি আছো, আপোনালোকৰ লগত একেলগে থকা এই বন্ধু আমাৰ মহন্তকে কওঁক , বৰাকে কওঁক, হাজৰিকাকে আদি কৰি আমি উচতাইছো বোলে। না কেশৰ মন্ত্ৰীয়েই হওঁক না আপোনালোকৰ কৰ্মচাৰীসকলেই কিয়, এই কৰ্মচাৰী সকল চৰকাৰী কৰ্মচাৰী, সাহিত্য সভাই হওঁক সকলোকে। এইটো অপপ্ৰচাৰ কৰি আজি যদি আমি ইমান popular এতিয়াওঁ আমাৰ মতেৰেই সকলোৱে চলে, তেনেহ'লে আমি ইয়াত ন'বহিলো হয়, মই তাতে বহি থাকিলো হয়। পাটোৱাৰী ইয়াত বহিল হয়। যদি মই এতিয়াও ইমান popular যে নহয় আমাৰ মতে গোটেই অসমৰ ছাত্ৰ আমাৰ লগত যায়, ঠিক পাটোৱাৰীয়ে কৈছে আমাৰ কথা মতে চলে, মই কৈছো আমাৰ কথা নালাগে, শুনক আছুৰ কথা। আপোনালোকৰ বন্ধু মহন্ত বা এ জি পি ৰ কথা শুনক আমাৰ কথা শুনিব নালাগে। তেখেতসকলৰ কথা শুনি যদি শ্বহীদ পৰিয়ালৰ কথা যদি শুনে, মই ভাল পাম। আজি ঠিক Assam accord ৰ কথা কওঁ, তাত শ্বহীদো হৈছে। কংগ্ৰেছ মানুহো হৈছে। কিন্তু সেই Assam accord আজি কি কয়, কাৰ লগত হৈছিল? কোনে

কৰিছিল? accord কেতিয়া কৰিছিল? আৰু কেতিয়া তেখেত সকলে দৰ্খাস্ত দিছিল?

**(সদনত হুলস্থুল হয়)**

implement কৰিছে আমি ভাল পাইছো। implement কৰাৰ কাৰণে এই Citizen Amendment Bill খন আনিছে। আজি infiltration কথা কৈছে। এই Govt. ৰ দিনত কিমান inch হ'ল কওঁক fancing দিলে হয়, Riverine নোহোৰা কৰিব পৰা নাই , এতিয়াও হয়। ক'ত আছে? বৰঞ্চ যেতিয়া BJP Govt. আছিল, মই তেতিয়া আদৱানীলৈ লিখিছিলো, ক'ত কৰিলে? উলিয়াই দিয়ক, এই যে fancing বিলাক। যিবিলাক riverine, police out post বেছিভাগ, flood light কাৰ দিনত হ'ল? আপোনালোকে কওঁক riverine problem আছে, ক'ত কৰিলে? হয় কৈছে মুখ্যমন্ত্ৰী, গৈছেও, প্ৰথমে army দিয়াৰ কথাওঁ কৈছে। এতিয়া টো নকয়। এই চৰকাৰৰ দিনত আমি কিমানখিনি কৰিলো? এতিয়াও কৰাৰ দৰকাৰ আছে মইয়ো কওঁ। আদৱানী দাঙৰীয়াইও কৈছে, 31st december ত কৈছে। আজি Assam Accord violate কৰিবলৈ বিচাৰিছে। ৬ নং দফাৰ কথাটো কয়। ৬ নংৰ কথাটো এতিয়া নহয় ২০১৭ চনতে কৈছিল। ক'ত কৰিলে? 6 clause ৰ কথাটো কেখেতে Governor address ত ক'ত কৰিলে?

**( সদনত হুলস্থুল)**

আৰু এইটোও মনত পৰিছে ৫ বছৰ মুৰত এই election ৰ আগে আগে, মই আজিয়েই কৈছো, সেইখন যদি কৰিব পাৰে মই আপোনালোকক গামোচা পিন্ধাম।

**(সদনত হুলস্থুল)**

আপোনালোকে amendment ৰ কথা কয়, কৈছে। it is a contradictory amendment কেনেকে হ'ব? Constitution ত কি আছে? এইখন Constitution ত আমি কি কৰিছো? মই কৰা Constitution নহয় নহয়। We, the people of India having solemnly resolved to constitute India into a sovereign socialist secular democratic republic.

**(সদনত হুলস্থুল)**

মাননীয় অধ্যক্ষ ঃ-Please Rupjyoti, you should not shout like that, I am telling you don't shout like that please নুৰুল হুদা আপুনি আপোনাৰ seat ত যাওঁক।

**( সদনত হুলস্থুল)**

এতিয়া এইটোতো আমি কোৱা নাই। মোৰ কথাটোৰে সত্য। এইটো ৰাইজে বিচাৰিছে। কি কৰিছো, কি নাই কৰা। Secularism কি উদ্দেশ্যত discrimination কৰিলে। Violet the Constitution.15th Constitution ত কি কৰিলে। There cannot be dicrimination on groundvarious. অসমতো আছেই। গোটেই Constitution খন Violet কৰিব বিচাৰিছে। আজি এচ ডি ৰেলৱেই কৰিছে। বি ডি এচ এক্লুইম কৰিছে। আজি শিৱসেনাই হওঁক বা ওচৰৰ চুবুৰীয়া ৰাজ্য আছে। মনিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড হওঁক কিয় কৰিছে। তেওঁলোকে কৈছে এইটো dengerous. এতিয়া ২০১৪ চনলৈকে আহিছে আৰু মোৰ কথাতো যদি কৈছে মই কেতিয়াওঁ কোৱা নাই । Those who were Indian Citizen at the time of. যদি procecute হৈছে, দিয়ক। যদি procecute হৈছে, মোৰ

দিনত। মোৰ দিনত procecute হোৱা নাই। এতিয়া কেইখন পাইছে উলিয়াই দিয়ক। মোৰ দিনত পোৱা নাই। যদি procecute আছে, refugee status দিয়ক। মই ১৫ বছৰ এখনো পোৱা নাই। সেইসময়ত মই এখনো পোৱা নাই মই চেলেঞ্জ কৰিছো। আনকি ৰাজনাথ সিং ডাঙৰীয়াৰ আগতো কেইখন আছে মই উলিয়াই দিম। এইটো এটা ৰাজনীতি কৰিব লাগে বুলি হিন্দু- মুছলমানৰ, উপৰি এইখন ultimatly shut down হ'ব পাৰে। এন আৰ চি খন কিয় কৰিলো, বিদেশীমুক্ত কৰিবলৈ। (সদনত হুলস্থুলীয়া পৰিবেশ) বিদেশীমুক্ত কৰা আপোনালোকৰ এক নম্বৰ কথা আছিল যে আমি বিদেশীমুক্ত কৰিব লাগিব। এতিয়া বিদেশীক আনিবলৈ কিয় বিচাৰিছে। আপোনালোকৰ মতে বিদেশী নহয়। মোৰ মতে বিদেশী। এন আৰ চিৰ কথাটো। ড° হিমন্ত বিশ্ব শৰ্মাই কৈছে যে ২০১৪ চনৰ ভোটাৰ লিষ্টৰ কথা কৈছে। এতিয়া ২০১৯ ত ইলেকশ্যন হ'ব। এন আৰ চি ত নাম নাই। তেওঁলোকে ভোট দিবলৈ কব। এন আৰ চি ত নাম কটা গৈছে সেই বঙালী, হিন্দু সকলৰ। বিদেশীৰ নাম কাটিবলৈ নোৱাৰিলে। কবই নোৱাৰিলে । কিন্তু যিসকল হিন্দুৱে ভোট দিলে বিজে পিক, যিসকল হিন্দু ভাৰতীয় নাগৰিক তেওঁলোকৰ নাম কটা গ'ল। গমেই নাপালে। **(গণ্ডগোল)** আজি হিমন্ত বিশ্ব শৰ্মা এজন দায়িত্বশীল মন্ত্ৰী। খালেক জনীয়াৰ মানুহ। এইখিনিত দুই এজন থাকিব পাৰে মই কৈছো। এইখিনি ভাৰতীয় নাগৰিক। এইখিনি অসমীয়া । এইখিনিয়ে অসমীয়া ভাষাক লৈ অসমীয়া সাহিত্য কলা তেওঁলোকে পৰম পুজ্য কৰি আছে। আজি যে এনে ধৰণৰ বক্তব্য আহিছে অসমত শান্তি ক'ত অটুট থাকিব। অটুট থাকিব নে? অটুট ক'ত থাকিব ৰাজ্যপালৰ ভাষণেত যিটো কৈছে। শান্তি আজি নোহোৱা হ'ব। আছুৰে কি কয়। সেইটো মোৰ কথা নহয়। এ জি পি কি কয়। খিলঞ্জীয়াৰ বিৰুদ্ধে, বাংলাদেশীৰ পক্ষত বিশ্বাসঘাটক বুলি সমুজ্জ্বল ভট্টাচাৰ্য্যই মই কোৱা নাই । আজি চাওক , এই অৱস্থা কিয় হ'ল? আজি এই অৱস্থা যাৰ কাৰণে গোটেই অসমৰ পৰিস্থিতি, আজি এনে ধৰণৰ অশান্তি যাৰ ফলত আজি শিক্ষাই হওঁক, কৃষিৰ ক্ষেত্ৰতে হওঁক তাৰপাছতো এই চৰকাৰখনে যৰ ক্ৰিয়েট ক'ত গ'ল। এইটো ডাঙৰ কথা। কৰা নাই। আপোনালোকে কৈছে যে, ২৫ লাখ কৰিলো। কিমান লাখ কৰিলে। আজিতো আঢ়ৈ বছৰ হৈ গ'ল। যৰ ক্ৰিয়েট ক'ত গ'ল। বৰঞ্চ চি এম আই বুলি কয়। ১১ মিলিয়ন চাকৰিৰ লষ্ট হৈছে ভাৰতবৰ্ষত। অসমতো চিএম আইয়ে কি কৈছে। চিএমআই য়ে কৈছে ১১ মিলিয়ন। আমাৰ ইয়াত ক'ত যৰ ক্ৰিয়েট কৰিছে। ২৫ লাখ যৰ ক'ত ক্ৰেয়েট কৰিছে। আচল যিবিলাক প্ৰমিজ কৰিছিল আজি সেইবোৰ ঢাকিবৰ কাৰণে বিভিন্ন কথা কৈছে। ৰাস্তাৰ কথা কৈছে। যাতায়াত ব্যৱস্থা ভাল। সংযোগ ব্যৱস্থাৰ কথা মইয়ে কৈছো। ৰাস্তা চিকচিকিয়া হৈছে। তেজপুৰৰ ৰাস্তা খুৱ ভাল হৈছে। দেৰগাওঁত মই গৈছো এতিয়া টকা এতিয়া চেংশ্যন হৈছে। ৰাস্তা কি হৈ আছে মই জানো। কৃষিখণ্ডত ট্ৰেক্টৰ আমি দিছিলো। আপোনালোকে হয়তো দুখন বেচি দিব পাৰে। হৈছে নে নাই মই নাজানো। পাৱাৰ টিলাৰও দিছে। মোৰ তাত পোৱা নাই। আজি বগীবিলৰ কথা কৈছে। বগীবিল কেতিয়া আৰম্ভ হৈছিল। ভালকৈ ষ্টাডি কৰিব। এতিয়ালৈ মোদী চৰকাৰে ব্ৰহ্মপুত্ৰৰ ওপৰত এখনো দলং দিয়া নাই। এতিয়ালৈকে। বৰঞ্চ গাডকাৰীয়ে যোৰহাট আৰু মাজুলীৰ মাজত এটা ফাউণ্ডেশ্যন লে' কৰিলে। ষ্টাডিও হোৱা নাই। হয় তেওঁলোকে দুটা বস্তু দিছে। আমি দিয়াতো দিয়া বুলি কওঁ। আজি ঠিক সেই ধৰণে গুৱাহাটী স্মাৰ্ট চিটী আমাৰ দিনতে কৰিছো, মেট্ৰ'ৰ কথা কৈছে কত' কৰিলে। আনকি এইটো কথাও মই কৈছো ইষ্ট-ৱেষ্ট কৰিড'ৰ ক'ত দিছে। আমি যেতিয়া এচ আৰ ডি পি কৰিলো, তেতিয়া ডিব্ৰুগড়লৈকে ফ'ৰ লাইন কৰিলো। আজি Assam accord য়ে কওঁক,

Assam accord কাৰ লগত কৰিলে। ইন্দিৰা গান্ধীক তেখেত সকলে দিছিলে ফেব্ৰুৱাৰী মাহত। তেখেতেসকলে দৰ্খাস্ত দিলে। ইন্দিৰা গান্ধী ইয়ালৈ আহি গ'ল। কিন্তু প্ৰধান মন্ত্ৰীয়ে কয় আমি এইটো কৰিলো। আজি Advantage Assam ৰ কথা কৈছো, দুটা পেপাৰমিল বন্ধ হৈ গৈছে। মোৰ দিনত দৰমহা পাই আছিল। (গণ্ডগোল) মই দুবছৰ মোদী চৰকাৰৰ দিনতো আছিলো। চেংশ্যন কৰে, ৰিলিজ নকৰে। তেওঁলোকে ১৮০০০ হেজাৰ কোটি চেংশ্যন কৰিলে, ৰিলিজ কৰিলে ১২০০০ কোটি টকা। মই চেলেঞ্চ কৰি কম। মই জেট্‌লীক কৈছো। চেংশ্যন হৈছে, ৰিলিজ হোৱা নাই মই সন্দেহ কৰো। নহ'লে কামবোৰ কিয় হোৱা নাই। আজি মই এনেকুৱা চৰকাৰ দেখা নাই। আজি তৈলক্ষেত্ৰ ব্যক্তিগতকৰণ কৰিব ওলাইছে। ইতিমধ্যে ব্যক্তিগতকৰণ কৰিব বিচাৰিছে, এয়াৰপোৰ্ট ব্যক্তিগতকৰণ কৰিব বিচাৰিছে, আজি গোটেই বিলাক ব্যক্তিগতকৰণ কৰিব বিচাৰিছে। আজি বৰঞ্চ সংযোগ ব্যৱস্থাপনা, যোৰহাটৰ ফ্লাইট লাইনটো বন্ধ হৈছে। আমি টেকআপ কৰিছো, বেলেগ ফ্লাইট আহক। আপুনি যেনেকৈ কৰিছে, আমিও কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** নাই এই বিলাক নক'ব । Don't refer me here. That cannot be a part of the record I am requesting to you. সেইটো কথা নানিব।

**শ্ৰীতৰুণ গগৈ, মাননীয় সদস্য ঃ** ফ্লাড, ইৰোশ্যন এই কথাবিলাক ইয়াত নাই। flood , erosion is main problem এই কথাবিলাক ইয়াত নাইয়ে। আজি Agriculture এগ্ৰিকালচাৰটো ক'ৰ পৰা আহিল যদি ফ্লাডেই নাই , যদি ইৰোশ্যনেই নাই ? তেনেহ'লে আমি কি কাম কৰিলো ? আমাক সমালোচনা কৰিছিল - এই গভৰ্ণমেন্টখন ১০ বছৰ হ'ল ডিফং হ'ল।

**শাসকীয় পক্ষৰ পৰা মন্তব্য ভাহি আহে ঃ ছাৰ, কলগছৰ কথাটো কওঁক....।**

**মাননীয় অধ্যক্ষ ঃ** নাই নক'ব। মই এটা কথা ক'ব বিচাৰিছো গগৈ ডাঙৰীয়া আমাৰ হাতত আৰু ৭-৮ মিনিটমান আছে আপুনি যদি বক্তব্য শেষ কৰে ২-৩ মিনিটৰ ভিতৰত কৰিব লাগিব। মোৰ ২-৩ মিনিটমানৰ কাম এটা আছে , সেই কাৰণে কৈছো । নহ'লে যদি বিচাৰে পৰহিলৈ continue কৰিব পাৰিব একো অসুবিধা নাই।

**শ্ৰীতৰুণ গগৈ, মাননীয় সদস্য ঃ** মোৰ গেষ্ট হাউচটো লৈ মোক সমালোচনা কৰিছিল তেতিয়া মোৰ গেষ্ট হাউচটো চাওঁক আৰু এতিয়া তেখেতৰ গেষ্ট হাউচটো চাওক। হয়নে? আগতে সমালোচনা হৈছিল তৰুণ গগৈ হেলিকপ্তাৰত উঠে- এতিয়া তেওঁলোকেতো ২৪ ঘন্টাই হেলিকপ্তাৰত উঠে নহয়নে?

(শাসকীয় দলৰ সদস্যৰ লগত বাদ- বিবাদ )

**মাননীয় অধ্যক্ষ ঃ** Please .. he is going to conclude - কনক্লুড কৰিব। যদি কয়, মই আপোনাক পৰহিলৈ দিব পাৰো, যদি আপুনি আজিয়েই কয় সোনকালে শেষ কৰিব লাগিব।

**শ্ৰীতৰুণ গগৈ, মাননীয় সদস্য ঃ** আজি চৰকাৰৰ আমি প্ৰকৃত ছবিখন দেখা নাই। বিকৃত

ছৱিখনহে চাইছো।  আজি এজন মন্ত্ৰী  যিটো  ভাষণ দিছে, এতিয়া অসমত শান্তি সম্প্ৰীতি বিনষ্ট হৈছে । ভাৰতবৰ্ষৰ বুৰঞ্জীত  অসমৰ দৰে শান্তি - সম্প্ৰীতিৰ অন্যান্য উদাহৰণ আমি দেখা নাই। মই ভাবো অসমৰ এই সম্প্ৰীতি মুখ্যমন্ত্ৰীয়ে কিমান দিন ৰক্ষনা বেক্ষন দিব পাৰে মোৰ সন্দেহ। মোৰ দিনত মই বহু  control  কৰিছিলো , এতিয়া তেওঁ কিমানখিনি re-straint  কৰিব পাৰে নাজানো।  এতিয়া এইখিনি কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এটা কথা কৈছো- আমাৰ হাতত আৰু ৫ মিনিট আছে ।  আমাৰ অল পাৰ্টিৰ লিডাৰসকলৰ কনফাৰেন্সত এটা কথা কৈছিলে- যিখিনি আমাৰ এক্স এম এল এ আছে তেওলোকৰ যোৱাবাৰ পেনশ্যনৰ  বিলখন আনিছো  তাত এটা সৰু টেকনিকেল মিচটেক আছিল , সেই মিচটেকটো গুছাবৰ কাৰনে আমি এমেণ্ডমেণ্ড বিল এখন আনিছো। পৰহি ৰেডি নোহোৱা কাৰণে নহ'ল, অল পাৰ্টিৰ  Concensus  আমি বিলখন অহা ৫ তাৰিখে আমি আলোচনা কৰাৰ কথা আছে। গতিকে দুই মিনিট সময় সদনে যদি পাৰ্মিট কৰে মই বিলখন উত্থাপন কৰিবৰ বাবে দিব বিচাৰিছো।........ এতিয়া বিলখন চাৰ্কুলেট কৰিব ।

মই সংসদীয় পৰিক্ৰমা মন্ত্ৰীক ' The Assam Legislative Assembly Members' Salaries, Allowances,  Amenities and Pensions (Amendment) Bill, 2019 " সদনত অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুমতি বিচাৰিলো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয় " The Assam Legislative Assembly Members' Salaries, Allowances,  Amenities and Pensions (Amendment) Bill, 2019 "  সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰিবলৈ  দিয়াত সদনৰ  সন্মতি আছেনে? এতিয়া মই অনুমতি দিছো। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবলৈ এটা বাণী পঠিয়াইছে। বাণীটো হৈছে  Under the provision of Article-207 sub- clause-1 of the Constitution of India I shri Prof Jagdish Mukhi Governor of Assam recommend the introduction of the " The Assam Legislative Assembly Members' Salaries, Allowances,  Amenities and Pensions (Amendment) Bill, 2019  in the Assam Legislative Assembly  মই মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়  " The Assam Legislative Assembly Members' Salaries, Allowances,  Amenities and Pensions (Amendment) Bill, 2019 "  সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই বিধান সভাৰ প্ৰধান সচিৱক  বিধেয়কখনৰ  শিৰোনামা পঢ়ি দিবলৈ অনুৰোধ কৰিলো ।

**প্ৰধান সচিব, বিধান সভা ঃ**  বিধায়কখনৰ শিৰোনামা। " The Assam Legislative Assembly Members' Salaries, Allowances,  Amenities and Pensions

(Amendment) Bill, 2019 "

**মাননীয় অধ্যক্ষ ঃ** মই শেষত, অকণমান মৃত্যু প্ৰসংঙ্গ এটা উল্লেখ কৰিব বিচাৰিছো। আমাৰ এই অধিবেশন চলি থকা কালছোৱাতে দেশ তথা ৰাজ্যলৈ বিশেষ বৰঙনি আগবঢ়োৱা দুগৰাকী বৰণ্যে ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে। অতি দুখিত হৃদয়েৰে দুগৰাকী ব্যক্তিৰ বিয়োগত এই সদনৰ পবিত্ৰ মজিয়াত শোক প্ৰকাশ কৰিবলৈ আমি ইচ্ছা প্ৰকাশ কৰিছো। ১) জৰ্জ ফাৰ্ণাণ্ডেজ - প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা নিষ্ঠাবান সমাজ কৰ্মী জৰ্জ ফাৰ্ণাণ্ডেজৰ যোৱা ইংৰাজী - ২৯ জানুৱাৰী ২০১৯ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৯ বছৰ। ১৯৩০ চনত জন্ম গ্ৰহণ কৰা জৰ্জ ফাৰ্ণাণ্ডেজ ডাঙৰীয়া ক্ৰমে চতুৰ্থ- ষষ্ঠ- সপ্তম- অষ্টম- নবম- দশম- একাদশ- দ্বাদশ আৰু ত্ৰয়োদশ লোকসভাৰ সাংসদ আৰু ২০০৯ চনত ৰাজ্যসভাৰ সাসংদ হিচাপে সেৱা আগবঢ়োৱাৰ লগতে বিভিন্ন সময়ত ভাৰত চৰকাৰৰ মন্ত্ৰী সভাত ৰেল, প্ৰতিৰক্ষা, উদ্যোগ বিভাগকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিভাগৰ মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰি দেশলৈ উল্লেখনীয় সেৱা আগবঢ়াইছিল। তদুপৰি তেখেতে দেশৰ সংবাদ জগত তথা সামাজিক ক্ষেত্ৰখনত বিশেষভাবে ওতঃপ্ৰোতভাৱে জড়িত থাকি আমাৰ দেশলৈ নিষ্ঠা আৰু ঐকান্তিকভাৱে সেৱা আগবঢ়াই গৈছে। এই গৰাকী ভাৰতৰ প্ৰাক্তন মন্ত্ৰী তথা নিষ্ঠাবান সমাজ কৰ্মীৰ মৃত্যুত দেশৰ ৰাজনীতিত তথা সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

২) দীপক ভট্টাচাৰ্যী - প্ৰাক্তণ বিধায়ক তথা জ্যেষ্ঠ ৰাজনীতিক নেতা দীপক ভট্টাচাৰ্য্য যোৱা ইংৰাজী- ২৯ জানুৱাৰী তাৰিখে দেহাবসান ঘটে । মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৭৯ বছৰ। প্ৰয়াত ভট্টাচাৰ্যী ডাঙৰীয়া ১৯৭৮ চনত হাইলাকান্দি বিধান সভা সমষ্টিৰ পৰা চি পি আই এম দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ বিধায়ক নিৰ্ব্বাচিত হৈ ৰাজ্যখনলৈ দক্ষতাৰে সেৱা আগবঢ়াইছিল। তদুপৰি তেখেতে জীৱনকালত বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত সক্ৰিয়তাৰে জৰিত থাকি নিষ্টাৰে সেৱা আগবঢ়াই থৈ গৈছে। এই গৰাকী প্ৰাক্তন বিধায়ক , জ্যেষ্ঠ ৰাজনৈতিক নেতাৰ বিয়োগত ৰাজ্যখনৰ সমাজ জীৱনৰ অপূৰণীয় ক্ষতি হ'ল। এতিয়া উল্লেখিত প্ৰয়াত ব্যক্তি দুগৰাকীৰ পবিত্ৰ স্মৃতিত আৰু তেখেতসকলৰ বিদেহী আত্মাৰ সদগতি আৰু চিৰ শান্তি কামনা কৰি ১ মিনিট সময় থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে মই অনুৰোধ কৰিছো আৰু তাৰ পিছতে সদন পৰহিলৈ পূৱা ৯.৩০ বজালৈ স্থগিত থাকিব।

**( সদনৰ দিনটোৰ কাৰ্য্যক্ৰমণিকা দিনৰ ২.০০ বজাত সমাপ্ত হয়)**